# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Friday, the 21st July, 2006

The House met at 8-30 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, speaker in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

## (To Which Oral replies were given)

**Mr. Speaker :** Starred Question No. 101, Hon'ble Member, Shri Rameswar Dhanowar.

**বিষয় ঃ বনগাঁৱৰ সংখ্যা।**

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

* ১০১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত কিমানখন বনগাঁও (Forest Village) আছে?

খ) বনগাঁওসমূহ কেতিয়া চৰকাৰে সৃষ্টি কৰিছিল?

গ) প্ৰত্যেকখন বনগাঁও কেনেকৈ পৰিচালিত হয়?

ঘ) গাঁওবোৰৰ মুখীয়াল আছে নেকি? যদি আছে, কি নামেৰে বন বিভাগে নামাকৰণ কৰিছে?

**শ্ৰী ৰকিবুল হুছেইন** (বন আৰু পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমত বৰ্তমান সৰ্বমুঠ ৪৯৯খন বনগাঁও আছে।

খ) বনগাঁওসমূহ পৰ্য্যায়ক্ৰমে ১৯৩২ চনৰ পৰা ১৯৮০ চনৰ ভিতৰত চৰকাৰে

সৃষ্টি কৰিছিল।

গ) বনগাঁওবোৰ ১৮৯১ চনৰ অসম বন অধিনিয়মৰ ধাৰা ৭২(ঙ), ৭৪ৰ আধাৰত স্থাপন আৰু নিয়ন্ত্ৰণ কৰি অহা হৈছে। বনগাঁওসমূহ স্থাপনৰ প্ৰধান লক্ষ্য আছিল ঃ-

(১) সংৰক্ষিত বনাঞ্চলত বনানিকৰণ আৰু আনুসংগিক কাম-কাজ চলাবলৈ সেই সময়ত স্থানীয়ভাৱে শ্ৰমিক পাবলৈ নথকা হেতু সেই কামবোৰ নিয়াৰিকৈ কৰাৰ বাবে বনগাঁৱৰ পৰা যাতে শ্ৰমিক পোৱা যায়।

(২) বনগাঁওবোৰৰ প্ৰতিঘৰ মানুহৰ মুৰব্বীৰ নামত ৫ বিঘা বস্তি মাটি আৰু ১০ বিঘা খেতিৰ মাটি অস্থায়ীভাৱে আবণ্টনৰ ব্যৱস্থা নিয়মত সন্নিবিষ্ট আছে।

(৩) বনগাঁৱৰ প্ৰতিঘৰ পৰিয়ালৰ সদস্যৰ তালিকা প্ৰস্তুত কৰি ৰখাৰ ব্যৱস্থা আছে।

(৪) অসম বন অধিনিয়ম ১৮৯১ চনৰ ৭২(ঙ) ধাৰাৰ অধীনত প্ৰস্তুত নিয়মাৱলী অনুসৰি বনগাঁৱৰ বাসিন্দাসকলে বছৰি ২০দিন মঞ্জুৰীসহ শ্ৰমদান দিয়াৰ নিয়ম আছে। ইয়াৰোপৰি তেখেতসকলে ঘৰ বনোৱাৰ সঁজুলি আৰু খৰি-খেৰ বিনামূলীয়াকৈ সংগ্ৰহ কৰিব পাৰে আৰু এই বনজ দ্ৰব্যৰ বন ৰাজহৰ বিনিময়ত বনগাঁওৰ প্ৰতিজন প্ৰাপ্তবয়স্ক লোকে বছৰি ৫দিন বিনামূলীয়া শ্ৰমদান কৰাৰ নিয়ম আছে।

(ঘ) হয় আছে। বনগাঁৱৰ মুখিয়ালসকলক গাঁওবুঢ়া হিচাপে জনা যায়। অসম বন অধিনিয়ম ১৮৯১ চনৰ ধাৰা ৭২(ঙ) অধীনত বনগাঁও স্থাপনৰ বাবে যি নিয়মাৱলী জাৰি কৰা আছে তাৰে ১৭ নং দফাত বনসংগুল প্ৰাধিকাৰীয়ে সংশ্লিষ্ট বন সংৰক্ষকৰ অনুমোদন ক্ৰমে বনগাঁৱৰ গাঁওবুঢ়া নিযুক্তি দিব পাৰে।

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে ৪৯৯খন বনগাঁৱত ৪৯৯জন গাঁওবুঢ়া আছে। এই গাঁওবুঢ়াসকলক চৰকাৰে স্বীকৃতি দিছে নেকি? যদি দিছে কেনেধৰণে স্বীকৃতি দিছে?

* **শ্ৰী ৰকিবুল হুছেইন** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুঠ ৪৯৯খন বনগাঁও আছে। গাঁওবুঢ়াসকলক আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়া নাই। মই বিভাগীয় বিষয়াসকলৰ লগত আলোচনা কৰি এই সংক্ৰান্তত ব্যৱস্থা লৈ মাননীয় সদস্যজনক জনাম।

---

* Speech not corrected

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ৪৯৯জন গাঁওবুঢ়াৰ কিমানজনে তেখেতে উত্তৰ দিয়া মতে নিযুক্তিপত্ৰ পাইছে আৰু কিমানজনে পোৱা নাই। যিসকলে নিযুক্তি পোৱা নাই, নিযুক্তিপত্ৰ দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** যিসকলে নিযুক্তি পোৱা নাই, মই বিভাগৰ লগত কথা পাতি মাননীয় সদস্যজনক জনাই দিম। তেখেত আহিব নালাগে।

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ঃ** গাঁওবুঢ়াসকলক বিভাগৰ ফালৰ পৰা পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা নাই। ১৯৮০ চনৰ পিছৰখিনিৰ ব্যৱস্থা কৰা হৈছে। আজিকালি এখন জইণ্ট কমিটী গঠন কৰা হৈছে। আমি মাননীয় সদস্যজনৰ লগত বহি কি কৰিলে সুবিধা হ'ব সেই মতে ব্যৱস্থা ল'ম।

* **শ্ৰী দ্ৰুপদ বৰগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো। আমাৰ অসমত ৪৯৯খন বনগাঁও আছে। তাত কিছুমান মানুহ বহুওৱা হৈছে আৰু মাটি দিয়া হৈছে। কিন্তু সেই মানুহখিনিক আজিলৈকে মাটিৰ পট্টা দিয়া নাই. কৃষকসকলে পট্টাৰ বাবে বহুদিন আবেদন-নিবেদন কৰিছে। এই গাঁওসমূহক ৰাজহ গাঁৱলৈ ৰূপান্তৰিত কৰিব নেকি? তেখেতসকলক মাটিৰ পট্টা দিয়া নাই কাৰণে এই ব্যৱস্থা কৰি দিব নেকি?

* **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮০ চনৰ যিখন বন সুৰক্ষা আইন, সেই আইন মতে ১৯৮০ চনৰ পিছত কোনো বনগাঁও আমি স্বীকৃতি দিয়া নাই। এই কথাখিনি আমাৰ সদনত কেইবাদিনো আলোচনা হৈছে। যিবিলাক বনগাঁও আছে সেইবিলাক আমি পৰ্য্যায়ক্ৰমে দিয়াৰ ব্যৱস্থা কৰিম। ১৯৮০ চনৰ আগৰখিনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পাৰ্মিচন লাগিব।

* **শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইণ্টাৰ ষ্টেট বৰ্ডাৰৰ আমাৰ মেঘালয়ৰ বৰ্ডাৰ এৰিয়াত থকা মাটিৰ পট্টাকে ধৰি অন্য সুবিধা মেঘালয়ে প্ৰদান কৰিছে। কিন্তু আমাৰ বনগাঁওসমূহক এই সুবিধা প্ৰদান কৰা নাই। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা লৈ বৰ্ডাৰ এৰিয়াৰ মানুহখিনিক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব নেকি?

---

* Speech not corrected

* **শ্ৰী ৰকিবুল হুছেইন** (মন্ত্ৰী) ঃ একেটাই উত্তৰ। ১৯৮০ চনৰ বন সুৰক্ষা আইনৰ যোগেদি কৰিব পৰা যাব।

* **শ্ৰী উদ্ধৱ বৰ্মণ** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে ৪৯৯খন বনগাঁও আছে। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে চিডিউল ট্ৰাইব ফৰেষ্ট আইনখন প্ৰণয়নৰ ব্যৱস্থা কৰিছে। তাত মূলতঃ ট্ৰাইবেল মানুহৰ সুবিধাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে দিছে। আমাৰ ট্ৰাইবেল জনগোষ্ঠীৰ মানুহখিনিৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

* **ডাঃ কমলাকান্ত কলিতা** ঃ মাননীয় বৰ্মণ ডাঙৰীয়াই যি কথা কৈছে, এটা ডাঙৰ সমস্যা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে সেইটো নিশ্চয় উত্তৰ দিব বা বিবেচনা কৰিব। বনগাঁওসমূহত থকা জনজাতীয় লোকসকলে নেচাৰেল কেলামিটি, ফ্লাড আদিত ৰিলিফ নাপায়। এইক্ষেত্ৰত ফৰেষ্ট ডিপাৰ্টমেণ্টে ৰেভিনিউৰ লগত আলোচনা কৰি এই দুৰ্ভগীয়া মানুহখিনিৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী ৰকিবুল হুছেইন** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া ৰিলিফ মেনুৱেল সালসলনি কৰি ফৰেষ্টৰ মানুহখিনিৰ সহায় হোৱাৰ কাৰণে ব্যৱস্থা কৰিম। আমি কাপোৰ, মেডিচিন আদি দিছো। আমি জনজাতীয় লোকৰ উন্নয়নৰ কাৰণে ডব্লিউ, পি, টি এণ্ড বি, চি আৰু বন বিভাগে মিলি এখন আঁচনি লৈছো। তেখেতসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ কাৰণে এইক্ষেত্ৰত সহায় হ'ব।

**Mr. Speaker :** Starred Question No. 102, Hon'ble Member, Dr. Rumi Nath.

*102. Will the Minister of Health be pleased to State :

a) Is the Govt. aware the all the Public Health Centres in LA-14 Borkhola Constituency which has been badly affected recently due to devastating flood are functioning without any medicine?

b) Will the Govt. take necessary steps for supply of medicines, spraying of D.D.T. etc. for prevention of Malaria, Cholera, etc. urgently and for provision of mobile dispensaries and

* Speech not corrected

opening of medical camps at flood affected areas?

c) What are the medicines supplied to different P.H.C., C.H.C. in LA-14 Borkhola constituency as per records and what is the value of the same?

d) Is the Govt. aware that there is long standing demand for setting up of a P.H.C. in Arunachal area of LA-14 Borkhola Constituency? If so, what are the steps taken by the Government?

e) How many ANMs are now remaining idle without any job in the State? Has the Govt. any plan to absorb these ANM and GNM in the State? If so, when? If not, why?

f) What steps Govt. has so far taken for filling up of vacancies in the S.M.C.H.?

g) How many post graduate courses in S.M.C.H. have so far been recognised? What is the present status of other departments in the college?

**Dr. Himanta Biswa Sarma** (Minister, Health & F.W.) replied :

a) No. Medicines are supplied regularly as per the requirement and availability.

b) All necessary steps have so far been taken for supply of Medicines, Spraying of DDT etc. for prevention of Malaria, Cholera etc. deploying 7 squads for Bikrampur PHC area and 6 squads for Borkhola PHC area. Steps has been taken to introduce Mobile Dispensary at district level.

c) List of Medicines supplied of different PHC & CHC in LA-14 Borkhola constituency is shown below :-

1. Tab. Paracetamol.

2. Tab. Metronidozale.
3. Tab. Nor-T
4. Tab. Ciprofloxicin - 250
5. Tab. Septran.
6. Renitidine.
7. Caphalexin-250
8. Cipo-T
9. Nor-T Suspension.
10. Nimuslide Syp.
11. Paracetamol Syp.
12. Amoxy Dy. Syp.
13. Inj. Gentamycin.
14. ORS.
15. Inj. DNS.
16. Inj. NS.
17. Inj. RL.
18. 5% dextrose.
19. Inj. P D invest 10%
20. Inj. Cipro infusion.
21. Cap. Omiprazole.
22. Ampliciline.
23. Cephalexine Kid.
24. Tab. Demophesidone.
25. Liver Syp.

Cipro Eye drop.

27. Tab. Septran.
28. Inj. Ceftraixone-I Mg.
29. Inj. Metherjine.
30. Inj. Syntocine
31. Gentamycine Eye Ontm.
32. Furoxone Suspension.
33. Chlorine Tab.

The above medicines are procured as per Govt. approved rate.

d) At present there is no proposal for upgradation of Arunachal Sub-Centre to PHC.

e) As per records available in the Department arround 4000 ANMs and 1500 GNMs are without Govt. job. Yes, Govt. have plan to absorb ANMs and GNMs against available vacancies. The process for appointment was started but could not declare select list due to interim order from Hon'ble High Court, Gauhati.

Meanwhile, 353 Nos of ANMs and 31 Nos of GNMs have already been engaged in RCH under contractual basis. Further interview has been conducted to engage 502 ANMs and 407 GNMs on contractual basis.

f) As regards, filling up of vacancies of teaching staff in SMCH have already been taken to fill-up the vacancies by promotion in respect of Asstt. Professor and above. Regarding filling-up of the vacancies of Demonstrator etc. the panel of APSC has been received and under process.

For filling-up of 123 Nos of vacant posts of Gr.-III

and Gr-IV clearance of Finance (SIU) Department has been received on 15.07.2006 for 109 Nos of posts and steps are being taken to filling the vacancies.

g) The following Post Graduate Courses in SMCH have so far been recognised :-

(i) Medicine.

(ii) Surgery.

(iii) E.N.T.

(iv) Ophthalmology.

Recognision of Gynaeocology (O&G) Department is expected soon since Inspection by MCI have already been completed.

Inspection by MCI for opening the P.G. Course in Psychiatry Department is expected soon.

The following P.G. Courses are proposed for introduction in SMCH-

a) Orthpaedics,

b) Radiology,

c) Pathology

d) Anaesthesiology,

e) Microbiology.

* **Dr. Rumi Nath :** There is shortage of medicines for the PHCs of Borkhala constituency. Can you assure us when it will be provided in Borkhola Constituency?

* **Dr. Himanta Biswa Samra** (Minister) : I will discuss this matter with Joint Director of Health Services, Cachar.

* Speech not corrected

* **Dr. Rumi Nath :** Though it is mentioned in reply that medicines have been supplied, but the medicines such as injections etc. are not available. What steps Government would take?

* **Dr. Himanta Biswa Sarma** (Minister) : We have given here list of medicines of 33 items. I will instruct the Deputy Commissioner concerned to take strong action, if these are not available.

* **Dr. Rumi Nath :** Is there any proposal to upgrade Arunachal sub centre?

**Mr. Speaker :** You cannot force a Minister to give assurance. Only you can give proposal.

* **Dr. Rumi Nath :** When new PG course will be introduced in SMCH?

* **Dr. Himanta Biswa Sarma** (Minister) : As you know, Sir, Government cannot introduce new course without the clearance from Medical Council of India.

* **Shri Mission Ranjan Das :** In SMCH, permanent posts of Grade IV are lying vacant since long. As many as 182 persons are serving as casual emplyees. Government already moved for their regularisation. I want to know from Hon'ble Minister whether Government will take steps for their regularisation for these permanent posts who are serving as casual employees?

* **Dr. Himanta Biswa Sarma** (Minister) : In SMCH and for that matter in all medical colleges, total grade III/IV vacancies are 359 and out of that, 123 vacancies are there in

---

* Speech not corrected

SMCH. I cannot understand how there are 180 candidates against sanctioned vacancies of 123. There was a decision to engage temporary persons by Hospital Management Committee and these employees will continue as temporary employees. These vacancies will be filled up through open advertisement and strictly on merit.

* **Shri Mission Ranjan Das :** These employees are working since 1.4.93. They cannot be retrenched as there was assurance of Government of last Chief Minister, Hiteswar Saikia.

* **Dr. Himanta Biswa Sarma** (Minister) : But we will have to see that there is no violation of Government norms.

* **Dr. Aditya Langthasa :** I would like to know from Hon'ble Minister regarding vacancies of teaching posts of Professors and Associate professors and Readers?

**Mr. Speaker :** The question is regarding SMCH. You can ask on that.

* **Dr. Himanta Biswa Sarma** (Minister) : This needs a separate question.

**Mr. Speaker :** Starred Question No. 103, Hon'ble Minister, Shri Badaruddin Ajmal.

**বিষয় ঃ চৰকাৰী চিকিৎসালয়ৰ সংখ্যা।**

**শ্ৰী বদৰুদ্দিন আজমলে সুধিছে ঃ**

*১০৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ২২ নং দক্ষিণ শালমাৰা সমষ্টিত কিমানখন চৰকাৰী চিকিৎসালয় আছে? (নাম আৰু স্থানৰ তালিকা দাখিল কৰিব)

খ) চিকিৎসালয়সমূহত কৰ্মৰত চিকিৎসকৰ সংখ্যা কিমান? (নামৰ তালিকা দাখিল

---

* Speech not corrected

কৰিব)

গ) দক্ষিণ শালমাৰা সমষ্টিত চিকিৎসক আৰু নাৰ্ছৰ খালী পদৰ বিপৰীতে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ২২ নং দক্ষিণ শালমাৰা সমষ্টিত দুখন চিকিৎসালয় আৰু ৩৪ স্বাস্থ্য উপকেন্দ্ৰ আছে। (তালিকা সংলগ্ন কৰা হ'ল) (See Annexure-I)

খ) দক্ষিণ শালমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত তিনিজন চিকিৎসকে কাম কৰি আছে। তেওঁলোকৰ নাম— (১) ডাঃ আব্দুল মতিন শ্বেখ Sr. M&HO (২) ডাঃ আজাদ আলী, M&HO-I আৰু (৩)ডাঃ আয়ুব খান, M.O. (Ayur.)

গ) খালী পদৰ বিপৰীতে Reg. 3 (f) ৰ ভিত্তিত এজন চিকিৎসক অলপতে দক্ষিণ শালমাৰা CHCত নিযুক্তি দিয়া হৈছে। নাম ডাঃ শ্বাহ আলম। CHC খনত জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ পদটো পদোন্নতি প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লে নিযুক্তি দিব পৰা যাব।

* **শ্ৰী বদৰুদ্দিন আজমল** ঃ অধ্যক্ষ মহোদয়, মই উত্তৰকেইটা পাইছো। এইখিনিতে মোৰ এটা চাজেচন আছে। দক্ষিণ শালমাৰা এলেকাটো অতি পিছ পৰা এলেকা। তাত গাড়ী-মটৰ চলোৱাৰ বাবে ৰাস্তা নাই। সেয়েহে তাত ভাল ডাক্তৰ থাকিব নোখোজে। সেয়েহে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে যদি তাত ম'বাইল বুথৰ জৰিয়তে চিকিৎসা সেৱা আগবঢ়ালে ৰাইজ উপকৃত হ'ব। তাৰোপৰি যদি ধুবুৰীত ডাক্তৰ থকাৰ ব্যৱস্থা কৰিব পাৰে তেতিয়াহ'লেও কিছু কামত আহিব। অধ্যক্ষ মহোদয়, আমি জানো যে আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া এজন ডাইনামিক মন্ত্ৰী, তেওঁৰ এইক্ষেত্ৰত নিশ্চয় বহুতো আঁচনি আছে। তাৰোপৰি মই আৰু এটা পৰামৰ্শ দিব বিচাৰো যে যদি চৰকাৰে এই পিছপৰা ঠাইত কাম কৰা ডাক্তৰসকলৰ দৰমহা অলপ বঢ়াই দিয়ে বা তেওঁলোকক সেইবিলাক ঠাইত কাম কৰাৰ বাবে পি, জি আদি ডিগ্ৰী দিয়াৰ ব্যৱস্থা কৰিলেও ভাল হ'ব। তেনেকুৱা কিবা এচুৰেন্স দিলেহে সেইবোৰ পিছপৰা ঠাইত ডাক্তৰ থাকিব বুলি মই ভাবো। দ্বিতীয়তে, তাত নাৰ্ছো থাকিব নোখোজে। যদি তাত মেল নাৰ্ছ দিয়াৰ ব্যৱস্থা কৰিব পাৰে তেতিয়াহ'লে ভাল হয়।

---

* Speech not corrected

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আজমল ডাঙৰীয়াক ধন্যবাদ জনাইছো এই কাৰণেই যে তেওঁ যথেষ্ট গঠনমূলক পৰামৰ্শ আগবঢ়াইছে। তেওঁ কৈছে যে, [illegible] শালমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত মাথোঁ এজনহে ডাক্তৰ আছে। কিন্তু আমাৰ হিচাপ মতে তাত তিনিজন ডাক্তৰ থাকিব লাগে। তাত ডাঃ আয়ুব খান, আয়ুৰ্বেদিক চিকিৎসকজনে তাত থাকিম বুলিয়ে তাত পোষ্টিং লৈছিল। তাত অলপতে এজন থ্ৰি এফত ডাক্তৰ নিযুক্তি দিয়া হৈছে। গতিকে এইক্ষেত্ৰত যদি তাত ডাক্তৰ নাই বুলি মাননীয় সদস্যজনে যিটো কথা কৈছে, মই নিজেই গৈ চাই আহিম। তাৰোপৰি মোবাইল বুথৰ যিটো কথা কৈছে সেইটোৰ উত্তৰ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাট মোচনৰ সময়ত দিব। অধ্যক্ষ মহোদয়, আমি এটা আঁচনি কৰিব খুজিছো যে যিসকল ডাক্তৰে পিছপৰা অঞ্চলত এবছৰ কাম কৰিব তেওঁলোকক তিনি বছৰ গুৱাহাটীত পোষ্টিং দিয়া হ'ব। বেয়া ঠাইত চাৰ্ভ কৰিলেহে গুৱাহাটীত পোষ্টিং দিয়া হ'ব।

**Mr. Speaker :** Now, Starred Question No. 104, Hon'ble Member, Shri Abdul Aziz.

**বিষয় ঃ উপ-স্বাস্থ্যকেন্দ্ৰ স্থাপন।**

**শ্ৰী আব্দুল আজিজে সুধিছে ঃ**

* ১০৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত কিমানখন উপ-স্বাস্থ্যকেন্দ্ৰ আছে আৰু সেইবিলাক সঠিকভাৱে চলাৱস্থাত আছেনে?

খ) নগাঁও জিলাত কিমান উপ-স্বাস্থ্যকেন্দ্ৰ আছে আৰু ৰূপহীহাট সমষ্টিত ইয়াৰ সংখ্যা কিমান? সেইবিলাক কেনেকৈ চলি আছে?

গ) ৰূপহীহাট সমষ্টিৰ সুতীৰপাৰত থকা উপ-স্বাস্থ্যকেন্দ্ৰ কেতিয়া স্থাপন কৰা হৈছিল আৰু বৰ্তমান ইয়াৰ অৱস্থা কি?

ঘ) যদি অচলাৱস্থাত আছে, কিমান দিনৰ পৰা আছে আৰু ইয়াৰ কাৰণ কি? (সবিশেষ তথ্যসহকাৰে জনাব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমত মুঠ ৫১০৯খন উপ-স্বাস্থ্যকেন্দ্ৰ আছে? ইয়াৰে ৪৬৪৮টা উপ-স্বাস্থ্যকেন্দ্ৰ সঠিকভাৱে চলি আছে। ৪৬১টা ANM ৰ পদ খালী থকা বাবে ৪৬১ কেন্দ্ৰ নিয়মিতভাৱে চলাব পৰা নাই।

খ) নগাঁও জিলাত মুঠ ৩৮৮টা উপ-স্বাস্থ্যকেন্দ্ৰ আছে আৰু ৰূপহীহাট সমষ্টিত ইয়াৰ সংখ্যা হ'ল ৪১খন। ইয়াৰে নগাঁও জিলাত ১২০খন চৰকাৰী গৃহত আৰু ২৬৮খন ভাড়া ঘৰত চলি আছে।

ৰূপহীহাট সমষ্টিৰ ৪১খনৰ ভিতৰত ৭খন চৰকাৰী ঘৰত আৰু ৩৪খন ভাড়া ঘৰত চলি আছে।

গ) ৰূপহীহাট সমষ্টিৰ সুতীৰপাৰত থকা উপ-স্বাস্থ্যকেন্দ্ৰটো ১৯৭০ চনত স্থাপন কৰা হৈছিল। বৰ্তমান এই স্বাস্থ্যকেন্দ্ৰটিৰ মেৰামতিৰ প্ৰয়োজন হৈছে।

ঘ) স্বাস্থ্য কেন্দ্ৰটিৰ কাম-কাজ চলি আছে।

* **শ্ৰী আব্দুল আজিজ ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নকেইটাৰ যি উত্তৰ দিছে ভালেই পাইছো। সুতাৰপাৰ উপ-স্বাস্থ্যকেন্দ্ৰৰ কাম চলি থকা বুলি কৈছে। কিন্তু কি কাম চলি আছে, একো কাম চলি থকা নাই। অধ্যক্ষ মহোদয়, মই সেই সমষ্টিৰ বিধায়ক। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট নহয়। মই পৰহিও মোৰ সমষ্টিৰ পৰা আহিছো। এই সম্পৰ্কে মই চিএছক জনাইছো। মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ৰূপহীহাট সমষ্টিৰ ৪১ খনৰ ভিতৰত ৭খন চৰকাৰী ঘৰত আৰু ৩৪খন ভাড়াঘৰত চলি আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে এই উপ-স্বাস্থ্যকেন্দ্ৰসমূহ কিমান দিনৰ পৰা ভাড়া ঘৰত চলি আছে। অধ্যক্ষ মহোদয়, আমি সাধাৰণতে সংখ্যালঘু মানুহবিলাকে পিছপৰা অঞ্চল বা চৰ-চাপৰিতে বাস কৰো। এইবোৰ ঠাইত কোনো স্বাস্থ্য কেন্দ্ৰ নাই। সেয়েহে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা সঠিক উত্তৰ বিচাৰিছো।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় আজিজ ডাঙৰীয়াই যদিও এইবাৰেই প্ৰথম বিধানসভালৈ নিৰ্বাচিত হৈ আহিছে তথাপি তেওঁ এজন প্ৰবীণ ৰাজনীতিবিদ। অধ্যক্ষ মহোদয়, আমি সাধাৰণতে ৰিপোৰ্টবোৰ ফিল্ডৰ পৰাহে আনো। তেখেতে প্ৰশ্নটো কৰোতে নামবোৰ বিচৰা নাছিল সেয়েহে আমি নামবোৰ অনা নাছিলো। তাৰোপৰি মাননীয় সদস্যজনে কৈছে যে

* Speech not corrected

তেখেতে কালি বিধানসভা চলি থকাৰ সময়তে এই উত্তৰটো পাবৰ কাৰণে সমষ্টিলৈ গৈ আহিছে। এইটো বৰ গৌৰৱৰ কথা।

* **শ্ৰী আব্দুল আজিজ** ঃ অধ্যক্ষ মহোদয়, মই পৰহি যোৱা বুলি কৈছো।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেওঁ যিহেতু প্ৰশ্নটো চিৰিয়াচলি কৰিছে গতিকে মন্ত্ৰী হিচাপে ময়ো চিৰিয়াচলি চাম। যদি নাৰ্ছগৰাকীয়ে তাত থকা বুলি দৰমহা লৈ আছে তাৰ ওপৰত আমি একচন লম। তাৰোপৰি তেওঁ যিটো সুধিছে উপ-স্বাস্থ্যকেন্দ্ৰসমূহ কিমান দিনৰ পৰা ভাড়াঘৰত চলি আছে, ইয়াৰ উত্তৰত কওঁ যে এইবিলাক জন্মৰ দিনৰ পৰাই ভাড়াঘৰত চলি আছে। কিন্তু এইবাৰ আমি এখন আঁচনি লৈছো যে অসমত যি ৫১০৯খন উপ-স্বাস্থ্যকেন্দ্ৰ আছে সেইবোৰ আমি বনাম। আমি প্ৰত্যেক চাব চেণ্টাৰতে ৬ লাখ টকাকৈ খৰচ কৰিম। ইয়াৰ বাবে আমি বাজেটত টকা ধাৰ্য কৰিছো। যদি আমি বিত্ত বিভাগৰ পৰা অনুমোদন পাও তেতিয়াহ'লে আমি এই বছৰত এক হাজাৰ বনাব পাৰিম।

**Mr. Speaker :** Starred Question No. 105, Hon'ble Member, Shri Joseph Toppo.

**বিষয় ঃ মেলেৰীয়া ৰোগ।**

**শ্ৰী যোচেফ টপ্পই সুদিছে ঃ**

* ১০৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ঢেকীয়াজুলি সমষ্টিৰ কোন কোন অঞ্চলত কিমান মানুহ মেলেৰীয়া ৰোগত আক্ৰান্ত হৈছে? (নাম আৰু ঠিকনা জনাব)

খ) উক্ত ৰোগত বৰ্তমানলৈ কিমানজন মানুহৰ মৃত্যু হৈছে? (নাম আৰু ঠিকনা জনাব)

গ) মেলেৰীয়া ৰোগ প্ৰতিৰোধৰ বাবে কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিছে?

ঘ) আক্ৰান্ত লোকসকলক চিকিৎসাৰ বাবে বিভাগৰ পৰা কেনে ধৰণৰ পদক্ষেপ লৈছে? (সবিশেষ জনাব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ঢেকীয়াজুলি সমষ্টিৰ ঢেকীয়াজুলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত

অঞ্চলসমূহত আজিলৈকে ১,৫০৪জন লোক মেলেৰীয়াত আক্ৰান্ত হৈছে। সকলো আক্ৰান্ত লোকৰ নাম-ঠিকনা বিভাগে পোৱা নাই।

খ) মেলেৰীয়া ৰোগত ঢেকীয়াজুলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজিলৈকে ৪(চাৰি)জন লোকৰ মৃত্যু হৈছে। নাম আৰু ঠিকনা তলত দিয়া হ'ল।

| নাম | ঠিকনা |
|---|---|
| ১। নীলেন ৰামচিয়াৰী | গাঁও ঃ বাতাছীপুৰ |
| ২। শুকুগুৰীয়া | গাঁও ঃ চোপালটি ঃ ইঃ |
| ৩। বাসন্তী ভট্ট | গাঁও ঃ মিচামাৰি, নেপালী বস্তি |
| ৪। বনাই শইকীয়া | গাঁও ঃ জীয়া গাভৰুমুখ |

গ) মেলেৰীয়া ৰোগ প্ৰতিৰোধ কৰাৰ বাবে তলত দিয়া ধৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

১) বিভিন্ন চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে তেজৰ নমুনা সংগ্ৰহ কৰাৰ উপৰিও মেলেৰীয়া ক্ষেত্ৰ কৰ্মীয়ে ঘৰে ঘৰে গৈ তেজৰ নমুনা সংগ্ৰহ কৰি স্বাস্থ্য কেন্দ্ৰত পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হৈছে।

২) মেলেৰীয়া পৰজীৱী চিনাক্ত কৰাসকলক বিনামূলীয়াকৈ মেলেৰীয়াৰ ঔষধ বিতৰণ কৰা হৈছে।

৩) প্ৰতি এহেজাৰ মানুহৰ মাজৰ পৰা একোজনকৈ স্বেচ্ছাসেৱক বাছি FTD/ DDC খুলি মেলেৰীয়া ঔষধ বিনামূলীয়াকৈ বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৪) প্ৰতি বছৰত ২বাৰকৈ মেলেৰীয়া অধ্যুষিত অঞ্চলত DDT চটিওৱাৰ ব্যৱস্থা কৰা হৈছে। আৰু ঠাই বিশেষে 'মালাথিয়ানৰ' Fogging কৰাৰ ব্যৱস্থা কৰা হৈছে।

৫) ৰাইজৰ আঁঠুৰাসমূহ কীটনাশক ঔষধযুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু মেলেৰীয়া অধ্যুষিত অঞ্চলত চৰকাৰৰ ফালৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াললৈ আঁঠুৰা বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৬) বিভিন্ন ঠাইত বিভিন্ন সময়ত স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা শিবিৰ পাতি ৰাইজৰ মাজত সজাগতা অনাৰ ব্যৱস্থা কৰা হৈছে।

ঘ) ঢেকীয়াজুলি সমষ্টিৰ মেলেৰীয়া আক্ৰান্ত লোকসকলৰ চিকিৎসাৰ বাবে বিভাগৰ তৰফৰ পৰা তলত দিয়া ধৰণে পদক্ষেপ লোৱা হৈছে।

১) ৫৮খন গাঁও আৰু ১৬খন চাহবাগান সামৰি DDT ছটিওৱা হৈছে।

২) এই অঞ্চলত ৪৭৮টা FTD/DDC এ কাম কৰি আছে।

৩) এই অঞ্চলত ৭৭টা স্বাস্থ্য পৰীক্ষা সজাগতা শিবিৰ পতা হৈছে। ইয়াৰোপৰি বিভিন্ন স্থানীয় ভাষাত মেলেৰীয়া বিষয়ক প্ৰচাৰ-পত্ৰিকা ৰাইজৰ মাজত বিতৰণ কৰা হৈছে।

৪) ঢেকীয়াজুলি নগৰৰ উপৰিও ওচৰৰ দহখন চাহ বাগিচাত মালাথিয়ন Fogging কৰা হৈছে।

৫) ৰাইজৰ আঁঠুৱাসমূহ ওষধীকৰণ কৰাৰ উপৰিও বিভাগৰ ফালৰ পৰা ১,২০০খন আঁঠুৱা ঔষধযুক্ত কৰি মেলেৰীয়া অধ্যুষিত অঞ্চলত বিতৰণ কৰা হৈছে।

* **শ্ৰী যোচেফ টপ্প** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ তিনি নং প্ৰশ্নৰ উত্তৰত কৈছে যে প্ৰতি এহেজাৰ মানুহৰ মাজৰ পৰা একোজনকৈ স্বেচ্ছাসেৱক বাছি এফ টি ডি/ডি ডি চি খুলি মেলেৰীয়া ঔষধ বিনামূলীয়াকৈ বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে এই এফ টি ডিৰ কোনে আঁচনি কৰে, ইয়াৰ এখন লিষ্ট দিব নেকি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে ঢেকীয়াজুলি অঞ্চলত ৪৭৮টা এফ টি ডি/ ডি ডি চি এ কাম কৰি আছে। আমি নামকেইটা অনা নাছিলো। এইকেইটা দেফিনিয়েটলি ভলণ্টিয়াৰ ওৱাৰ্কাৰচ হ'ব। যদি মাননীয় সদস্যজনে লিষ্ট বিচাৰে তেনেহ'লে আমি যুটীয়া সঞ্চালক, শোণিতপুৰক কৈ দিম, তেখেতে ল'ব পাৰিব।

* **শ্ৰী যোচেফ টপ্প** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগৰ স্বাস্থ্য মন্ত্ৰী বৰ্মন ডাঙৰীয়াৰ দিনত বিভিন্ন ঠাইত ছাৰ্ভিচ ওৱাৰ্কাছৰ ইনটাৰভিউ হৈছিল। ইনটাৰভিউত পাছ কৰা চাৰ্ভিচ ওৱাৰ্কাছসকলৰ নামকেইটা দিলে যোগাযোগ কৰিব পাৰি। যিবিলাকত ওৱাৰ্কাছ নাই তাত নিযুক্তি দিবৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিছে নেকি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, জইণ্ট ডিৰেক্টৰ অব

* Speech not corrected

মেলেৰীয়াৰ আওতাৰত ৭০০টা পোষ্ট খালী আছিল। এমপ্লইমেণ্ট এক্সচেঞ্জৰ পৰা নাম অহা ৫০,০০০খন দৰ্খাস্ত ৰিচিভ কৰা হৈছিল। এই ৭০০টা ছাৰ্ভিচৰ কাৰণে বিত্ত বিভাগে অনুমোদন দিয়ে আমি আগবাঢ়িব পাৰো। সেই সময়ত ইলেকচন আগত থকা কাৰণে আমি আগবাঢ়িব নোৱাৰিলো। মেলেৰীয়া এটা ভয়াৱহ বেমাৰ। ইয়াত নিযুক্তি দিবৰ কাৰণে শিক্ষাগত অৰ্হতা মেট্ৰিকুলেট ল'লে ভাল হয়। ছাৰ্ভিচ ওৱাৰ্কাছসকলে মেলেৰীয়া বেমাৰটো চিনাক্ত কৰি লগে লগে ঔষধ লৈ খুৱাই দিব পাৰে। গাঁওবিলাকত ঔষধ দিবৰ কাৰণে মেট্ৰিকুলেটৰ পৰা হাইয়াৰ ছেকেণ্ডাৰীলৈকে শিক্ষাগত অৰ্হতা থকাসকলক আনিব পাৰি নেকি চাব লাগে যাতে সকলো ধৰণৰ বেমাৰৰ কথা গম পায়। কেবিনেটত মঞ্জুৰী পোৱাৰ পিছত ৭০০টা পোষ্ট ফিলাপ কৰিব লাগিব। এইক্ষেত্ৰত যদি কিবা অসুবিধা পাওঁ তেতিয়া নিশ্চয় জনোৱা হ'ব। মই ভাবো কেবিনেটে এপ্ৰোভ কৰি দিলে অহা নৱেম্বৰ বা ডিচেম্বৰ মাহৰ ভিতৰত কৰিব পৰা হ'ব।

**Mr. Speaker :** Now, Starred Question No. 106, Hon'ble Member, Shri Ananta Deka.

**বিষয় ঃ অসামৰিক চিকিৎসালয় উন্নীতকৰণ।**

**শ্ৰী অনন্ত ডেকাই সুধিছে ঃ**

* ১০৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰঙিয়া অসামৰিক চিকিৎসালয়খন প্ৰকৃতপক্ষে অসামৰিক চিকিৎসালয়লৈ উন্নীত কৰা হৈছেনে?

খ) যদি হৈছে কাৰ্যকৰীকৰণৰ কাৰণে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

গ) কিমান দিনৰ ভিতৰত উন্নীতকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হোৱা নাই; কিন্তু FRR Uলৈ উন্নীত কৰা হৈছে।

খ) ১৯৮৭ চনত ৰঙিয়া সামূহিক স্বাস্থ্য কেন্দ্ৰ (C.H.C.)খন ১০০খন বিচনাযুক্ত অসামৰিক চিকিৎসালয়খন উন্নীত কৰাৰ বাবে নিৰ্মাণৰ কাম হাতত লোৱা হয় আৰু প্ৰায় ৪৫% (শতাংশ) কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ পিছত পুঁজিৰ অভাৱত বাকী কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

যোৱা ২০০২-২০০৩ বিত্তীয় বৰ্ষত পৰিকল্পনা ও উন্নয়ন বিভাগৰ পৰা ৫০.০০ লাখ টকা Untied Fundৰ অধীনত আন্তঃগাঁথনি উন্নয়ন (Infrustructure Development)ৰ বাবে মোকলাই দিয়া হয়।

তদুপৰি চলিত বিত্তীয় বৰ্ষত উক্ত আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ (N.R.H.M) জৰিয়তে ৰঙিয়া চিকিৎকালয়ৰ বাবে ৪০.০০ লাখ টকাৰ অনুদান দিয়া হৈছে। গড়কাপ্তানি বিভাগক এই কাম অহা নৱেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। অসামৰিক চিকিৎসালয় উন্নীতকৰণৰ বাবে বিভিন্ন পদৰ মঞ্জুৰীৰ প্ৰয়োজন। বুজাবুজিৰ চুক্তিৰ বাবে বিভাগে নতুন পদ সৃষ্টি কৰিব পৰা নাছিল।

বৰ্তমান পদ মঞ্জুৰীৰ বাবে বিত্ত বিভাগৰ লগত যোগাযোগ কৰা হ'ব।

অৱশ্যে চিকিৎসালয়ত গৃহ অসামৰিক পৰ্যায়ৰ বাবে নিৰ্মাণকাৰ্য আৰম্ভ হৈছে।

গ) নিৰ্মাণৰ কাম সমাপ্ত কৰাৰ ক্ষেত্ৰত গড়কাপ্তানি বিভাগে পুঁজি সাপেক্ষে ব্যৱস্থা হাতত লৈছে। আৰু পদসমূহৰ মঞ্জুৰীৰ বাবে বিত্ত বিভাগৰ অনুমোদন প্ৰয়োজন হ'ব। সেয়ে সমাপ্ত হোৱাৰ নিৰ্দিষ্ট দিন দিব নোৱাৰি।

* **শ্ৰী অনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰঙিয়া সমষ্টিত চিভিল হাস্পতালখন সামুহিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ কাৰণে প্ৰস্তাৱ ল'ব লাগে। সেই স্বাস্থ্য কেন্দ্ৰটো যাতে ১০০খন বিচনাযুক্ত হয়। ৰঙিয়াত যিখন চি এইচ চি চিকিৎসালয় আছে তাত মাত্ৰ চাৰিটাহে চিজাৰিয়ান অপাৰেচন হৈছে। তাত এনাচথেচিয়া দিয়া ডাক্তৰ নাই। যিজন ডাক্তৰ তেখেত মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত এটাচ হোৱাৰ কাৰণে সময়মতে চিভিল হাস্পতালখনত ছাৰ্ভিচ দিব নোৱাৰে। এই অসুবিধাবোৰ নিষ্পত্তি কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) **ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰঙিয়াত চিভিল হাস্পতালখন ১০০খন বিচনাযুক্ত সামুহিক চিকিৎসালয় হ'ব লাগে। বহুত দিন ধৰি বুজাবুজি চুক্তিত বিভাগে নতুন পদ সৃষ্টি কৰিব পৰা নাই। শদিয়া, ধেমাজি, মানকাচৰ, মাজুলী আদি হাস্পতালবোৰত নতুন পদ সৃষ্টি নকৰা বাবে ৰোগীসকলক চিকিৎসা কৰিব পৰা নাছিলে. পি ডব্লিউ ডিৰ বা জেটৰ সাপেক্ষে চিভিল

* Speech not corrected

হাস্পতালৰ বিল্ডিং কৰা হ'ল। প্ৰাক্তন সাংসদ তথা বিধায়ক ভুৱনেশ্বৰ কলিতা ডাঙৰীয়া ৰঙিয়া সমষ্টিৰ বিধায়ক। তেখেতে ৰঙিয়া সামুহিক স্বাস্থ্য কেন্দ্ৰখন ১০০খন বিচনাযুক্ত অসামৰিক চিকিৎসালয়খন উন্নীত কৰাৰ বাবে প্ৰস্তাৱ দিছিলে। আমাৰ বিধায়ক ডাঙৰীয়াৰ লগত মই কথা পাতিছিলো। বিত্ত বিভাগৰ অনুমোদন নহ'লেকে একো কৰিব পৰা নহ'ব। এমাহৰ ভিতৰত হাস্পতালখনৰ কাৰণে পদ ক্ৰিয়েট কৰিব পৰা যায় নেকি চাব লাগিব। মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালখনৰ লগত যিজন ডাক্তৰ এটাচ হৈ আছে এইক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব। ডাক্তৰসকলক গাঁৱৰ হাস্পতালত দিবৰ কাৰণে ব্যৱস্থা লোৱা হ'ব আৰু কামবিলাক যাতে ভালদৰে কৰিব পাৰে তাৰ কাৰণে মই নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

* **শ্ৰী অনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিজন ছুপাৰিনটেনডেণ্ট হাস্পতালত জড়িত তেখেতসকল কেতিয়া আহে কেতিয়া যায় কোনেও নাজানে। ১৯৮৭ চনত ৰঙিয়া সামুহিক স্বাস্থ্য কেন্দ্ৰখনত জইণ্ট ডিৰেক্টৰে ৫০খন বিছনাযুক্ত বুলি কৈছিল, প্ৰকৃততে ৩০খন বিছনাহে আছিল। ছুপাৰিনটেনডেণ্ট দিয়া ব্যৱস্থা কৰিব লাগে। এনাচথেচিয়া দিয়া ডাক্তৰৰ ব্যৱস্থা কৰিব লাগে। এই দুটা ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে মনোযোগ দিব বুলি আশা ৰাখিলো। কেৱল বিল্ডিঙৰ কথা ক'লে নহ'ব। এই লিষ্ট বিত্ত বিভাগৰ অনুমোদনৰ ব্যৱস্থা কৰিব লাগিব। At least one Eye Specialist, one radiologists, one Medicine Specialist, one Pathologist and one Specialist in Sonography may be posted in Rangia.এই গুৰুত্বপূৰ্ণ বিষয়কেইটা মাননীয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰে যেন।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কেৱল ৰঙিয়া সমষ্টিৰ হাস্পতালৰ কাৰণে পদ ক্ৰিয়েট কৰিলে নহ'ব। বড়ো এলেকাৰ ৩খন, কামৰূপৰ গোটেই কামখিনি কৰাৰ কাৰণে পদ ক্ৰিয়েট কৰিব লাগিব Post cration is not the matter of Health Department. It is the matter of Finance Department. প্ৰস্তাৱ হাতত লোৱা হ'ব।মই ভাবো, বিত্ত বিভাগৰ পৰা যথাযথ সঁহাৰি পাম। I cannot give assurance on behalf of other department.

মাননীয় অধ্যক্ষ মহোদয়, মোৰ চেষ্টা অব্যাহত থাকিব।

* Speech not corrected

ছুপাৰিনটেনডেণ্টৰ পদ দিয়া ব্যৱস্থা কৰা হ'ব।

* **শ্ৰী নুৰুল হুছেইন** ঃ অধ্যক্ষ মহোদয়, ৰঙিয়াৰ চিভিল হাস্পতালখনৰ অধীনত থকা এইখন হাস্পতালত বহুত বছৰ ধৰি ডাক্তৰ নাই, ৰঙিয়াৰ পৰা এজন আনি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

অধ্যক্ষ মহোদয়, সেই অঞ্চলত ব্লাড দিচেণ্ট্ৰিৰ নিচিনা বেমাৰবিলাক প্ৰত্যেক বছৰেই হৈ থাকে। সেইকাৰণে মন্ত্ৰীয়ে আশ্বাস দিব নেকি যে ৰঙিয়া চি এইচৰ পৰা এজন ডাক্তৰ আনি কাম কৰাৰ কাৰণে সুবিধা কৰি দিব?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ এইটো প্ৰতিশ্ৰুতি মই নিদিওঁ কাৰণ এইটো কৰিলে ডেকাৰ প্ৰতি অন্যায় কৰা হ'ব। ডাঃ কমলা কলিতাৰ সমষ্টি বালিসত্ৰ, গৰৈমাৰীৰ বিল্ডিং অনুসৰি আমি হাস্পতালৰ নাম দিছো ভেন্সাৰ পি, এইচ, চি আৰু অৰিজিনেল পি এইচ চি। সেই কাৰণে কৈছো ডাক্তৰ এজন দিয়াৰ বাবে নিশ্চয় চেষ্টা কৰিম।

**Mr. Speaker :** Starred Question No. 107, Hon'ble Member, Shri Rajib Lochan Pegu.

**বিষয় ঃ ১০০খন বিছনাযুক্ত চিকিৎসালয়।**

**শ্ৰী ৰাজীৱ লোচন পেগুয়ে সুধিছে ঃ**

* ১০৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মাজুলী মহকুমাৰ গড়মূৰত অৱস্থিত ১০০খন বিছনাযুক্ত চিকিৎসালয়খন বৰ্তমান কি পৰ্যায়ত চলি আছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

মাজুলী মহকুমাত ১০০খন বিছনাযুক্ত হস্পিতালখন পূৰ্ণাংগ কৰিবলৈ পদ সৃষ্টিৰ প্ৰয়োজন হ'ব। বিত্ত বিভাগৰ লগত পদ সৃষ্টিৰ বাবে যোগাযোগ কৰা হৈছে।

অৱশ্যে ২০০৩ চনৰ মে' মাহতেই গড়মূৰ ১০০খন বিছনাযুক্ত চিকিৎসালয়খন উদ্বোধন কৰা হয় যদিও ২০০৫ চনৰ মে' মাহৰ পৰাহে উক্ত চিকিৎসালয়খনক ৩০খন বিছনাযুক্ত FRU হস্পিতেল হিচাপে উন্নীত কৰা হয়।

বৰ্তমানলৈকে ইয়াত কোনো চিকিৎসক/ পেৰামেডিকেল কৰ্মী /GNM/ ANM/ Lab. Technician আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ স্থায়ী অনুমোদিত পদ নাই। অন্য স্বাস্থ্য প্ৰতিষ্ঠানৰ পৰা অস্থায়ীভাৱে আনি চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে।

চিকিৎসালয়ৰ চিকিৎসকসকলৰ কোনো আৱাসগৃহ নাই যদিও, ডাক্তৰসকলৰ আৱাসগৃহ আৰু এটা আয়ুৰ্বেদিক ৱাৰ্ড নিৰ্মাণৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে।

লক্ষীমপুৰ সমষ্টিৰ সাংসদ ডাঙৰীয়াই দান হিচাপে আগবঢ়োৱা এখন Ambulance ৰ দ্বাৰা সেৱা আগবঢ়োৱা হৈছে।

বিজুলী যোগান আৰু পানী যোগানৰ পৰ্যাপ্ত সুবিধা চিকিৎসালয়খনত দিয়া হৈছে।

* **শ্ৰী ৰাজীৱ লোচন পেগু** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই এশখন বিছনাযুক্ত হস্পিতেলক যিমান পাৰি সোনকালে ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিবনে কি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক ছাব-ডিভিজনেল হস্পিতাল সৃষ্টি কৰা হৈছে সেইবিলাকৰ ক্ষেত্ৰত প্ৰধান কথাকেইটা হৈছে ঘৰ বনোৱা, এইক্ষেত্ৰত প্ৰথমে বিত্ত বিভাগৰ পৰা অনুমোদন ল'ব লাগে, তাৰ পিছত ঘৰ বনোৱাৰ দায়িত্ব পি ডব্লিউ ডিক দিব লাগে। কিন্তু দেখা যায় ঘৰ বনোৱা কামটো আগতে হৈ যায়। এটা কথা ঠিক যে পি এইচ চি আৰু চি এইচ চিৰ অনুমোদন নহ'লে আমি বাকী কাম কৰিব নোৱাৰো। ঘৰ হ'লেই বাতৰি কাকতত বাতৰি ওলাই যে হস্পিতাল আছে ডাক্তৰ নাই, ডাক্টৰ দিব লাগে। কিন্তু চৰকাৰী অনুমোদনৰ প্ৰয়োজনীয়তা আছে বাবেই ঘৰ হ'লেই ডাক্তৰ দিব নোৱাৰি।

* **শ্ৰী ৰাজীৱ লোচন পেগু** ঃ অধ্যক্ষ মহোদয়, এফ আৰ ইউৰ যিটো ব্যৱস্থা চলি আছে, সেইটো সোনকালে কৰাৰ ব্যৱস্থা কৰিব নে কি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, নিশ্চয় তাৰ ব্যৱস্থা কৰা হ'ব।

* **শ্ৰী অৰুণ বৰা** ঃ অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে এই দুৰ্ভগীয়া মানুহখিনিৰ কাৰণে...।

---

* Speech not corrected

**Mr. Speaker :** The Question is regarding Majuli Sub-Divisional 100 Bedded Hospital. That will need a Separate question.

**Mr. Speaker :** Starred Question No. 108, Hon'ble Member, Dr. Alaka Sarma.

**Sub : Centrally sponsored Schemes.**

**Dr. Alaka Sarma Asked :**

*108. Will the Minister of Health be pleased to state :

a) What are the centrally sponsored schemes, under Health and family welfare Department at present operational in Assam?

b) Is there any proposal to take new staff for operating said projects?

c) If so, what will be the role of MLAs in the process of selection of staffs?

**Dr. Himanta Biswa Sarma** (Minister, Health & F.W.) replied :

a) The following Centrally Sponsored Schemes are operation at present in the State of Assam.

i) National Family Welfare Programme.

ii) Drug quality Control of Indian System of medicine & Homoeopaethy.

iii) Development of Indian System of Medicine in under-graduate Colleges.

iv) Assistance for capacity building for strengthening of Diagnostic facilities under pilot project.

v) Assistance for capacity building-providing Hospital Waste Management System.

vi) National Rural Health Mission (NRHM) has been implemented in Assam since 2005-06 with the following programmes :-

1. Reproductive and Child Health II.
2. Immunization.
3. National T.B. Control Programme.
4. National Leprosy Eradication Programme.
5. Indegrated Disease Surveillance Programme.
6. Nationlidine Deficiencey Disorder Control Programme.
7. National Programme for Control of Blindness.
8. National Vector Borne Disease Control Programme.

b) There is no proposal to take new staff at present. However, there is the provision to engage manpower on contractual basis for a fixed tenure.

c) There is no role under the guidlines of Govt. of India.

* ডঃ অলকা শৰ্মা ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জিলা ভিত্তিত এই স্কীমবিলাক কৰাৰ কাৰণে নোদেল এজেন্সী কিমান আছে?

* ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ এইটোৰ উত্তৰ দিয়াৰ কাৰণে অধ্যক্ষ মহোদয়, এনেকৈ ক'ব পাৰি যে আমাৰ বিভাগত চেণ্ট্ৰেলি স্পনচৰ স্কীম বহুতকেইটা আছে। ইনফ্ৰাষ্টাক্‌চাৰ আৰম্ভ কৰাৰ বিভিন্ন ব্যৱস্থা আছে। অধ্যক্ষ মহোদয়, কাট মোচন আহিব আৰু তেতিয়া এই বিষয়ে লিষ্ট দিয়া হ'ব। প্ৰতিখন জিলাত কিমান টকা জমা আছে সেইটো চাই সেইখিনি ভালকৈ ব্যৱহাৰ কৰিব পাৰিলে বহুত সমস্যা সমাধান হ'ব। নোদেল স্কীমৰ চেয়াৰমেন হৈছে ডি, চি,। বিধায়কসকলৰো তাত ভূমিকা আছে।

* ডঃ অলকা শৰ্মা ঃ বিধায়কৰ ভূমিকাৰ ক্ষেত্ৰত কিবা নিৰ্দেশ দিব নেকি?

* ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ দিব লাগে যদি দিম।

* Speech not corrected

* **শ্ৰী হিৰেন দাস** ঃ অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট কৰি নিদিলে নিজে উপযাচি জড়িত হোৱাত অসুবিধা আছে, গতিকে নাম দিয়াৰ ব্যৱস্থা কৰিবনে কি?

* **শ্ৰী জোচেফ টপ্প** ঃ অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ সৈতে মন্ত্ৰীয়ে একেলগে উত্তৰ দিব। বিধায়কক মেম্বাৰ হিচাপে কমিটীত ল'ব নেকি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিধায়কসকল তাৰ সদস্য। জিলা ভিত্তিত কোনো মিটিং কৰা নাই কাৰণে গম পোৱা নাই।

* **ডাঃ কমলাকান্ত কলিতা** ঃ মাননীয় মন্ত্ৰী মহোদয়ে ঠিকেই কৈছে যে এন আৰ এ এইচ এমৰ মিটিং হয়তো হোৱা নাই। এই আঁচনিৰ যোগেদি বহুত কৰিবলগীয়া আছে, যদি সভা হোৱা নাই, ক'ব লগা নাই, কিন্তু সোনকালে সভাবিলাক পাতিব লাগে বুলি জিলাসমূহক নিৰ্দেশ দিয়ক। আঁচনিখন সফল ৰূপায়ণ কৰিব পাৰিলে বহুত সমস্যাৰ সমাধান কৰিব পাৰি।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ মাননীয়ন সদস্য, শ্ৰী হৰেন দাসে কোৱাৰ নিচিনাকৈ খবৰ সুধিব গ'লে যদি দাদাগিৰি কৰা বুলি খবৰৰ কাগজত লিখে, লিখি থাকক। বিধায়ক হিচাপে তেখেতৰ সেইটো সাংবিদানিক অধিকাৰ। স্বাস্থ্য বিভাগৰ কোনোবা বিষয়াই যদি বিধায়কে কিবা সুধিবলৈ যাওঁতে ভাল সহযোগ নকৰে তেনেহ'লে মোক ক'ব তাৰ ব্যৱস্থা ল'ম। সকলো বিষয়াই বিধায়কসকলক বিশ্বাসত ল'বই লাগিব। আমাৰ মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই ঠিকেই কৈ আছে যে চৰকাৰৰ ভিতৰচ'ৰাত কোনো গোপন কথা থাকিব নালাগে। সকলো কথা মুকলি হ'ব লাগে। স্বাস্থ্য বিভাগৰ সকলো কথাই মাননীয় বিধায়কসকলক জনাম। বিধায়কসকলক বিশ্বাসত ল'ব লাগে বুলি নিৰ্দেশাৱলী ইছ্যু কৰিব লাগে যদি সেই জাননী সংসদী পৰিক্ৰমা বিভাগে দিব লাগিব। আৰু কোনোবাই যদি দাদাগিৰি কৰা বুলি কয়, তেনেহ'লে তাৰ বিৰুদ্ধে গোটেই সদনে প্ৰতিবাদ কৰা উচিত। জিলা মিছনৰ সভাবিলাক ১৫ দিনৰ ভিতৰত পাতিব লাগে বুলি মই নিৰ্দেশ দিম।

**Sub : Beautification of Guwahati City.**

**Captain Robin Bordoloi asked :**

*109. Will the Minister of Guwahati Development Department be pleased to state :

* Speech not corrected

a) Whether Government is aware that in the ongoing Guwahati City beautification drive as well as in the process of demolition of illegal structures, 95 percent area falls under the 53 No. East Guwahati Constituencey?

b) If so, why the Government has not apprised the local MLA about such decisions in the back drop of steadily rising public sentiments involving, some age-old buildings, temples, office of a powerful students organisation etc.?

c) Is there any proposal to shift the office of the Deputy Commissioner, Kamrup (Metro) to the Guwahati Central Jail area at Facny Bazar?

**Dr. Himanta Biswa Sarma** (Minister, Guwahati Development Department) replied :

a) Guwahati Metropolitan Development Authority (GMDA) and Guwahati Municipal Corporation (GMC) have been carrying out action including demolition against unauthorized constructions within Guwahati Metropolitan area and Municipal Corporation area respectively.

Guwahati Metropolitan area includes the whole of Guwahati East Assembly Constituency and parts of Dispur, Jalukbari and Guwahati west Assembly Constituencies.

The demolition exercise carried out by GMC/GMDA is on the basis of buildings, identified as unauthorized, by the respective organizations through inspections carried out by their staff as well as complaints received from the public.

Since the entire 53 No. East Guwahati Assambly Constituency falls within Guwahati Metropolitan area, a

majority of actions against illegal constructions etc, are bound to be within the said Assembly Constituency, although no such considerations including Assembly Constituency-wise identification of unauthorized structures is done for taking action agaisnt unauthorized construction in Guwahati.

b) All processes of issuing building permission and initiation of action for demolition of unauthorized structures is a routine activity carried out regularly by GMC/GMDA as per the respective building bye-laws. Demolition has been resorted to only in such cases which are totally unauthorized and beyond compoundable norms (i.e. those constructions which cannot be regularized by payment of fine).

In view of the fact that the activities carried out by GMC/GMDA are routine matters, hence, the Hon'ble local MLAs were not apprised specifically about such actions. However, to ensure proper dissemination of information to the masses, the issue of actions against unauthorized structures was conveyed through various advertisements in the news papers by GMC and GMDA as well as Press briefings of the Government in this regard.

The said action against unauthorized structures has been carried out strictly as per the provision of building bye-laws presently in force.

c) No. there is no such proposal at present with the Government.

**Captain Robin Bordoloi :** Hon'ble Speaker Sir, the Guwahati

Development Department Minister has given a very good reply as regards the ongoing beautification drive of Guwahati City. It is a very bold step and the Hon'ble Minister is also very enthusiastic and optimistic about the drive.

The Demolition is going on in the so called illegally constructed buildings and most of them, near about 95 percent of them fall under my 53 No. East Guwahati Constituency. Inspite of that I have not been formally apprised of about the matter till date. The people residing in the said buildings should not be victimised and harassed since it is not their fault. The humanitarian aspects of the matter should also be looked into and the compoundable limits could also be increased to relieve the people from their sufferings and plights, at least to 20-25 percent.

Being the local M.L.A. I have had to face the public and explain the things to them. Further it is my duty and responsibility to see that the people with their families do not suffer for no fault of them in the demolition drive. Since I also represent their due interests and aspirations in the Assembly.

So, I would like to request the hon'ble Minister to take into consideration my concerns and solve the problems at the earliest.

*** ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য, কেপ্টেইন ৰবীন বৰদলৈৰ প্ৰশ্নটোৰ উত্তৰ এনেকুৱা— সংবিধানে মোক দায়িত্ব ন্যস্ত কৰিছে। ব্যক্তিগত স্বাৰ্থ আৰু সামাজিক স্বাৰ্থৰ মাজত সদায়ে সংঘাত হয়। সাংবিধানিক দায়িত্ব অনুসৰি ব্যক্তিগত স্বাৰ্থ পৰিহাৰ কৰি সামাজিক দায়বদ্ধতাৰ কাৰণে গুৱাহাটীত কোনোবাই লাইফলং চেভিং কৰি ফ্লেট বনাইছে প্ৰশাসনৰ অনুমতি

* Speech not corrected

নোহোৱাকৈ বা কিনিছে বে-আইনীভাৱে নিৰ্মিত ফ্লেট। তাক মানৱীয়তাৰ খাতিৰত ৰক্ষা কৰিব নোৱাৰি। কোনোবা এজন ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া, বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া বা অৱসৰপ্ৰাপ্ত আই এ এছ/ আই পি এছ বিষয়াই বে-আইনীভাৱ কোনোবা বে-আইনী বিল্ডাৰৰ পৰা কিনা সম্পত্তি ওচৰতে থকা বেচেৰাসকলক দিপাইভ কৰি তেওঁলোকৰ অশান্তি সৃষ্টি কৰাতো যুক্তিসংগত হৈছেনে? ফ্লেট বনোৱাৰ লগে লগে ওচৰতে থকা বেচেৰাহঁতৰ কথা কিয় ভাবিব নোৱাৰিলে? কোনোবা এজন দুখীয়া মানুহ বহি থকা মাটিখিনি কাঢ়ি ল'ব বিচৰাতো কিমান দুখৰ কথা। সেইবিলাকতো হিউমেন এপ্ৰোচ থাকিব লাগে। বায়াৰসকল শিক্ষা-দীক্ষা থকা লোক, জি এম ডিৰ অনুমতি আছেনে নাই চাব পাৰে। মোৰ কোনো আপত্তি নাই আজি সদনে যদি সিদ্ধান্ত লয় এইবিলাক বন্ধ কৰিব লাগে বুলি ২০-৩০-৪০ কিবা কম্পোজিচন হ'ব লাগে বুলি তাত কোনো আপত্তি নাই। সদনে যি সিদ্ধান্ত দিয়ে মই মানি ল'ম। ব্যক্তিগত কথা আমি চিন্তা কৰা নাই, আমি চিন্তা কৰিছো গুৱাহাটীৰ ভৱিষ্যৎ, গুৱাহাটীৰ উন্নয়ন। গতিকে সদনে যি পৰামৰ্শ দিয়ে, যি সিদ্ধান্ত লয় মই মানি ল'ম।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় মন্ত্ৰী মহোদয়ে গুৱাহাটী উন্নয়নৰ কাৰণে যি ব্যৱস্থা লৈছে তাত আমাৰ ক'বলগীয়া নাই। কিন্তু মাননীয় সদস্য বৰদলৈয়ে কোৱাৰ নিচিনা কিছুক্ষেত্ৰত মানৱীয় দৃষ্টিভংগীও থাকিব লাগিব। যিবিলাক ফ্লেট কৰিবলৈ জি এম ডিয়ে আগতে অনুমতি দিছিল তেওঁলোকৰ বিৰুদ্ধে কোনো কাৰ্যব্যৱস্থা লোৱা আমি কাগজত পঢ়া নাই। আমি উচ্ছেদ কৰা খবৰহে কাগজত পাই আছো। যিসকলে আগতে অনুমতি দিছিল তেওঁলোকৰ ওপৰত কাৰ্যব্যৱস্থা লোৱাৰ ব্যৱস্থা নলয় কিয়? তেনে ব্যৱস্থা লগে লগে লওক আমি ভাল পাম।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) **ঃ** এইবিলাক অনুমতি লোৱা বিল্ডিং ভঙা নাই। তৃতীয় মহলালৈ অনুমতি আছে, কিন্তু চতুৰ্থ বা পঞ্চম মহলাৰ অনুমতি নাই তেনেবিলাক উচ্ছেদ কৰা হৈছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** অধ্যক্ষ মহোদয়, চতুৰ্থ আৰু পঞ্চম মহলা বনাই থাকোতে এইসকল বিষয়াই কি কৰি আছিল, তেওঁলোকে সেই সময়ত কিয়

* Speech not corrected

বাধা দিয়া নাছিল?

* ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ এওঁলোকক আৰম্ভণীৰ পৰা জাননী দি আছিল, কিন্তু আইনৰ সুৰঙা উলিয়াই নোটিচ এভইদ কৰি আছিল। কাম আৰম্ভ কৰাৰ পৰা তেওঁলোকে নোটিচ পাই আছে।

**Mr. Speaker :** Question Hour is over.

(Starred Question Nos. 110 to 120 could not be taken up for disposal as the question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

**বিষয় ঃ মেলেৰীয়া প্ৰতিৰোধ।**

**শ্ৰী বিনোদ গোৱালাই সুধিছে ঃ**

* ১১০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) সৰুপথাৰ সমষ্টিৰ মৰঙ্গী মৌজাৰ বিভিন্ন ঠাইত মেলেৰীয়া ৰোগত মৃত্যু হোৱা সম্পৰ্কে চৰকাৰ অৱগতনে? তেন্তে কি ব্যৱস্থা লৈছে?

খ) মৰঙ্গী মৌজাৰ ৰাইজ, গোলাঘাটৰ অসামৰিক কুশল কোঁৱৰ চিকিৎসালয়লৈ ১ কিলোমিটাৰৰ পৰা প্ৰায় ৪০/৫০ কিলোমিটাৰ দূৰত্বৰ পৰা আহিব লাগে বাবে বহু ৰোগী ঠাইতেই মৃত্যুমুখত পৰে। এই বিষয়ে চৰকাৰ অৱগতনে? ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মৰঙ্গী মৌজাত ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ প্ৰস্তাৱ ল'বনে? যদি লয়, তেন্তে চলিত বিত্তীয় বৰ্ষত লোৱাৰ সিদ্ধান্ত চৰকাৰে ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ)মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত। ১০জন লোকৰ মৃত্যু হৈছে। যাৱতীয় প্ৰতিৰোধ ব্যৱস্থাসমূহ এনে ধৰণে লোৱা হৈছে ঃ

১) মেলেৰীয়া কৰ্মীসকলে আক্ৰান্ত অঞ্চলৰ ঘৰে ঘৰে গৈ তেজৰ নমুনা সংগ্ৰহ কৰাৰ লগতে চিকিৎসকসকলে presumptive Treatment, Mass Radical Treatment (MRT) আৰু Fever Radical Treatment (FRT) প্ৰদান কৰিছে।

২) ডি ডি টি ছটিওৱা হৈছে।

৩) মেলেৰীয়া সজাগতা শিবিৰ পতা হৈছে।

৪) ঔষধযুক্ত আঁঠুৰা বিতৰণ কৰা হৈছে।

৫) উক্ত মৌজাৰ মেলেৰীয়া আক্ৰান্ত অঞ্চলত পৰ্য্যাপ্ত পৰিমাণে ঔষধ বিতৰণ কৰা হৈছে।

নিয়ম অনুযায়ী গাঁওসমূহত Fever Treatment Depae আৰু Drug Distribution centre (DDC) খোলা হৈছে।

খ) সৰুপথাৰৰ মৰঙ্গী মৌজাৰ পৰা গোলাঘাটৰ অসামৰিক কুশল কোঁৱৰ চিকিৎসালয়লৈ ৰোগী আনোতে বাটত মৃত্যু হোৱা কোনো তথ্য স্বাস্থ্য বিভাগে পোৱা নাই। এই বিষয়ে স্বাস্থ্য বিভাগক কোনো ব্যক্তিয়েও অৱগত কৰা নাই।

মৰঙ্গী মৌজাৰ সৰুপথাৰ ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (BPHC) এলেকাত এখন ৩০খন বিছনাযুক্ত চিকিৎসালয় (CHC) থকাৰ বাবে চলিত বিত্তীয় বৰ্ষত আন এখন ৩০খন বিছনাযুক্ত চিকিৎসালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হোৱা নাই।

**বিষয় ঃ ডাক্তৰ, কম্পাউণ্ডৰ আৰু নাৰ্ছৰ অভাৱ।**

**শ্ৰী দ্ৰূপদ বৰগোহাঁয়ে সুধিছে ঃ**

*১১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ গাঁও অঞ্চলৰ কিমান হস্পিতেল আৰু ডিচ্‌পেন্‌চাৰীত বৰ্তমানে ডাক্তৰ, কম্পাউণ্ডৰ, নাৰ্ছ না? এই খালী ঠাই পূৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

খ) চৰকাৰী হস্পিতেলবোৰত আন কি তিনিখন মেডিকেল কলেজৰ হস্পিটেলতো অত্যাৱশ্যকীয় দৰৱ আন সৰু সুৰা লাগতিয়াল বস্তু যেনে কপাহ, সূতা আদিৰো অভাৱ বুলি ৰাজহুৱা অভিযোগৰ বিষয়ে চৰকাৰ জ্ঞাতনে? উক্ত অভাৱ দূৰীকৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা তৎকালে গ্ৰহণ কৰিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমৰ গাঁও অঞ্চলত থকা হস্পিতেল আৰু ডিচ্‌পেন্‌চেৰীসমূহত মুঠতে বিভিন্ন পৰ্যায়ত খালী পদৰ সংখ্যা এনেধৰণৰ ঃ

(১) মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া = ১৪ টা পদ।

(২) জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া = ৬৮ টা পদ।

(৩) স্বাস্থ্য আৰু চিকিৎসা বিষয়া -১ = ২৩৫ টা পদ।

(৪) এ, এন, এম = ৫২১ টা

(৫) জি, এন, এম, = ১৪০ টা

ইয়াৰে মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া (SDM&HO) আৰু জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া (Sr. M& HO)ৰ পদ পদোন্নতি সূত্ৰে নিযুক্তি দিয়া হয়। পদোন্নতি প্ৰক্ৰিয়া চলি আছে। সোনকালে পদোন্নতি দিব পৰা যাব।

ইতিমধ্যে ২০০ চিকিৎসা আৰু স্বাস্থ্য বিষয়া-১ (M&HO-I) ৰ (Regulation 3 (f) of A.P.S.C.) মতে খালী পদত নিযুক্তি দিয়া হৈছে। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া অন্তৰৰ্তীকালীন নিৰ্দেশ পৰিপ্ৰেক্ষিতত এ, এন, এম আৰু জি, এন, এম পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা নাই।

অৱশ্যে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (NRHM)ৰ অধীনত ৩৫৩গৰাকী এ, এন, এম (ANM) আৰু ৩১ গৰাকী জি, এন, এম (GNM) ইতিমধ্যে চুক্তি ভিত্তিত নিযুক্তি দিয়া হৈছে। তদুপৰি ৫০২গৰাকী ANM আৰু ৪০৭গৰাকী GNM নিযুক্তিৰ বাবে সাক্ষাৎকাৰ লোৱা হৈছে। ইয়াৰ উপৰিও ৭১ গৰাকী অৱসৰপ্ৰাপ্ত চিকিৎসকক চুক্তি ভিত্তিক doctor নিযুক্তিৰ বাবেও সাক্ষাৎকাৰ লোৱা হৈছে।

খ) অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয় সামৰি ৰাজ্যৰ অন্যান্য চিকিৎসালয়সমূহত সৰু-সুৰা লাগতিয়াল বস্তু যেনে- কপাহ, সূতা আদিৰ প্ৰয়োজন অনুযায়ী যোগান ধৰা হয়।

তদুপৰি চিকিৎসালয়সমূহৰ পৰিচালনা সমিতিসমূহক User chargeৰ পুঁজিৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়কাৰৰ সম্পূৰ্ণ কৰ্তৃত্ব দিয়া আছে।

**Sub : Sanction of P.H.C.**

**Shri Mission Ranjan Das asked :**

*112. Will the Minister of Health be pleased to state :

a) What are the steps taken by the Government for renovation of Girishganj P.H.C. in Karimganj district which was largely damaged by consecutive cyclone/storms?

b) Whether fund will be sanctioned as per plan and estimate during 2006-07.

**Dr. Himanta Biswa Sarma** (Minister of health & F.W.) replied:

a) For renovation of Girishganj PHC in Karimganj district an estimate for an amount of Rs. 25,98,900/- has been received from PWD (Building) Karimganj, which is under consideration.

b) Due consideration will be given.

**বিষয় ঃ মহানগৰীৰ কৃত্ৰিম বানপানী।**

**শ্ৰী হিৰেন দাসে সুধিছে ঃ**

* ১১৩। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গুৱাহাটী মহানগৰীত কৃত্ৰিম বানপানী হোৱাৰ কাৰণবোৰ কি কি?

খ) এইবোৰৰ পৰা পৰিত্ৰাণৰ কি কি ব্যৱস্থা কৰিছে?

গ) বৰ্তমান মহানগৰীৰ যান-জঁট কমাবৰ বাবে নতুন পথ কেইটামানৰ ব্যৱস্থা ল'বনে?

ঘ) বৰ্তমান গুৱাহাটী মহানগৰী উন্নয়নৰ আৰু সৌন্দৰ্য্যৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটী মহানগৰীত কৃত্ৰিম বানপানী হোৱাৰ কাৰণবোৰ হ'ল ঃ-

(১) গুৱাহাটী মহানগৰীৰ কিছুমান অঞ্চলৰ ভূমি-পৃষ্ঠ ব্ৰহ্মপুত্ৰ নদীৰ ভূমি পৃষ্ঠতকৈ অপেক্ষাকৃতভাৱে তলত অৱস্থিত।

(২) গুৱাহাটী মহানগৰীৰ দক্ষিণ ফালে অৱস্থিত মেঘালয়ৰ সু-বৃহৎ পাহাৰৰ পৰা নামি অহা পানীৰ ঢলবোৰে গুৱাহাটী মহানগৰীৰ সোঁমাজেৰে গতি কৰি ব্ৰহ্মপুত্ৰ নদীত পৰে।

(৩) বাহিনী, ভৰলু, মৰাভৰলু নদীৰ পাৰত হোৱা অবাধ বেদখল আৰু নদীসমূহৰ বহল আৰু গভীৰতাৰ হ্ৰাস।

(৪) যধে-মধে বেদখলকাৰীসকলে পাহাৰৰ মাটি কটা।

(৫) গুৱাহাটীৰ বহুতো প্ৰাকৃতিক জলস্ৰোতৰ সূতিবোৰ গুৱাহাটীবাসীৰ দ্বাৰা যাতায়াতৰ পথলৈ ৰূপান্তৰিকৰণ।

(৬) গুৱাহাটী মহানগৰীৰ বৃহৎ জলধাৰসমূহৰ ওপৰত বেদখল আৰু আয়তনৰ হ্ৰাস।

(৭)দ-কৃষিভূমিসমূহ বস্তিৰ উপযোগী কৰণ।

(৮) মহানগৰবাসীৰ দ্বাৰা বাহিনী, মৰাভৰলু, ভৰলু আৰু অন্যান্য নলা-নৰ্দমাত জাৰৰ আৰু প্লাষ্টিক পেলোৱা।

(৯) সু-পৰিকল্পিত আঁচনিৰ বাবে ধনৰ অভাৱ।

(১০) অন্যান্য আৰু বহুতো।

খ) এইবোৰৰ পৰা পৰিত্ৰাণৰ ব্যৱস্থা হিচাপে চৰকাৰে কিছুমান হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিছে, যেনে—

(১) দ্বাদশ বিত্তীয় আয়োগৰ আৱণ্টিত ১২১.০০ কোটি টকা ধনেৰে বৰ্তমান কিছুমান হ্ৰস্বম্যাদী আঁচনিৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে, আৰু বিত্ত বিভাগৰ অনুমোদন পালে এইবোৰৰ কাৰ্যকৰী ব্যৱস্থা হাতত লোৱা হ'ব।

(২) দ্বাদশ বিত্তীয় আয়োগৰ আৱণ্টিত ২.৫৫ কোটি টকাৰ চলিত বছৰৰ বাবে ভৰলু, বাহিনী আৰু মৰাভৰলুৰ খনন কাৰ্য্যৰ নিৰ্দেশ চৰকাৰৰ পৰা দিয়া হৈছে।

(৩) জৱাহৰলাল নেহৰু আৰবান বিনিউৱেল মিছনৰ অধীনত ৭০৬.০০ কোটি

টকাৰ জৰিয়তে নদী, নলা-নৰ্দমাসমূহৰ বাছনি আৰু পুনৰনিৰ্মাণ প্ৰকল্পৰ আঁচনি কেন্দ্ৰীয় চৰকাৰৰ নগৰ উন্নয়ন বিভাগক উপস্থাপন কৰা হৈছে।

(৪) জাৱৰ-জোঁথৰ আৰু প্লাষ্টিক পেলোৱাৰ বাবে নৈ, নলা-নৰ্দমাসমূহৰ প্ৰাকৃতিক অৱধাৰিত গতিত বাধা নোহোৱাৰ বাবে এইবাৰৰ বিধানসভাত 'অ-জৈৱিক লঘু-পৰিৱৰ্তনশীল জাৱৰ-জোঁথৰ (প্ৰতিৰোধক আৰু নিয়ন্ত্ৰণ) বিধেয়ক, ২০০৬ (Non-Biodegradable Garbage Control & Prevention) Bill, 2006, উপস্থাপন কৰা হৈছে।

(৫) গুৱাহাটী পৌৰনিগমক Bull-dozer সহ অন্যান্য আধুনিক যন্ত্ৰপাতি ক্ৰয়ৰ বাবে ধনৰ অনুমোদন দিয়া হৈছে। ৰাজ্যৰ জলসম্পদ বিভাগৰ গুৱাহাটী সংস্থগুলৰ বাবে অত্যাধুনিক উভচৰ যান্ত্ৰিক সঁজুলি ক্ৰয়ৰ প্ৰাক্‌কলন প্ৰস্তুত কৰা হৈছে।

(৬) ইয়াৰোপৰি সু-পৰিকল্পিতভাৱে কৃত্ৰিম বানপানী ৰোধৰ বাবে আঁচনি যুগুতোৱাৰ বাবে প্ৰয়োজন হোৱা প্ৰাৰম্ভিক "digitalized Contour" মানচিত্ৰ নিৰ্মাণৰ প্ৰস্তুতি আৰম্ভ কৰা হৈছে।

গ) গুৱাহাটী মহানগৰীৰ যান-জঁট কমাবৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে +উজানবজাৰৰ পৰা নুনমাটিলৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰে পাৰে এটা নতুন বিকল্প পথ নিৰ্মাণ কৰি থকা হৈছে।

+ভঙাগড়ত, ছয়মাইলত দুখন উৰণীয়া সেতু নিৰ্মাণৰ কাম চলি আছে।

+ভঙাগড়ৰ পৰা কাহিলিপাৰালৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হৈ যোৱা পথটো কাহিলিপাৰালৈ মুকলি কৰি দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

+ উত্তৰ-পূব ৰেলৱেৰ লগত যুটীয়াভাৱে গুৱাহাটীত ১৩টা ৰেল-ক্ৰচিঙত ৰেলৱে অভাৰব্ৰীজ বনোৱাৰ আঁচনি লোৱা হৈছে।

+ আমবাৰীৰ পৰা উজান বজাৰলৈ পৰিত্যক্ত ৰেলৱে লাইনৰ মাটিডোখৰ অসম চৰকাৰে লৈ তাত এটা নতুন পথ, বহু মহলীয়া পাৰ্কিং ভৱন আৰু খোলা ঠাইৰ নিৰ্মাণৰ আঁচনি বিভাগৰ পৰা প্ৰস্তুত কৰি আছে।

+ভৰলুৰ পৰা পাণবজাৰলৈ ৰেল লাইনৰ কাষে কাষে নতুন পকী পথ নিৰ্মাণৰ যো-জা চলি আছে।

+ বহুতো ৰাস্তা, পথ-নলা বহল কৰণৰ আঁচনি যুগুতোৱাই থকা হৈছে।

সহযোগ পালে আৰু বহুতো আঁচনি লোৱা হ'ব।

ঘ) গুৱাহাটী মহানগৰ উন্নয়ন আৰু সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে লোৱা আঁচনিসমূহৰ ভিতৰত নিম্নোক্ত সমূহ উল্লেখযোগ্য ঃ-

(১) ব্ৰহ্মপুত্ৰ পাৰৰ (ভৰলুৰ পৰা ৰাজভৱনলৈ) সৌন্দৰ্য বৰ্দ্ধনৰ বাবে জৱাহৰলাল নেহৰু নেচনেল আৰবান বিনিউৱেল মিছনৰ অধীনত আঁচনি লোৱা হৈছে।

(২) ৰাধা গোৱিন্দ বৰুৱা পথত এখন শিশু-উদ্যান গঢ়াৰ বাবে বাজেটত ধন ধাৰ্য কৰা হৈছে।

(৩) গুৱাহাটীৰ পৰা উমানন্দ হৈ উত্তৰ গুৱাহাটীলৈ ৰোপ-ওৱে নিৰ্মাণৰ বাবে বাজেটত ধন ধাৰ্য কৰা হৈছে।

**বিষয় ঃ Tourism এর Project.**

**শ্ৰী চিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ**

* ১১৪। মাননীয় পর্যটন বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) করিমগঞ্জ জিলার শন বিলে সরকার Tourism এর কোন project হাতে নিয়েছেন কি?

খ) বর্তমানে এই project কি অৱস্থায় আছে?

গ) যদি Sanction হয়ে থাকে, তবে কত টাকা Sanction হয়েছে?

ঘ) যদি Proposal থাকে, তবে Sanction এর ব্যৱস্থা সরকার করবেন কি?

**শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) বৰ্তমান কৰিমগঞ্জ জিলাৰ শল বিলত কোনো আঁচনি লোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ মাটি বেদখল।**

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

* ১১৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শোণিতপুৰ জিলাত অৰুণাচল প্ৰদেশে এতিয়ালৈকে কিমান বিঘা মাটি বেদখল কৰি আছে আৰু কোন কোন Reserve Forestsত বেদখল কৰি আছে?

খ) বিহালী সমষ্টিত এতিয়ালৈকে কিমান বিঘা মাটি বেদখল কৰি আছে?

গ) উক্ত বেদখল কৰা মাটি বেদখলমুক্ত কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

**শ্ৰী ৰকিবুল হুছেইন** (বন আৰু পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) শোণিতপুৰ জিলাত অৰুণাচল প্ৰদেশে এতিয়ালৈকে ১৯৪০ হেক্টৰ মাটি দখল কৰি আছে।

(১) বিহালী সংৰক্ষিত বনাঞ্চল — ১৮৩০ হেক্টৰ

(২) বালিপাৰা সংৰক্ষিত অঞ্চল — ১০ হেক্টৰ

(৩) সোনাই-ৰূপাই বনাঞ্চল — ১০০ হেক্টৰ

খ) বিহালী সমষ্টিৰ অধীনৰ বিহালী সংৰক্ষিত বনাঞ্চলত অৰুণাচল প্ৰদেশে বেদখল কৰা ১৮৩০ হেক্টৰ আৰু অন্যান্য লোকে বেদখল কৰা ১৩০০ হেক্টৰ মিলি মুঠ ৩১৩০ হেক্টৰ বনাঞ্চলত বেদখল আছে।

গ) অৰুণাচল প্ৰদেশৰ বেদখলৰ বাহিৰে অন্যান্য বেদখলী এলেকাত ২০০১ চনৰ পৰা ২০০৫ চনলৈ মুঠ ৫ বাৰ উচ্ছেদ কাৰ্য্য চলোৱা হৈছে। তদুপৰি দুই ৰাজ্যৰ বন বিভাগে বিভিন্ন সময়ত এই সমস্যাৰ সমাধানৰ বাবে আলোচনা আদি চলাইছে।

**বিষয় ঃ নাৰ্ছিংহোমৰ পৰিচালনা।**

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

* ১১৬। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) সমগ্ৰ অসমৰে ব্যক্তিগত খণ্ডৰ নাৰ্ছিংহোম সমূহৰ বিৰুদ্ধে চিকিৎসকৰ অৱহেলা, প্ৰয়োজনতকৈ অধিক মাচুল ৰোগীৰ পৰা সংগ্ৰহ, উচিত বিধি-বিধান অনুসৰণ নকৰাকৈয়ে নাৰ্ছিংহোম পৰিচালনা কৰা তথা বিভিন্ন Pathological Test সম্পন্ন কৰা ইত্যাদি ৰাইজে কৰা অভিযোগৰ বিষয়ে চৰকাৰ অৱগতনে?

খ) যদি অৱগত, তেন্তে এই চিকিৎসালয়সমূহৰ কৰ্তৃপক্ষক নিয়ম অনুযায়ী চলাবলৈ

কেনে ধৰণৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে?

গ) নাৰ্চিংহোম এখন চলাবলৈ প্ৰয়োজনীয় বিধি ব্যৱস্থাসমূহ কি কি? (ইয়াৰ বিস্তৃত বিৱৰণ সদনৰ মেজত দাখিল কৰিব)।

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অৱগত। জিলা উপায়ুক্ত এইক্ষেত্ৰত আৰু অধিক সতৰ্ক হ'বলৈ বিভাগে পৰামৰ্শ দিছে।

খ) তেনে অভিযোগ অৱগত হ'লে তদন্ত সাপেক্ষে অসম স্বাস্থ্য প্ৰতিষ্ঠান আইন, ১৯৯৩ আৰু বিধি, ১৯৯৫ (Assam Health Establishments Act, 1993 and Rules 1995) অনুযায়ী ব্যৱস্থা লোৱা হয়। ইতিমধ্যে ডিব্ৰুগড় জিলাত তিনিটা স্বাস্থ্য প্ৰতিষ্ঠান বন্ধ কৰি দিয়া হৈছে। অভিযোগ পালে সংশ্লিষ্ট স্বাস্থ্য প্ৰতিষ্ঠানৰ বিৰুদ্ধে বিধিসন্মত ব্যৱস্থা লোৱা হ'ব।

গ) অসম স্বাস্থ্য প্ৰতিষ্ঠান আইন, ১৯৯৩ আৰু বিধি, ১৯৯৫ (Assam Health Establishments Act, 1993 and Rules, 1995) আৰু ইয়াৰ সংশোধনী আইন, ১৯৯৮ আৰু ২০০৩ (Assam Health Establishments Amendment Act, 1998 and 2003) অধীনৰ ১০ ধাৰা মতে নাৰ্চিংহোম সম্পৰ্কীয় বিধি ব্যৱস্থাসমূহ লগত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure - II)

**বিষয় ঃ আঁচনি মঞ্জুৰ।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

* ১১৭। মাননীয় হস্ততাঁত ও বস্ত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দীনদয়াল বুনকৰ আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিভাগে আৰু আৰ্টফেডে কিমানটা আঁচনি মঞ্জুৰী কৰি আনিছে আৰু উক্ত আঁচনিৰ বাবদ কিমান পুঁজি কেন্দ্ৰীয় চৰকাৰে মোকলাই দিলে?

খ) ৰাজ্য চৰকাৰে বোৱা-কটা সমবায় সমিতিসমূহৰ লগতে আৰ্টফেডক কিমান টকা বৰ্তমানলৈকে মোকলাই দিলে?

গ) আৰ্টফেডে বৰ্তমানলৈকে কোন বেংকৰ পৰা কিমান ঋণ লৈছে আৰু কিমান ঋণ পৰিশোধ কৰিলে?

ঘ) ২০০১ চনৰ পৰা এতিয়ালৈকে আৰ্টফেডে বিশ্বৰ কিমানটা প্ৰদৰ্শনীত (Heim Textile) অংশগ্ৰহণ কৰাৰ বাবে কিমান টকা আৰ্টফেডে খৰচ কৰিলে?

**শ্ৰী প্ৰণৱ গগৈ** (হস্ততাঁত, বস্ত্ৰ শিল্প ও ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) দীনদয়াল বুনকৰ আঁচনিৰ নামত বিভাগে আৰু আৰ্টফেডে কোনো আঁচনি মঞ্জুৰী পোৱা নাই। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা দীনদয়াল হাথকৰ্মা প্ৰোৎসাহন যোজনাৰ অধীনত হস্ততাঁত আৰু বস্ত্ৰ বিভাগে বৰ্তমানলৈ ৩৯৪টা প্ৰকল্পৰ অনুমোদন পাইছে। ইয়াৰে ১৯০টা প্ৰকল্প আৰ্টফেডে ৰূপায়ণৰ বাবে মঞ্জুৰী পাইছে।

উক্ত আঁচনিৰ বাবদ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ মোকোলাই দিয়া পুঁজিৰ পৰিমাণ ২১,৬১,৪২৮ লাখ টকা। ইয়াৰে ১১১.০৫ লাখ টকা বিভাগৰ বাবে আৰু ১০৫০.৩৭৮ লাখ টকা আৰ্টফেডৰ বাবে মোকোলাই দিয়া হৈছে।

খ) দীনদয়াল হাথকৰ্ঘা যোজনাৰ অধীনত ৰাজ্য চৰকাৰে বৰ্তমানলৈ কেন্দ্ৰৰ অংশৰ বাবদ বিভিন্ন বোৱা-কটা সমবায় সমিতিসমূহলৈ ১১১১.০৫ লাখ টকা আৰু আৰ্টফেডলৈ ১০৫০.৩৭৮ লাখ টকা মোকোলাই দিছে।

গ) আৰ্টফেডে বিভিন্ন বেংকৰ পৰা লোৱা ঋণ আৰু পৰিশোধ কৰা ঋণ এনে ধৰণৰ ঃ-

| বেংকৰ নাম | ঋণৰ পৰিমাণ | ধণ পৰিশোধৰ পৰিমাণ |
| --- | --- | --- |
| (১) অসম কো'অপাৰেডিভ এপেক্স বেংক লিঃ | ৯,৭০,১৫,৪৪২.১৭ | ৮,৯৩,০৪,৯৯৪.০০ |
| (২) ইউকো বেংক | ১৫,০০,০০০.০০ | ১৫,০০,০০০,০০ |
| (৩) চেণ্ট্ৰেল বেংক অব ইণ্ডিয়া | ৭৪,০০,০০০.০০ | ৭৪,০০,০০০,০০ |
| সৰ্বমুঠ | ১০,৫৯,১৫,৪৪২.১৭ | ৯,৮২,০৪,৯৯৪.০০ |

ঘ) ২০০১ চনৰ পৰা এতিয়ালৈকে আৰ্টফেডে বিশ্বৰ Heim Textile কে ধৰি

২২খন প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিছে। উক্ত প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি কোনো ধৰণৰ পুঁজি বিনিয়োগ হোৱা নাই। অৱশ্যে উক্ত প্ৰদৰ্শনীত অংশগ্ৰহণ কৰাৰ বাবদ ১,০০,৫০,৩৮১.০০ টকা আৰ্টফেডে খৰচ কৰিছে।

**বিষয় ঃ কৰ্মচাৰীৰ সংখ্যা।**

**শ্ৰী পদ্ম হাজৰিকাই সুধিছে ঃ**

* ১১৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিদুৱাৰ (৩০খন) আৰু উত্তৰ জামুগুৰিহাট (৩০খন) বিছনাযুক্ত চিকিৎসালয় দুখনত ডাক্তৰকে ধৰি কৰ্মচাৰী সংখ্যা কিমান? (নাম পদসহ তথ্য দিব)

খ) উক্ত চিকিৎসালয় দুখনৰ পৰা ৰাইজে উপযুক্ত চিকিৎসা সেৱা পাইছেনে?

গ) উক্ত চিকিৎসালয় দুখনৰ বাবে চৰকাৰৰ ফালৰ পৰা কেনে ধৰণৰ সা-সুবিধা আগবঢ়াইছে? (তথ্য দিব)

ঘ) উক্ত চিকিৎসালয় দুখনৰ এলেকাত কিমানজনৰ মেলেৰীয়া ৰোগত মৃত্যু হৈছে? (নাম-ঠিকনাসহ তথ্য দিব)

ঙ) মেলেৰীয়া ৰোগ নিয়ন্ত্ৰৰ বাবে উক্ত চিকিৎসালয় দুখনৰ জৰিয়তে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কি কি? (সৱিশেষ তথ্য দিব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিদুৱাৰ আৰু উত্তৰ জামুগুৰিহাট (৩০খন) বিছনাযুক্ত চিকিৎসালয় দুখনৰ ডাক্তৰকে ধৰি অন্যান্য কৰ্মচাৰীৰ তালিকা তলত দিয়া ধৰণৰ ঃ-

চাৰিদুৱাৰ (৩০খন) বিছনাযুক্ত চিকিৎসালয়খনত মুঠ চিকিৎসকৰ পদ ৫টা।

নাম ঃ ১। ডাঃ দীপ্ত কান্ত বৰা, এনাছথেচিষ্ট তেজপুৰ অসামৰিক চিকিৎসালয়ত সংলগ্ন

২। ডাঃ বিনোদ কুমাৰ মিলি।

৩। ডাঃ এছ গোস্বামী।

৪। ডাঃ এ কে শৰ্মা বৰুৱা

এটা পদ খালী হৈ আছে।

**ফাৰ্মাচিষ্ট ঃ** ১টা পদ।

নাম ঃ শ্ৰীমতী অমিয় কুমাৰী

**হেল্‌থ এডুকেটৰ ঃ** ১টা পদ।

নাম ঃ শ্ৰী দিগন্ত শইকীয়া

**ষ্টাফ নাৰ্ছ ঃ** ৭টা পদ।

১। শ্ৰীমতী অৰ্পণা দাস।

২। শ্ৰীমতী প্ৰীতি মৰাক।

৩। শ্ৰীমতী ৰূপালী ভূঞা।

৪। শ্ৰীমতী অনুবালা দাস।

৫। শ্ৰীমতী মোহিনী নেওগ।

৬। শ্ৰীমতী ৰঙালী কছাৰী।

৭। শ্ৰীমতী জেচমিনা কোৰাদ।

**এ. এন. এম. ঃ** ১টা পদ।

শ্ৰীমতী সুশান চেত্ৰী।

**ৰেডিঅ'গ্ৰাফাৰ ঃ** ১টা পদ।

শ্ৰীদীনেশ হাজৰিকা

তেজপুৰ অসামৰিক চিকিৎসালয় সংলগ্ন হৈ আছে।

**লেব'টেকনিচিয়ান ঃ** ২টা পদ।

১। শ্ৰী প্ৰদীপ কুমাৰ ভূঞা।

২। শ্ৰীৰাম বৰুৱা।

**৪ৰ্থ শ্ৰেণী ঃ** ৬টা পদ।

১। শ্ৰী ধীৰেন শইকীয়া

২। শ্ৰীমতী গৌতমী সন্দিকৈ

৩। শ্ৰীমতী ৰুণুমী কলিতা।

৪। শ্ৰীমতী প্ৰিয়াবালা কোচ।

৫। শ্ৰী ডিম্বেশ্বৰ দাস।

৬। খালী।

উত্তৰ জামুগুৰিহাট (৩০খন) বিছনাযুক্ত চিকিৎসালয়। মুঠ চিকিৎসকৰ পদ ৩টা। কৰ্মৰত চিকিৎসকসকলৰ নাম ঃ

১। ডাঃ বসন্ত বৰা

২। ডাঃ শেৱালী দেৱী, এনাছথেছিষ্ট

তেজপুৰ অসামৰিক চিকিৎসালয়ত সংলগ্ন হৈ আছে।

৩। ডাঃ এমিলী নাথ।

**ফাৰ্মাচিষ্ট ঃ** ১টা পদ।

১। বিমল মণ্ডল।

**ষ্টাফ নাৰ্ছ ঃ** ৬টা পদ।

১। শ্ৰীমতী আল্পনা বৰা।

২। শ্ৰীমতী ক্ষীৰ বৰা।

৩। শ্ৰীমতী মালীন মেধি।

৪। শ্ৰীমতী ৰুণুমাই দেৱী।

৫। শ্ৰীমতী অলকা বড়া।

৬। শ্ৰীমতী ঊষাৰাণী শইকীয়া।

**উচ্চবৰ্গৰ সহায়ক ঃ** ১টা পদ।

১। শ্ৰী খুকু শৰ্মা।

**ৰেডিঅ'গ্ৰাফাৰ ঃ** ১টা পদ।

১। অনুপম বৰুৱা (attached Biswanath Chariali)

**ড্ৰেছাৰ ঃ** ১টা পদ।

১। শ্ৰীঅনুপম বৰুৱা

**চৌকিদাৰ ঃ** ১টা পদ।

১। শ্ৰীমতী ইৰাণী বড়া।

**ওৱাৰ্ড বয় ঃ** ১টা পদ।

১। শ্ৰীনন্দলাল শৰ্মা।

**মালী ঃ** ১টা পদ।

১। দিলীপ গোৱালা।

**ধুবি ঃ** ১টা পদ।

১। শ্ৰী আচৰ্ফী ৰুজক।

**ছুইপাৰ ঃ** ২টা পদ।

১। শ্ৰীসোমন বাচফোৰ।

২। শ্ৰীমতী লীলা বাচফোৰ।

খ) চৰকাৰী বিধি মতে চিকিৎসালয় দুখনৰ পৰা স্বাস্থ্য সেৱা আগবঢ়োৱা হৈছে।

গ) উক্ত চিকিৎসালয় দুখনৰ বাবে চৰকাৰৰ ফালৰ পৰা ঔষধ-পাতি যোগান ধৰা হৈছে। প্ৰসূতিগৃহ আছে।

ঘ) চতিয়া সমষ্টিৰ অন্তৰ্গত উক্ত চিকিৎসালয় দুখনৰ অধীনত আজিলৈকে ২২২৬জন লোক মেলেৰীয়াত আক্ৰান্ত হৈছে আৰু ৪ (চাৰি)জন লোকৰ মেলেৰীয়াত মৃত্যু হৈছে।

| | মৃতকৰ নাম/ঠিকনা | বয়স | মৃত্যুৰ তাৰিখ |
|---|---|---|---|
| ১। | ৰাধেশ্যাম মণ্ডল— টুপীয়া গেট, উত্তৰ জামুগুৰি। | ৫০ বছৰ | ২৪/৪/২০০৬ |
| ২। | দুৰ্গা দেৱী চেত্ৰী— উত্তৰ জামুগুৰী, বালিজুৰী। | ১৬ বছৰ | ১৭/৫/২০০৬ |
| ৩। | শ্ৰী মন্ত কাকতি — চতিয়া, উত্তৰ জামুগুৰী। | ৩৫ বছৰ | ৩০/৫/২০০৬ |
| ৪। | বাপুৰাম দাস — চাৰিদুৱাৰ, গমাৰী, বালিপাৰা। | ৬৫ বছৰ | ৯/৫/২০০৬ |

ঙ) মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণৰ বাবে নিম্নোলিখিত ব্যৱস্থ্যসমূহ লোৱা হৈছে।

১। ঘৰে ঘৰে গৈ তেজৰ নমুনা সংগ্ৰহ আৰু পৰীক্ষা কৰা হৈছে আৰু

চিকিৎসালয়সমূহতো তেজৰ নমুনা সংগ্ৰহ কৰা হৈছে।

ক) উত্তৰ জামুগুৰীত তেজৰ নমুনা সংগ্ৰহ ১৪,৮৫১ জনৰ।

খ) বালিপাৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ দ্বাৰা ১২,৫২৬জনৰ মুঠতে ২৭,৩৭৭জনৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰা হৈছে।

২। উত্তৰ জামুগুৰী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ দ্বাৰা ৯টা স্প্ৰে (Spray) নিয়োগ কৰা হৈছে আৰু বালিপাৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ দ্বাৰা ৫টা Spray Squad শেষ কৰা হৈছে।

৩। উত্তৰ জামুগুৰী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজিলৈকে ২৮টা স্বাস্থ্য পৰীক্ষা ও সজাগতা শিবিৰ পথা হৈছে, সেইদৰে বালিপাৰা স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত অঞ্চলতো ২২টা স্বাস্থ্য পৰীক্ষা শিবিৰ ও সজাগতা সভা পতা হৈছে।

৪। উত্তৰ জামুগুৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজিলৈকে ৯০০ আঁঠুৰা আৰু বালিপাৰা স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত ১০০০ আঁঠুৰা বিতৰণ কৰা হৈছে।

**বিষয় ঃ পি, এইচ, চিত তলা বন্ধ।**

**ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ**

* ১১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ভৱানীপুৰ সমষ্টিৰ গোমুৰা মিনি পি, এইচ, চিত তলা বন্ধ হৈ থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

খ) যদি অৱগত, কেতিয়াৰ পৰা আৰু কিয় এই চিকিৎসালয়খনত তলা বন্ধ হৈ আছে?

গ) এই তলা বন্ধ অৱস্থা দূৰ কৰিবৰ বাবে চৰকাৰে কিবা বাস্তৱ ব্যৱস্থা লৈছে নে?

ঘ) যদি লৈছে, কি কি বাস্তৱ ব্যৱস্থা লৈছে?

ঙ) যদি লোৱা নাই, অতিশীঘ্ৰে বাস্তৱ ব্যৱস্থা লৈ ৰাইজক চিকিৎসা সেৱা দিয়াৰ ব্যৱস্থা কৰিবনে?

চ) চিকিৎসা সেৱাৰ নিচিনা এক গুৰুত্বপূৰ্ণ অনুষ্ঠানত তলা বন্ধৰ নিচিনা কাৰ্য ভৱিষ্যতে যাতে নহয় তাৰ বাবে গোমুৰা মিনি পি, এইচ, চিৰ তলা বন্ধ কাৰ্য্যৰ এক নিৰপেক্ষ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) যোৱা ২১/৬/২০০৬ ইং তাৰিখৰ পৰা চিকিৎসালয়খনত তলা বন্ধ হৈ আছিল। চিকিৎসালয়খনৰ তত্বাৱধানত থকা ডাঃ নীলমণি দাস, ফাৰ্মাচিষ্ট আমিৰ হামজা আৰু এ. এন. এম ধৰ্মিনী দাসে তেওঁলোকৰ জীৱনৰ প্ৰতি ভাবুকি অহা বুলি লিখিত প্ৰতিবেদন দাখিল কৰি চিকিৎসালয়খনত সেৱা প্ৰদান কৰিব নোৱাৰাত তলা বন্ধ হয়।

গ) হয়, লোৱা হৈছে। বজালীৰ

ঘ) বৰপেটা জিলাৰ উপায়ুক্ত ও মহকুমাধিপতিৰ হস্তক্ষেপ আৰু ৰাইজৰ সহযোগত চিকিৎসালয়খনৰ তলা বন্ধ অৱস্থা দূৰ কৰা হৈছে।

ঙ) প্ৰশ্ন নুঠে।

চ) ইতিমধ্যে ৰাজহুৱা সভাত লোৱা প্ৰস্তাৱযোগে দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**Sub : Donation of Land.**

**Shri Kutub Ahmed Mazumdar asked :**

* 120. Will the Minister of Health and Family Welfare be pleased to state :

a) What is the present status of Kachudaram Hospital of Sonai in Cachar District?

b) Whether it is a fact that with 10(ten) bighas of land donated to the Health department and with building constructed by Satindra Mohan Dev Trust with rupees twelve (12) lakhs the hospital still remains deserted?

c) Is the Government aware that this health centre is in a position to serve thousands of people not only of Sonai but also of Dholai and Lakhipur L.A. constituencies?

d) Whether Govt. is setting up of Kachudaram hospital?

**Dr. Himanta Biswa Sarma** (Minister, Health & F.W.) replied :

a) A Hospital building to set up an MPHC at Kachudaram under Sonai Block PHC has been constructed but could not be made functional for want of sanctioned post of Doctor & Staff.

b) 10 bighas of land for setting up of Kachudaram MPHC was donated by the family of Furkan Ali Laskar of Village Dakhin Mohanpur under Sanai P.S. The Hospital building constructed by PWD (B), Silchar in the year 1990 under untied Fund with an amount of Rs. 12,17,200/-

c) It is not yet made functional.

d) As stated at (a) above.

## UNSTARRED
## QUESTIONS AND ANSWERS

**বিষয় ঃ বনৰীয়া হাতীৰ উপদ্ৰপ।**

**শ্ৰী কুশল দুৱৰীয়ে সুধিছে ঃ**

২৫১। মাননীয় বন আৰু পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) প্ৰতি বছৰে বনৰীয়া হাতীয়ে থাওৱা সমষ্টিৰ ৰাইজৰ ঘৰ-দুৱাৰ ভাঙি, শস্য আদি নষ্ট কৰি থকা কথাটো চৰকাৰ অৱগতনে?

খ) যদি অৱগত, চৰকাৰে উক্ত বনৰীয়া হাতীৰ উপদ্ৰপৰ পৰা ৰক্ষা কৰাৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে?

গ) ডিব্ৰুগড় জিলাত সৌৰশক্তি ব্যৱহাৰৰ যোগেদি বনৰীয়া হাতীৰ উপদ্ৰপৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাটো সত্যনে?

ঘ) যদি সত্য, থাওৱা সমষ্টিৰ ৰাইজৰ ৰক্ষাৰ বাবেও উক্ত ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন** (বন আৰু পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) পানীদিহিং অভয়াৰণ্যৰ পৰা বনৰীয়া হাতী খাদ্যৰ সন্ধানত ওলাই আহি গাঁও অঞ্চলত যাতে অনিষ্ট সাধন কৰিব নোৱাৰে তাৰ বাবে বন বিভাগে স্থানীয় ৰাইজৰ সহায়ক বন্দুক, ৰাইফল, ফটকা আদি ফুটাই আৰু কেৰাচিন তেলৰ সহায়ত বাঁহৰ জোৰ আদি জ্বলাই লৈ বাহিৰলৈ ওলাই অহা বনৰীয়া হাতী পুনৰ বনাঞ্চললৈ ঘূৰাই পঠিওৱাৰ ব্যৱস্থা কৰা হয়। ইয়াৰোপৰি বিভাগীয় কৰ্মচাৰীৰ দ্বাৰা দিনে-ৰাতিয়ে টহল দিয়াৰ ব্যৱস্থা কৰা হয়, যাতে বনৰীয়া হাতীয়ে গাঁও অঞ্চলত সোমাই ধন-জন, সা-সম্পত্তিৰ ক্ষতিসাধন কৰিব নোৱাৰে। বনৰীয়া হাতীৰ উপদ্ৰপ প্ৰতিৰোধ কৰাৰ বাবে ঠায়ে ঠায়ে একোখন এলেকা কমিটী গঠন কৰি দিয়া হৈছে। তাৰোপৰি বন বিভাগৰ পৰা কুনকি হাতী লগাইও বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা কৰা হয়। সুবিধাজনক ঠাইত বিদ্যুৎবাহী বেৰৰ ব্যৱস্থা কৰিও বনৰীয়া হাতী বনাঞ্চলৰ পৰা ওলাই অহাত বাধা দিয়া হয়।

গ) হয়।

ঘ) হয়, পুঁজি সাপেক্ষে আৰু কৌশলগতভাৱে উপযুক্ত বুলি বিবেচিত হ'লে থাওৱা সমষ্টিৰ অন্তৰ্গত এলেকাটো বিদ্যুৎ বাহী বেৰৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হ'ব।

**বিষয় ঃ বৰপেটা চিকিৎসা মহাবিদ্যালয়।**

**শ্ৰী গুণীন্দ্ৰ নাথ দাসে সুধিছে ঃ**

২৫২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰপেটা চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণকাৰ্য এই বিত্তীয় বছৰতে আৰম্ভ হ'বনে? এই নিৰ্মাণকাৰ্য কেতিয়া সম্পূৰ্ণ হ'ব?

খ) মহাবিদ্যালয়খনৰ শিক্ষাদান কেতিয়াৰ পৰা আৰম্ভ হ'ব?

গ) বৰপেটা সমষ্টিৰ গবৈমাৰী আৰু পালহাজী বজাৰত আধাৰশিলা স্থাপন কৰাৰ পিছতো নিৰ্মাণ নোহোৱা উপ-স্বাস্থ্য কেন্দ্ৰ দুটা নিৰ্মাণৰ ব্যৱস্থা ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য্যৰ বাবে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰা হৈছে।

নিৰ্মাণ কাৰ্য্য কেতিয়া শেষ হ'ব সেই বিষয়ে এতিয়াই ক'ব পৰা নাযাব যিহেতু গোটেই বিষয়টি Architect Selectionৰ পৰ্যায়ত আছে।

খ) "Medical Council of India" (MCI)ৰ পৰিদৰ্শনৰ ভিত্তিত অনুমোদন পোৱাৰ ওপৰত নিৰ্ভৰ কৰিছে।

গ) পৰীক্ষাক্ৰমে সিদ্ধান্ত লোৱা হ'ব।

**বিষয় ঃ ব্যক্তিৰ নাম।**

**শ্ৰী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

২৫৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আঁৰত থকা মহান ব্যক্তিকেইজন কোন কোন?

খ) বৰ্তমানে AMC খনত মুঠ কিমানগৰাকী অধ্যাপক/ অধ্যাপিকা আৰু কৰ্মচাৰী আছে? (প্ৰত্যেকটো বিভাগৰ তালিকা সদনত দাখিল কৰিব)

গ) কি কি পদ বৰ্তমানেও খালী হৈ আছে?
(প্ৰত্যেকটো বিভাগৰ তালিকা দাখিল কৰিব)

ঘ) এই AMCখন পৰিচালনা কৰিবলৈ ৰাজ্য চৰকাৰে বছৰেকত কিমান টকা খৰচ কৰে? (বছৰৰ ভিত্তিত ২০০১ চনৰ পৰা ২০০৫ চনলৈকে তালিকা দাখিল কৰিব)

ঙ) অধ্যাপক/ অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ দৰমহাৰ বাবদ মাহে কিমান টকা খৰচ কৰে?

চ) উক্ত মহাবিদ্যালয়খনত চিকিৎসা সেৱা প্ৰদানৰ সুবিধাৰ্থে কি কি আৰু কিমানসংখ্যক সঁজুলি আৰু মেচিন আছে?
(প্ৰত্যেকৰে মূল্য আৰু সংখ্যাৰ তালিকা দিব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নথি-পত্ৰৰ মাধ্যমেৰে জানিব পৰা গৈছে যে অসম চিকিৎসা মহাবিদ্যালয়খন

প্ৰতিষ্ঠাৰ আঁৰত থকা মহান ব্যক্তিকেইজন হ'ল।

১) স্বৰ্গীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ।

২) স্বৰ্গীয় লোকবন্দু ডাঃ ভূৱনেশ্বৰ বৰুৱা।

৩) স্বৰ্গীয় ডাঃ ঘনশ্যাম দাস।

৪) স্বৰ্গীয় ডাঃ কে, এল, ঘোষ।

খ) অসম চিকিৎসা মহাবিদ্যালয়ত বৰ্তমানে কাম কৰি থকা অধ্যাপক/ অধ্যাপিকা, সহযোগী অধ্যাপক/ অধ্যাপিকা অআৰু সহকাৰী অধ্যাপক/ অধ্যাপিকাৰ সংখ্যা এনেধৰণৰ।

| | | |
|---|---|---|
| অধ্যাপক/ অধ্যাপিকা (Professor) | = | ৩৩ জন |
| সহযোগী অধ্যাপক/ অধ্যাপিকা (Associate Professor) | = | ৩২ জন |
| সহকাৰী অধ্যাপক/অধ্যাপিকা (Asstt. Professor) | = | ৬৩ জন |
| মুঠ | = | ১২৮ জন |
| ৰেজিষ্ট্ৰাৰ / ডেমনষ্ট্ৰেটৰ আৰু সমপৰ্য্যায়ৰ (Annexure-I) | = | ১৩১ জন |
| | | ২৫৯ জন |

বৰ্তমানে কাম কৰি থকা কৰ্মচাৰীৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ-

| | | | |
|---|---|---|---|
| কলেজ শাখাত - | ৩য় শ্ৰেণীৰ | = | ১৫৬ জন |
| | ৪ৰ্থ শ্ৰেণীৰ | = | ২৯৩ জন |
| হস্পিতেল শাখাত - | ৩য় শ্ৰেণীৰ | = | ৯২ জন |
| | ৪ৰ্থ শ্ৰেণীৰ | = | ৪৭৪ জন |
| | নাৰ্ছ | = | ২০৭ জন |
| | মুঠ | = | ১২২২ জন |

গ) বৰ্তমানে খালী হৈ থকা পদসমূহ হ'ল ঃ-

| | | |
|---|---|---|
| উপাধ্যক্ষ | = | ১ |
| উপ-অধীক্ষক | = | ১ |
| অধ্যাপক | = | ৫ |
| সহযোগী অধ্যাপক | = | ১৫ |
| সহকাৰী অধ্যাপক | = | ২১ |
| পঞ্জীয়ক/ ডেমনষ্ট্ৰেটৰ | = | ৬ |

(বিভাগ অনুযায়ী খালী থকা পদৰ তালিকা সংলগ্ন (Annexure-I) দিয়া হ'ল। (See Annexure - III)

<u>৩য় শ্ৰেণীৰ খালী পদ</u>

| | | |
|---|---|---|
| হস্পিতেল শাখা | = | ২৪ জন |
| কলেজ শাখা | = | ২৬ জন |

<u>৪ৰ্থ শ্ৰেণীৰ খালী পদ</u>

| | | |
|---|---|---|
| কলেজ শাখা | = | ১৬ জন |
| হস্পিতেল শাখা | = | ৩০ জন |

ঘ) AMC খন পৰিচালনা কৰিবলৈ ৰাজ্য চৰকাৰে বছৰেকত তলত উল্লিখিত ধৰণে খৰচ কৰিছে।

| বছৰ | কলেজ শাখা | হস্পিতেল শাখা |
|---|---|---|
| ২০০১-২০০২ | টকা ৮,২৭,৬০,৮০৬.০০ | টকা ১০,৬৭,২০,২০০.০০ |
| ২০০২-২০০৩ | টকা ৯,৪৬,৬০,৭৮৮.০০ | টকা ১০,৫৯,১৯,৫১৫.০০ |
| ২০০৩-২০০৪ | টকা ১০,০৬,৪৭,০৪২.০০ | টকা ১০,৬৬,৭১,১৫৬.০০ |
| ২০০৪-২০০৫ | টকা ১১,৮৮,৪৯,১১১.০০ | টকা ১৩,৪২,১০,১২৭.০০ |
| ২০০৫-২০০৬ | টকা ১৩,৮০,৪১,২০৩.০০ | টকা ১৪,৭০,৫৫,২৯৭.০০ |

ঙ) কলেজ আৰু হস্পিতেলৰ অধ্যাপক/অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ দৰমহাৰ বাবদ মাহে মুঠ ১,৫৯,৫৩,৪৫৯.০০ টকা খৰচ কৰা হয়।

(এক কোটি উনপঞ্চাশ লাখ তেৰান্ন হেজাৰ চাৰিশ উনষাঠি টকা)।

চ) অসম চিকিৎসা মহাবিদ্যালয়খনত চিকিৎসা সেৱা প্ৰদানৰ সুবিধাৰ্থে থকা

সঁজুলি আৰু মেচিনৰ তালিকা সংখ্যা আৰু মূল্যসহ সংলগ্ন কৰা হ'ল — (Annexure- II) (See Annexure-IV)

**বিষয় ঃ শিপিনী উন্নয়নৰ আঁচনি।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

২৫৪। মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ২০০১ চনত কংগ্ৰেছ চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত চৰকাৰে অসমৰ দুখীয়া শিপিনীসকলৰ উন্নয়নৰ বাবে কি কি আঁচনি গ্ৰহণ কৰি শিপিনীসকলক উপকৃত কৰিছিল?

খ) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত অনুষ্ঠিত গোমুৰা প্ৰকল্পৰ কাৰণে ২০০১-০২ চনতে কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰা টকা এতিয়ালৈ সম্পূৰ্ণৰূপে মোকোলাই নিদিয়াৰ কাৰণ কি?

গ) উক্ত প্ৰকল্পৰ বাকী টকাখিনি চৰকাৰে কেতিয়ালৈ মোকোলাই দিয়াৰ ব্যৱস্থা কৰিব?

**শ্ৰী প্ৰণৱ গগৈ** (হস্ততাঁত, বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ২০০১ চনত কংগ্ৰেছ চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত অসমৰ দুখীয়া শিপিনীসকলৰ উন্নয়নৰ বাবে তলত দিয়া আঁচনিসমূহ গ্ৰহণ কৰি শিপিনীসকলক উপকৃত কৰি আহিছে।

**কেন্দ্ৰীয় চৰকাৰৰ সাহায্যপ্ৰাপ্ত আঁচনিসমূহ ঃ**

১) সমন্বিত প্ৰকল্প আঁচনি।

২) তাঁতশালৰ কৰ্মশালা নিৰ্মাণ আঁচনি।

৩) শিপিনীৰ স্বাস্থ্যজনিত প্ৰকল্প আঁচনি।

৪) দীনদয়াল হথকৰ্ঘা প্ৰোৎসাহন যোজনা আৰু বাণিজ্যিক উদ্‌গনি শিতান আঁচনি।

৫) হস্ততাঁত উন্নয়ন বিকাশ আঁচনি।

**ৰাজ্যিক পৰিকল্পনা আঁচনিসমূহ ঃ**

১) উৰামাকো তাঁতশাল আৰু সূতা অনুদান আঁচনি।

২) হস্ততাঁত বস্ত্র উৎপাদন আঁচনি।

৩) প্ৰশিক্ষণ আঁচনি।

৪) বিদ্যুৎচালিত তাঁতশিল্প বস্ত্র উৎপাদন আঁচনি।

৫) প্ৰচাৰ আৰু প্ৰদৰ্শনী আঁচনি।

৬) জিলা পৰ্য্যায়ৰ হস্ততাঁত বস্ত্র প্ৰদৰ্শনী আঁচনি।

৭) গৱেষণা আৰু উন্নয়ন আঁচনি।

৮) বয়নজ্যোতি আঁচনি।

খ) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত ৰূপায়ণ হৈ থকা গোমূৰা সমষ্টিত প্ৰকল্পৰ মুঠ ব্যয়ৰ বাবে অনুমোদন কৰা ধনৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে আদায় দিয়া প্ৰথম কিস্তিৰ ধনৰ মৰ্মে ৰাজ্য চৰকাৰে আদায় দিবলগীয়া অংশৰ ধন পৰ্য্যাপ্ত বাজেটৰ অভাৱত মঞ্জুৰী দিব নোৱাৰাত কেন্দ্ৰীয় চৰকাৰলৈ দ্বিতীয় আৰু চূড়ান্ত কিস্তিৰ ধনৰ প্ৰস্তাৱ দিব নোৱাৰাত এতিয়ালৈ প্ৰকল্পৰ সম্পূৰ্ণ ধন মোকোলাই দিব পৰা হোৱা নাই।

গ) উক্ত প্ৰকল্পৰ বাকী টকাখিনি পাবৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি থকা হৈছে। টকা পোৱাৰ লগে লগেই মুকলি কৰি দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

**Sub : No. of Doctors.**

**Smti. Bithika Dev asked :**

255. Will the Minister of Health be pleased to state :

a) The number of PHCs and Sub-Centres which are without Doctor and number of PHCs and Sub-Centres with Doctors in the District of Cachar?

b) The number of PHCs and Sub-Centres without required number of Para Medical persons?

**Dr. Himanta Biswa Sarma** (Minister, Health & F.W.) replied:

a) All Seven PHCs are functioning with Doctors in addition to other categories of Health Institutions.

There is no provision for posting of Doctors in Sub-Centres.

b) 20 Nos. of Health Institutions including PHCs and Sub-centres are running without required Nos. of Para-medicos.

**বিষয় ঃ বিষয়া নিয়োগ।**

**শ্ৰী কমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ**

২৫৬। মাননীয় তথ্য আৰু জনসম্পৰ্ক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনত বৰ্তমান জিলা আৰু মহকুমা পৰ্য্যায়ৰ কিমানটা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰ পদ খালী হৈ আছে? বি, টি, চি, এলেকাত ইয়াৰ সংখ্যা কিমান?

খ) এই পদসমূহ পূৰণৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ আছেনে? যদি আছে, কিমান দিনৰ ভিতৰত এই পদসমূহ পূৰণ কৰা হ'ব?

গ) তথ্য আৰু জনসংযোগ বিভাগৰ খালী পদসমূহ পূৰণৰ ক্ষেত্ৰত কৰ্মৰত সাংবাদিকক অগ্ৰাধিকাৰ দিয়া হ'বনে?

**শ্ৰী ৰকিবুল হুছেইন** (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বৰ্তমান জিলা আৰু মহকুমা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰ খালী পদৰ সংখ্যা যথাক্ৰমে ১১টা আৰু ৭টা, বি, টি, চি, এলেকাত বৰ্তমান কোনো বিষয়াৰ পদ খালী নাই। নতুনকৈ গঠন হোৱা চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাত বিষয়াৰ পদ মঞ্জুৰী হোৱা নাই।

খ) এই খালী পদসমূহ পূৰণৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ আছে। যিমান সোনকালে পৰা যায় এই পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰা হ'ব।

গ) যোগ্যতাৰ ভিত্তিত নিয়ম অনুসৰি উপযুক্ত বুলি বিবেচিত সাংবাদিক প্ৰাৰ্থীকো নিযুক্তিৰ বাবে বিবেচনা কৰা হ'ব।

**Sub : Modernization of P.H.C.**

**Shri Kartik Sena Sinha asked :**

257. Will the Minister of Health & Family Welfare be pleased to

state :

a) Whether the Govt. is aware that there is no regular electric supply at Patharkandi P.H.C. of Karimganj District?

b) Whether the Govt. will provide Sophisticated cold chain at Patharkandi P.H.C. to maintain potency of vaccines to save the lives of infants?

c) Whether the Govt. has taken any urgent step to fill up sanctioned vacancy like S.D.M. and H.Q. I/c at Patharkandi P.H.C.? Is it a fact that Sr. M.& H.O. and ANM out of 61 sanctioned posts only 54 in functioning and survillance worker out of 19 nos only 7 nos are function?

d) Whether Govt. has any action plan to modernise the Patharkandi P.H.C. which is the only functional P.H.C. in a large area with a large population?

**Dr. Himanta Biswa Sarma** (Minister, Health and Family Welfare) replied :

a) Yes. Due to irregular power supply position like some other areas of the state.

b) Yes, Government have already one I.L.R. (Ice lined Refrigerator) and one Deep Freezer at Patharkandi PHC under Karimganj District. This ILR can maintain temperature upto 78 hours even after power cut and consequently vaccine potency can be maintained even during irregular power supply.

c) Filling up of the post of SDM&HO on promotion is under process at Patharkandi PHC. Out of the 2 (two) Sr. M& HO posts, one Sr. M &HO is working at R.K. Nagar PHC on attachment.

Out of 61 posts of ANM, 58 Nos are in position and 7 nos of S.W. are working against total No. of 19 posts.

d) Yes. Govrnment have plan for modernisation of PHCs in phase manner including Patharkandi PHC.

**বিষয় ঃ ফিলবাৰী চিকিৎসালয়।**

**শ্ৰী দুৰ্গা ভূমিজে সুধিছে ঃ**

২৫৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ডুমডুমা সমষ্টিৰ অন্তৰ্গত কাকজান আৰু গাভৰুভেটি অঞ্চলত চিকিৎসালয় আছেনে?

খ) যদি আছে, কেনে অৱস্থাত আছে, ডাক্তৰ, নাৰ্ছৰ নিয়োগ কৰা হৈছেনে?

গ) ফিলবাৰী ৰাজ্যিক চিকিৎসালয়ত ডাক্তৰ, নাৰ্ছ আছেনে?

ঘ) যদি নাই, চৰকাৰৰ তৰফৰ পৰা কেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নাই। কাকজান আৰু গাভৰুভেটি অঞ্চলত দুটা উপ-স্বাস্থ্য কেন্দ্ৰহে আছে।

খ) কাকজান আৰু গাভৰুভেটি স্বাস্থ্য উপকেন্দ্ৰ দুখনত A.N.M.আৰু Female Attendant ৰ দ্বাৰা স্বাস্থ্য সেৱা আগবঢ়াই থকা হৈছে।

গ) আছে।

ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ স্বাস্থ্য কেন্দ্ৰৰ আধৰুৱা কাম।**

**শ্ৰী জ্যোতি প্ৰসাদ দাসে সুধিছে ঃ**

২৫৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা স্বাস্থ্য কেন্দ্ৰৰ আধৰুৱা কাম সম্পূৰ্ণ আঁচনিত ২০০১-২০০২ বৰ্ষত ৯১.৫০ লাখ টকা ব্যয় কৰা হৈছেনে? যদি হৈছে, ইয়াৰ বিতং তথ্য চৰকাৰে দাখিল কৰিবনে?

খ) বকোত থকা ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়খনৰ আধুনিকীকৰণৰ কিবা

আঁচনি ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ২০০১-২০০২ বিত্তীয় বৰ্ষত ব্যয় হোৱা নাই। অৱশ্যে পৰৱৰ্তী ৩টা বিত্তীয় বৰ্ষত এই পৰিমাণৰ পুঁজি চিকিৎসালয়খন উন্নয়নৰ কামত ব্যয় কৰা হৈছে।

খ) ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান (National Rural Health Mission) ৰ অধীনত বকো ৩০খন বিছনাযুক্ত বকো চিকিৎসালয়খন আধুনিকীকৰণৰ বাবে আঁচনি লোৱা হৈছে। সেই অনুসৰি ৪০.০০ (চল্লিশ) লাখ টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰি বিভাগীয় অনুমোদনৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ ৩০খন বিছনাযুক্ত হস্পিতাল।**

**শ্ৰী ভূপেন কুমাৰ বৰাই সুধিছে ঃ**

২৬০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বিহপুৰীয়া ৩০খন বিছনাযুক্ত চিকিৎসালয়খন কোন চনৰ কিমান তাৰিখে প্ৰতিষ্ঠা কৰা হৈছে?

খ) উক্ত চিকিৎসালয়খন কেতিয়া ৰাইজৰ বাবে সম্পূৰ্ণ ব্যৱহাৰৰ উপযোগী কৰি দুৱাৰ মুকলি কৰিব, তাৰ বাবে চৰকাৰে নিৰ্দিষ্ট সময় নিৰ্দ্ধাৰণ কৰিছে নেকি?

গ) এতিয়ালৈকে চিকিৎসালয়খনত কিমান পুঁজি আবণ্টন দিয়া হৈছে আৰু কিমান পুঁজিৰ দৰকাৰ হ'ব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বিহপুৰীয়াত এখন Block HPC আছে। এই Block PHCখন ৩০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰাৰ বাবে চৰকাৰৰ ৩১-৩-৯৪ইং তাৰিখৰ HLA.72/94/11নং চিঠি মৰ্মে ৫২ লাখ ৯২ হাজাৰ ৮শ টকা চিকিৎসালয়গৃহ আৰু চিকিৎসক-কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণৰ বাবে মঞ্জুৰী দিয়া হয়।

খ) প্ৰস্তাৱিত চিকিৎসালয়ৰ গৃহাদি নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'লে আৰু প্ৰয়োজনীয় পদ মঞ্জুৰী পালেহে এই সম্পৰ্কে সিদ্ধান্ত ল'ব পৰা যাব।

গ) এতিয়ালৈকে উক্ত প্ৰস্তাতি চিকিৎসালয়ৰ গৃহাদি নিৰ্মাণৰ বাবে তলত দিয়া ধৰণে পুঁজিৰ আবণ্টন দিয়া হৈছে।

পূৰ্বৰ (১৯৯৪চনৰ) ৫২,৯২,৮০০.০০

পৰৱৰ্তী পৰ্য্যায়ত PMGYৰ অধীনত

(২০০১-০২-০৪-০৫ মুঠ ৩৭,২৫,২১০.০০

সৰ্বমুঠ ৯০,১৮,০১৫.০০

গড়কাপ্টানি (গৃহ) বিভাগৰ পৰা বিতং প্ৰতিবেদন সংগ্ৰহ কৰিহে অতিৰিক্ত পুঁজি নিৰূপণ কৰিব পৰা যাব।

**বিষয় ঃ বৃক্ষ ৰোপণ আঁচনি।**

**শ্ৰী আব্দুল খালেকে সুধিছে ঃ**

২৬১। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পৰিৱেশৰ ভাৰসাম্য ৰক্ষা আৰু বৃক্ষ আৱৰণ বৃদ্ধিৰ বাবে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিৰ প্ৰধান আলিবাট, ৰাজহুৱা প্ৰতিষ্ঠান আৰু ধৰ্মীয় অনুষ্ঠানৰ চৌহদত ব্যাপকভাৱে বৃক্ষৰোপণ আঁচনি হাতত ল'বনে?

খ) উক্ত প্ৰস্তাৱিত আঁচনিত শিক্ষানুষ্ঠানৰ চৌহদত ফল-মূল আৰু চিকিৎসালয়ৰ চৌহদত ঔষধি বৃক্ষ ৰোপণ কৰিবনে?

গ) বৃক্ষৰোপণ আৰু পৰিৱেশ বিষয়ক দ্ৰুতপাঠৰ কিতাপ হাইস্কুলীয়া শিক্ষাসূচীত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰচেষ্টা হাতত ল'বনে?

**শ্ৰী ৰকিবুল হুছেইন** (বন আৰু পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) পৰিৱেশ ভাৰসাম্য ৰক্ষা আৰু বৃক্ষ আৱৰণ বৃদ্ধিৰ বাবে সামাজিক বনানিকৰণ বিভাগে অনুমোদিত আবণ্টিত ধন অনুযায়ী বৃক্ষৰোপণ আঁচনি লোৱা হয়।

১) সাধাৰণ সামাজিক বনানীকৰণ আঁচনি (SFG)

২) অনুসূচিত জনজাতি আঁচনি (TSP)

৩) অনুসূচিত জাতিৰ আঁচনি (SCCP)

তাৰোপৰি 'সেউজ প্ৰকল্প'ৰ অধীনত বছৰে প্ৰধান আলিবাট, ৰাজহুৱা প্ৰতিষ্ঠান,

ধৰ্মীয় অনুষ্ঠান আৰ্হিত বৃক্ষৰোপণ আঁচনি হাতত লোৱা হৈছে।

খ) অসম চৰকাৰৰ অনুমোদন অনুযায়ী শিক্ষানুষ্ঠানৰ চৌহদত ফল-মূল আৰু চিকিৎসালয়ৰ চৌহদত অসমৰ কিছু অংশত ঔষধি গছৰ ৰোপণ কৰা হয়। 'বন উন্নয়ন অভিকৰণ' (FDA)ৰ অধীনত ঔষধি গছ ৰোপণ 'যৌথ বন পৰিচালনা কমিটী (JFMC)' ৰ দ্বাৰা সমগ্ৰ অসমতে সংৰক্ষিত বনাঞ্চলত ওচৰৰ গাঁৱৰ ৰাইজৰ দ্বাৰা ঔষধি গছৰ ৰোপণ ৩৩১৫ হেঃ মাটিত কৰা হৈছে আৰু চৰকাৰৰ অনুমোদন সাপেক্ষে কৰা হ'ব।

গ) 'পৰিৱেশ অধ্যয়ন' বিষয় হাইস্কুলীয়া শিক্ষাত অন্তৰ্ভুক্ত হৈছে। আনকি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহত স্নাতক পৰ্য্যায়ত 'পৰিৱেশ অধ্যয়ন' বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। চৰকাৰে প্ৰাথমিক স্তৰতো 'পৰিৱেশ অধ্যয়ন'ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰ বাবে শিক্ষা বিভাগৰ সৈতে আলোচনা কৰাৰ চিন্তা-চৰ্চা কৰি থকা হৈছে।

**Sub : National Park.**

**Sri Karendra Basumatary asked :**

262. Will the Minister of Tourism be pleased to state :

a) Whether Govt. is aware that Rajiv Gandhi Orang Sanctuary is a well known 'National Park' where a single Horned Rhinos are found?

b) If so, Will the State Government take any develomental step for modernisation of the said national park as tourist spot.

**Shri Rockybul Hussain** (Minister of Tourism) replied :

a) Yes.

b) The State Govt. has already taken up steps for development for modernization of the Orang National Park as tourist spot. For the current year 2006-07, as per proposal of the State Govt., the Ministry of Tourism, Govt. of India have Prioritiezed to develop the Park under the scheme

of Integrated Development of Tourism Circuit Scheme : Orang-Tezpur-Nameri-Bhalukpong-Tawang Tourist Circuit. The Project Proposal will cover components like Interpretation Centre, Public Conveniences, Landscaping & Internal Pathways, Area Lighting, Upgradation of existing lodge etc. The Detailed Project Report is now under preparation for onward submission to Ministry of Tourism, Govt. of India. The project may be implemented after receiving the sanction from Ministry of Tourism, Govt. of India.

**বিষয় ঃ পৰ্য্যটকৰ আকৰ্ষণ স্থলী।**

**মোঃ মহিবুল হকে সুধিছে ঃ**

২৬৩। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) যোৱা ৫টা বছৰত অসমলৈ বাহিৰৰ পৰা সৰ্বমুঠ কিমান পৰ্য্যটক আহিছিল?

খ) অসমৰ কোন কোন ঠাই আৰু কি কি ঐতিহাসিক চিহ্ন পৰ্য্যটকৰ বাবে বাচি লোৱা হৈছে?

গ) ধুবুৰী জিলাৰ ঐতিহাসিক ভাস্কৰ্য্য ১। পানবাড়ীৰ মীৰজুমলাৰ মছজিদ, ২। ছত্ৰশালৰ শংকৰদেৱৰ সত্ৰ, ৩। ধুবুৰীৰ নেতাই ধুবুনীঘাট, ৪। ধুবুৰীৰ গুৰু টেগবাহাদুৰ মন্দিৰ, ৫। বগৰীবাড়ীৰ মহামায়া ধাম, ৬। মানকাচৰৰ মীৰজুমলাৰ কবৰস্থান আৰু মহেন্দ্ৰগঞ্জৰ 'বৰযুণ নপৰা ঠাইক' পৰ্য্যটকৰ কেন্দ্ৰস্থান হিচাপে লোৱা হৈছেনে?

ঘ) উক্ত পৰ্যটকৰ কেন্দ্ৰসমূহক উন্নত কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছিলনে?

ঙ) যদি লোৱা নাই, তেন্তে লোৱাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন** (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) যোৱা ৫টা বছৰত অসমলৈ অহা পৰ্য্যটকৰ সংখ্যা হৈছে এনে ধৰণৰ ঃ-

| বছৰ | | দেশীয় পৰ্য্যটক | বিদেশী পৰ্য্যটক |
|---|---|---|---|
| ২০০১ | - | ১০১০৬৫১ | ৬১৭১ |
| ২০০২ | - | ১৯৫৩৯১৫ | ৬৪০৯ |

| | | | |
|---|---|---|---|
| ২০০৩ | - | ২১৫৬৬৭৫ | ৬৬১৩ |
| ২০০৪ | - | ২২৮৬৬৩০ | ৭২৮৫ |
| ২০০৫ | - | ২৪৬৭৬৫২ | ১০৭৮২ |

খ) অসমৰ যিবিলাক ঠাই আৰু যি ঐতিহাসিক চিহ্ন স্থান পৰ্য্যটকৰ বাবে বাচি লোৱা হৈছে সেই স্থানসমূহৰ নাম ইয়াৰ লগতে সংলগ্ন তালিকা 'ক'ত উল্লেখ কৰা হৈছে। (See Annexure - V)

গ) ধুবুৰী জিলাত পয্যটকৰ সা-সুবিধাৰ্থে ধুবুৰী চহৰৰ মাজমজিয়াত নেতাই ধুবুনীঘাটৰ সমীপত এটা পৰ্য্যটক নিৱাস আৰু বিলাসীপাৰাত এটা আপ্যায়ন কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। প্ৰশ্নত উল্লিখিত অন্য স্থানসমূহত বৰ্তমানে আঁচনি লোৱা হোৱা নাই।

ঘ) উত্তৰ 'গ' প্ৰশ্ন উত্তৰত দিয়া হৈছে।

ঙ) বিভাগীয় নীতি-নিয়ম অনুসৰি বিবেচনা কৰা হ'ব।

**বিষয় ঃ C.I.C অপাৰেটৰ নিয়োগ।**

**শ্ৰী কেশৱ মহন্তই সুধিছে ঃ**

২৬৪। মাননীয় তথ্য প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত কিমানটা সমূহীয়া তথ্য কেন্দ্ৰ (C.I.C) স্থাপন কৰা হৈছে? কিমানজনক C.I.C অপাৰেটৰ হিচাপে মকৰল কৰা হৈছে? (এই তথ্য কেন্দ্ৰসমূহৰ বিতং তালিকা দিব)

খ) ভাৰত চৰকাৰৰ তথ্য প্ৰযুক্তি বিদ্যা মন্ত্ৰণালয়ে কেতিয়ালৈকে এই তথ্য কেন্দ্ৰসমূহৰ দায়িত্ব ল'ব?

গ) ভাৰত চৰকাৰে এই কেন্দ্ৰসমূহৰ দায়িত্ব অসম চৰকাৰক অৰ্পণ কৰাৰ পিছত এই কেন্দ্ৰসমূহ কেনে ধৰণে পৰিচালনা কৰিব? এইক্ষেত্ৰত চৰকাৰে কিবা আঁচনি প্ৰস্তুত কৰিছেনে?

ঘ) অসমত ই গভাৰ্ণেঞ্চ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কিবা আঁচনি আছেনে? যদি আছে, চৰকাৰৰ পৰিকল্পনা কি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (তথ্য প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমত ১৯২টা সমূহীয়া তথ্য কেন্দ্ৰ স্থাপন কৰা হৈছে। ৪২০ জনক C.I.C.

operator হিচাপে মকৰল কৰা হৈছে। (তথ্য কেন্দ্ৰসমূহৰ বিতং তালিকা সংলগ্ন কৰা হ'ল) (See Annexure - VI)

খ) ভাৰত চৰকাৰৰ তথ্য প্ৰযুক্তিবিদ্যা মন্ত্ৰণালয়ে ২০০৭ চনৰ ফেব্ৰুৱাৰী মাহলৈ এই তথ্য কেন্দ্ৰ সমূহৰ দায়িত্ব ল'ব।

গ) ভাৰত চৰকাৰৰ আঁচনি অনুসৰি অসম চৰকাৰে নাগৰিক তথ্য কেন্দ্ৰ (C.I.C) বাণিজ্য ভিত্তিক আৰ্হিৰে চলাবলৈ আঁচনি যুগুতাইছে। ইয়াৰ উপৰিও অসম চৰকাৰে এই কেন্দ্ৰসমূহ বৰ্তমান চলাই থকাৰ দৰেই চলাই যাবলৈ ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি আছে।

ঘ) ভাৰত চৰকাৰৰ NEGP প্ৰকল্পৰ অধীনত অসম চৰকাৰে পৰিকল্পনা যুগুত কৰি আছে।

**বিষয় ঃ চিকিৎসালয়ত দিব লগা আগধন।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

২৬৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যৰ মেডিকেল কলেজসমূহত আৰু জিলাৰ চিকিৎসালয়সমূহত ক- বিছনা অথবা প্ৰতি কোঠাৰ বাবে (বিশেষ আৰু সাধাৰণ), খ- এক্সৰে, গ- ই, চি, জি, ঘ- চন'গ্ৰাফী, ঙ- ই ই জি, চ- তেজ, প্ৰস্ৰাৱ, পায়খানা পৰীক্ষা, ছ-স্কেনিং আদিত প্ৰতিজন ৰোগীয়ে কিমান টকা বিভাগত জমা দিব লাগে জনাবনে?

খ) নগাঁও ভাগেশ্বৰী অসামৰিক চিকিৎসালয়ত উক্ত বিভাগসমূহ (ওপৰত উল্লেখ কৰা)ৰ বিপৰীতে ২০০১-০৫ বিত্তীয় বৰ্ষত কিমান টকা বিভাগৰ আয় হ'ল? (অনুগ্ৰহ কৰি বছৰ অনুসৰি উল্লেখ কৰিব)

গ) উপাৰ্জিত আয় (খ অংশৰ) কি কি আঁচনিৰ বিপৰীতে ব্যয় কৰা হ'ল।

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ৰাজ্যৰ মেডিকেল কলেজসমূহত ৰোগীয়ে জমা দিবলগীয়া টকা এনে ধৰণৰ ঃ-

(১) জেনেৰেল ৱাৰ্ডৰ বাবে = ৫.০০ টকা নিতৌ।

(২) মেডিকেল কলেজ (সাধাৰণ) = ২০০.০০ টকা নিতৌ।

(৩) মেডিকেল কলেজ (বিশেষ) = (ক) ৬০০.০০ টকা নিতৌ (A/C)

= (খ) ৫০০.০০ টকা নিতৌ (non-A/C)

জিলা চিকিৎসালয় সমূহত ৰোগীয়ে জমা দিয়া ধন এনে ধৰণৰ ঃ-

(১) বিশেষ কোঠা = ১৮০.০০ টকা, ১০০.০০ টকা, ৫০.০০ টকা নিতৌ

(২) সাধাৰণ কোঠা = ৫.০০ টকা, নিতৌ (প্ৰতি বিছনা)

খ) এক্সৰে পৰীক্ষাৰ বাবে শৰীৰ অংশ অনুযায়ী ঃ-

৫০.০০টকা, ৭০.০০ টকা, ১০০.০০ টকা ১৫০.০০ টকা, ২০০.০০ টকা, ২৫০.০০ টকা আৰু ৩০০.০০ টকা জমা দিব লাগে।

গ) ই চি জি = ১০০.০০ টকাৰ পৰা ২০০.০০ টকা জমা দিব লাগে।

ঘ) ছ'নগ্ৰাফী = ছ'নগ্ৰাফীৰ ধৰণ অনুযায়ী ২০০.০০ টকাৰ পৰা ২৫০.০০ টকা জমা দিব লাগে।

ঙ) ই ই জি = ২০০.০০ টকা জমা দিব লাগে।

চ) তেজৰ বিভিন্ন পৰীক্ষাৰ বাবে = ৭০.০০টকা, ৬০.০০টকা, ৫০.০০টকা ৪০.০০ টকা, ৩০.০০ টকা জমা দিব লাগে।

প্ৰস্ৰাৱ পৰীক্ষাৰ বাবে = ২০.০০ টকা জমা দিব লাগে।

পায়খানা পৰীক্ষাৰ বাবে = ২০.০০ টকা জমা দিব লাগে।

ছ) স্কেনিং পৰীক্ষা (শৰীৰৰ অংশ অনুযায়ী) = ৮০০.০০টকা, ৯০০.০০টকা, ১০০০.০০ টকা, ১২০০.০০টকা, ১৪০০.০০ টকা, ১৫০০.০০ টকা আৰু ১৭০০.০০ টকা জমা দিব লাগে।

খ) নগাঁও জিলাৰ ভোগেশ্বৰী অসামৰিক চিকিৎসালয়ত উপাৰ্জন এনেধৰণৰ ঃ-

(১) ২০০১ - ২০০২ = নাই।

(২) ২০০২ - ২০০৩ = ১৬,৯৮,৫৯০.০০ টকা।

(৩) ২০০৩ - ২০০৪ = ৩৬,২৪,৮৫৪.০০ টকা।

(৪) ২০০৪ - ২০০৫ = ৪৫,৩৮,১৯৪.০০ টকা।

গ) উপাৰ্জিত আয়োগৰ চিকিসালয়ৰ উন্নতিৰ বাবে বিভিন্ন শিতানত, যেনে— এক্সৰে প্লেট কিনা, সৰু-সুৰা যন্ত্ৰপাতি কিনা, বিভিন্ন যন্ত্ৰ আৰু চিকিৎসালয়ৰ মেৰামতি কৰাৰ লগতে আৱশ্যকীয় বস্তু কিনা হয়।

**বিষয় ঃ হাতীৰ উপদ্ৰৱ প্ৰতিৰোধ।**

**শ্ৰী সঞ্জয় ৰাজ চুব্বাই সুধিছে ঃ**

২৬৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নাওবৈচা সমষ্টিৰ হাৰমতীৰ ৰঙা ৰিজাৰ্ভ, ফুলবাৰীৰ ভিতৰিপাম আৰু ৰামপুৰ, বগী বিল আদি ঠাইত আজি প্ৰায় কেইবা বছৰ ধৰি বনৰীয়া হাতীয়ে মানুহ মাৰি থকা আৰু লগতে গাঁৱৰ ঘৰ-দুৱাৰ ভাঙি শস্য নষ্ট কৰা সম্পৰ্কে চৰকাৰ অৱগতনে?

খ) যদি অৱগত, বনৰীয়া হাতীৰ প্ৰতিৰোধৰ কিবা প্ৰতিকাৰ কৰিছে নেকি? যদি কৰা নাই, অতি সোনকালে ইয়াৰ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন** (বন আৰু পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নাওবৈচা সমষ্টিৰ হাৰমতী ৰঙা ৰিজাৰ্ভ, ফুলবাৰী, ভিতৰিপাম, ৰামপুৰ, বগী বিল আদি এলেকাবিলাকত মাজে-সময়ে বনৰীয়া হাতীয়ে মানুহ মৰা, ঘৰ-দুৱাৰ ভঙা সম্পৰ্কে চৰকাৰ অৱগত।

খ) বনৰীয়া হাতীৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা লোৱা হৈছে। বনৰীয়া হাতীৰ উপদ্ৰত অঞ্চলত 'উপদ্ৰৱ প্ৰতিৰোধ বাহিনী' গঠন কৰা হৈছে। হাতী খেদিবৰ কাৰণে যাৱতীয় ফট্‌কা, কেৰাচিন তেল, টৰ্চলাইট, বেটাৰী আদিৰ যোগান ধৰা হৈছে।

**বিষয় ঃ মেলেৰীয়াত মৃত্যু হোৱা লোকৰ সংখ্যা।**

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ**

২৬৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নগাঁও জিলাত মেলেৰীয়াত ২০০৬ চনৰ পৰা আজিলৈ মৃত্যু হোৱা লোকৰ

সংখ্যা কিমান?

খ) নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত এতিয়ালৈকে উক্ত ৰোগত কিমানজন লোকৰ মৃত্যু হৈছে?

গ) কামপুৰ, কঠিয়াতলী, পুৰণিগুদাম, বামুণীত ত্রিশখন বিছনাযুক্ত চিকিৎসালয়ত উপযুক্তভাৱে ডাক্তৰ, নাৰ্ছ আৰু ঔষধ আছেনে? যদি নাই, দিয়াৰ ব্যৱস্থা কৰিবনে?

ঘ) লুংচুং, কাজিৰঙা, কন্দলী, বঢ়মপুৰ আদি উপ-স্বাস্থ্য কেন্দ্রলৈ সময়মতে ডাক্তৰ যায়নে? ৰোগীয়ে ঔষধ পায়নে? যদি নাপায়, পোৱাৰ ব্যৱস্থা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) নগাঁও জিলাত এই বছৰৰ (২০০৬চন) ২৮/৬/২০০৬ ইংৰাজী তাৰিখলৈ মেলেৰীয়া ৰোগত ৭ (সাত) জন লোকৰ মৃত্যু হয়।

খ) এতিয়ালৈকে (২৬/৬/০৬) নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত মেলেৰীয়া ৰোগত দুজন লোকৰ মৃত্যু হৈছে।

গ) কামপুৰ, কঠিয়াতলী চিকিৎসালয়ত বিধিগতভাৱে চিকিৎসকে সেৱা আগবঢ়াই আছে। পুৰণিগুদাম চিকিৎসালয়ৰ চিকিৎসক ডাঃ ভাস্কৰ শৰ্মা পি, জি, পঢ়িবলৈ যোৱা বাবে তাত বৰ্তমান এলোপ্যেথিক চিকিৎসক নাই যদিও আয়ুৰ্বেদিক চিকিৎসকজনে নিয়মীয়াকৈ চিকিৎসা সেৱা আগবঢ়াই আছে। উক্ত চিকিৎসালয়কেইখনত নাৰ্ছে নিয়মীয়াভাৱে সেৱা আগবঢ়াই আছে আৰু ঔষধৰো নিয়মিত যোগান ধৰি থকা হৈছে। কিন্তু ৩০খন বিছনাযুক্ত বামুণী চিকিৎসালয়ৰ পদসমূহৰ বিভাগীয় মঞ্জুৰী এতিয়াও হোৱা নাই।

ঘ) লুংচুঙত বৰ্তমান উপ-স্বাস্থ্যকেন্দ্র নাই। কাজিৰঙা, কন্দলী উপ-স্বাস্থ্য কেন্দ্রত এ, এন, এম আছে আৰু তেওঁলোকে সময়মতে উপ-স্বাস্থ্য কেন্দ্রলৈ গৈ সেৱা আগবঢ়াই আছে। উপ-স্বাস্থ্য কেন্দ্রত পাবলগীয়া ঔষধসমূহ ৰোগীয়ে ঠিকমতে পাই আছে।

বঢ়মপুৰত এখন ৰাজ্যিক চিকিৎসালয়হে আছে। তাত কোনো উপ-স্বাস্থ্য কেন্দ্র নাই। চৰকাৰী চিকিৎসকে সময় মতে গৈ ৰোগীক চিকিৎসা সেৱা আগবঢ়াই আছে আৰু ৰোগীসকলেও আৱশ্যকীয় দৰৱ পাতি পাই আছে।

**বিষয় ঃ স্বাস্থ্য কেন্দ্ৰ উন্নয়ন।**

**শ্ৰী লিয়াকত আলী খানে সুধিছে ঃ**

২৬৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ পাজৰভাঙা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কোন চনত স্থাপিত হৈছিল?

খ) ইয়াত ৰোগীৰ কোনো ধৰণৰ চিকিৎসা ব্যৱস্থা কৰা হৈছেনে?

গ) বৰ্তমান কেন্দ্ৰটো কি অৱস্থাত আছে?

ঘ) বৰপেটা জিলাৰ নগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰী থকা ঘৰসমূহৰ মেৰামতিৰ কিবা ব্যৱস্থা কৰিছেনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ পাজৰভাঙাত কোনো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নাই। এটি স্বাস্থ্য উপ-কেন্দ্ৰহে আছে।

খ) উপ-স্বাস্থ্য কেন্দ্ৰত সাধাৰণতে নিয়মিতভাৱে চিকিৎসা প্ৰদান কৰা নহয়। ইয়াত সাধাৰণতে সীমিত চিকিৎসা ব্যৱস্থা প্ৰদানৰ লগতে প্ৰসূতি নাৰীৰ স্বাস্থ্য পৰীক্ষা আৰু পৰিয়াল কল্যাণ সম্পৰ্কীয় ব্যৱস্থাসমূহ লোৱা হয়।

গ) পাজৰ ভাঙা উপ-স্বাস্থ্য কেন্দ্ৰটোৰ মেৰামতিৰ প্ৰয়োজন আছে। চলিত বিত্তীয় বৰ্ষত যাৱতীয় ব্যৱস্থা লোৱাৰ বাবে বিবেচনা কৰা হ'ব।

ঘ) নগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকৰ বাসগৃহসমূহৰ কিছু মেৰামতি কৰা হৈছে। অন্যান্য কৰ্মচাৰীৰ ঘৰসমূহ মেৰামতিৰ বাবে ব্যৱস্থা ল'বলৈ বিবেচনা কৰা হৈছে।

**বিষয় ঃ প্ৰাথমিক চিকিৎসালয় নিৰ্মাণ।**

**শ্ৰী বলিন চেতিয়াই সুধিছে ঃ**

২৬৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শদিয়াত এশখন বিছনাযুক্ত অসামৰিক চিকিৎসালয় নিৰ্মাণৰ আঁচনি চৰকাৰে বাতিল কৰিছে নেকি?

খ) যদি কৰিছে, কিয় কৰিছে?

গ) যদি কৰা নাই, চিকিৎসালয় নিৰ্মাণৰ কাম কিয় আধৰুৱা কৰি ৰাখিছে?

ঘ) শদিয়াৰ বিভিন্ন চিকিৎসালয়ৰ নামত মুঠ কিমান চিকিৎসক আৰু নাৰ্চৰ পদ অনুমোদিত হৈ আছে? ইয়াৰে বৰ্তমান পদত কিমান কৰ্মচাৰী আছে? খালী পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা লৈছে নেকি?

ঙ) মেলেৰীয়া অধ্যুষিত অমলপুৰ আৰু অম্পিকাপুৰ অঞ্চলৰ Mini PHE দুখন কাৰ্যক্ষম কৰাৰ কিবা আঁচনি লৈছেনে?

চ) যদিহে লৈছে, কেতিয়াৰ পৰা কাৰ্য্যক্ষম কৰিব?

ছ) উক্ত চিকিৎসালয়ৰ নামত কৰ্মচাৰী নিযুক্তি দিছেনে? যদিহে দিছে, তেন্তে তেওঁলোকৰ কৰ্মস্থলী বৰ্তমান ক'ত আছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নাই কৰা।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰয়োজনীয় পুঁজিৰ অভাৱত কাম আধৰুৱা হৈ আছে।

ঘ) শদিয়াৰ বিভিন্ন চিকিৎসালয়সমূহত অনুমোদিত চিকিৎসকৰ পদৰ সংখ্যা মুঠ ১৬টা আৰু নাৰ্চৰ পদৰ সংখ্যা ৩৮টা। বৰ্তমানে ১১জন চিকিৎসক আৰু ১৮গৰাকী নাৰ্ছে কাম কৰি আছে। খালী পদসমূহ পূৰণৰ ব্যৱস্থা লোৱা হৈছে।

ঙ) আৰু (চ) অম্বিকাপুৰ Mini PHC খন প্ৰতিষ্ঠা কৰা হৈছে, আৰু অমৰপুৰ Mini PHC খন প্ৰতিষ্ঠাৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

ছ) অম্বিকাপুৰ Mini P.H.C. খনত কৰ্মচাৰী নিযুক্তি দিয়া হৈছে আৰু বৰ্তমানে তেওঁলোকে শদিয়া গ্ৰাম্য চিকিৎসালয়খনত কাম কৰি আছে।

**বিষয় ঃ ফাৰ্মৰ মালিকৰ নাম।**

**ডাঃ কমলা কান্ত কলিতাই সুধিছে ঃ**

২৭০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) স্বাস্থ্য বিভাগৰ, স্বাস্থ্য সঞ্চালকৰ চিঠি নং HSPBI15/2004/481-482, dated Ghy the 14.6.2006 মৰ্মে প্ৰকাশ কৰা Approved List নিয়ম

অনুসাৰে হৈছেনে?

খ) RAISMODI DRUGS নামৰ ফাৰ্মখনৰ মালিক কোন?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, নিয়ম অনুসাৰে হৈছে।

খ) RAISMODI DRUGS নামৰ কোনো ঔষধৰ প্ৰতিষ্ঠানৰ (ফাৰ্ম) বিষয়ে চৰকাৰ অৱগত নহয়। অৱশ্যে RAISMODI DRUGS DISTRIBUTOR, DIPHU নামৰ এটি প্ৰতিষ্ঠান আছে আৰু এই প্ৰতিষ্ঠানৰ মালিকৰ নাম শ্ৰী বিষ্ণু ৰাম নুনিছা।

**বিষয় ঃ মেলেৰীয়াত প্ৰাণ হানি।**

**শ্ৰী সুশীল দত্তই সুধিছে ঃ**

২৭১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) March 2006 ৰ পৰা June 2006 লৈ সমগ্ৰ অসমত মেলেৰীয়াত কিমান লোকে প্ৰাণ হেৰুৱাইছে? (জিলা ভিত্তিক জনাব)

খ) লামডিং সমষ্টিৰ অন্তৰ্গত ভেৰাপথাৰ, কাকী, থাইচুপাৰ পুৰণা, নখুঁটি সাৰ্কেবস্তী, বামুণগাঁও পঞ্চায়তত কিমানজন মানুহ মেলেৰীয়াত আক্ৰান্ত হৈছে আৰু কিমান জনে প্ৰাণ হেৰুৱাইছে?

গ) ১ নং কাকী P.H.C.ত কিমান দিনলৈ Doctor নোহোৱাকৈ আছে চৰকাৰ অৱগতনে?

ঘ) Kaki ত Doctor দিয়াৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে?

ঙ) সমগ্ৰ অসমত কিমানখন FRU আছে? FRU ৰ বিপৰীতে কিমানজন Anaesthesic আছে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) March 2006 ৰ পৰা June 2006 লৈ অসমত মেলেৰীয়াত ২৪২ (দুশ বিয়াল্লিছ) জন লোকে প্ৰাণ হেৰুৱাইছে।

(জিলা ভিত্তিত তালিকা সংলগ্ন কৰা হ'ল)। (See Annexure - VII)

খ) লামডিং সমষ্টিৰ অন্তৰ্গত ডেৰাপথাৰ, কাকী, থাইচুপাৰ, পুৰণা কাকী, নখুঁটি

চাৰ্কেবস্তি, বামুণগাঁও পঞ্চায়তত মুঠতে ৮২জন লোক মেলেৰীয়াত আক্ৰান্ত হয়।

উক্ত অঞ্চলসমূহত কোনো লোক মেলেৰীয়া ৰোগত মৃত্যু হোৱা নাই।

গ) চিকিৎসক নিযুক্তি দিয়া আছে।

ঘ) কাকী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ডাঃ অশোক কুমাৰ পাটৰক অলপতে Regulation 3(f)ত নিযুক্তি দিয়া হৈছে। ইয়াৰ উপৰিও ডাঃ বি মালাকাৰ Sr. M&HO আৰু ডাঃ অমলেন্দু ৰয়ে (Mo-Ayur) প্ৰয়োজনীয় সেৱা আগবঢ়াই আছে।

ঙ) সমগ্ৰ অসমত মুঠতে ৩০খন FRU আছে। ইয়াৰে ২০খন FRU ত Anaeshetist আছে।

**বিষয় ঃ পৰ্য্যটনস্থলী নিৰ্মাণ।**

**শ্ৰী মেম্বৰ গগৈয়ে সুধিছে ঃ**

২৭২। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত পৰ্য্যটনৰ বিকাশৰ বাবে যোৱা বছৰত কিমান টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে অনুমোদন পালে? এই বিষয়ত পৰ্য্যটন স্থায়ী নিৰ্মাণ তথা আধুনিকীকৰণৰ ক্ষেত্ৰত ক'ত ক'ত কিমান টকা বিনিয়োগ কৰিলে?

খ) আগন্তুক পাঁচ বছৰীয়া কাৰ্য্যকালৰ বাবে পৰ্য্যটন বিভাগৰ উন্নীতকৰণৰ ক্ষেত্ৰত নতুন আঁচনি প্ৰস্তুত কৰিছে নেকি? যদি কৰিছে, কি কি আঁচনি গ্ৰহণ কৰিছে?

গ) যোৰহাট জিলাৰ টিয়ক সমষ্টিৰ অন্তৰ্গত জাজীমুখ অঞ্চলত এটি উন্নত মানদণ্ডৰ পক্ষী উদ্যান Birds Sanctuary বনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে নেকি?

**শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) ২০০৫-২০০৬ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰণালয়ে অসমত পৰ্য্যটনৰ বিকাশৰ বাবে ২০.৬১ কোটি টকা অনুমোদন দিছে। অনুমোদিত টকাৰ ভিতৰত ১৬.৫০ কোটি টকা পৰ্য্যটন বিভাগে পাইছে আৰু ৪.৬০ কোটি টকা বড়োলেণ্ড টেৰীটৰীয়েল কাউঞ্চিলৰ কাৰণে অনুমোদিত আঁচনিৰ অংশ টকাত অন্তৰ্ভুক্ত হৈ আছে।

অনুমোদিত ধনৰ মুঠ ২.২৭ কোটি টকা ইয়াৰ লগতে সংলগ্ন কৰা 'ক' তালিকাত উল্লেখিত প্ৰকল্পসমূহৰ বাবে খৰচ কৰা হৈছে।

(See Annuxure - VIII)

খ) ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰণালয়ে প্ৰতিটো চলিত বছৰৰ বাবে সম্ভাব্য আঁচনিসমূহৰ অনুমোদনৰ বাবে তালিকা বিচাৰে। এই এবছৰীয়া তালিকাৰ পৰাহে (অগ্ৰাধিকাৰ) বৈঠকত ১টা বছৰৰ বাবে অনুমোদন পাবলগীয়া আঁচনিসমূহ বাচনি কৰা হয়। ইতিমধ্যে ২০০৬-২০০৭ বৰ্ষৰ বাবে যোৱা এপ্ৰিল মাহত অগ্ৰাধিকৰণ বৈঠক অনুষ্ঠিত হৈ গৈছে। উক্ত বৈঠকত অগ্ৰাধিকৰণ পোৱা আঁচনিসমূহৰ তালিকা ইয়াৰ লগত সংলগ্ন তালিকা 'খ'ত উল্লেখ কৰা হৈছে। (See Annexure - IX)

পৰ্য্যটন বিভাগে ৰাজ্য চৰকাৰৰ State Plan Schemeঅৰ অধীনত ৫ বছৰীয়া কাৰ্য্যকালত ল'ব লগা আঁচনি বা প্ৰকল্পৰ তালিকা প্ৰস্তুত কৰা হোৱা নাই। ২০০৬-২০০৭ বছৰেকীয়া আঁচনিসমূহে প্ৰস্তুত কৰা হৈছে। উক্ত আঁচনিসমূহ ইয়াৰ লগত সংলগ্ন তালিকা 'গ'ত উল্লেখ কৰা হৈছে। (See Annexure - X)

ইয়াৰ উপৰিও আগন্তুক ৫ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত উত্তৰ-পূব পৰিষদ (NEC) লৈকো প্ৰকল্প অনুমোদনৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে। বৰ্তমানলৈকে প্ৰকল্পৰ তালিকা চূড়ান্ত হোৱা নাই।

গ) পৰ্য্যটন বিভাগত বৰ্তমান যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তৰ্গত জাজীমুখ অঞ্চলত পক্ষী উদ্যানৰ বাবে আঁচনি লোৱা হোৱা নাই।

**বিষয় ঃ চিকিৎসক আৰু মানুহৰ অনুপাত।**

**শ্ৰী হাফিজ বছিৰ আহমেদে সুধিছে ঃ**

২৭৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰকাৰী বিধিমতত চিকিৎসক আৰু জনসংখ্যাৰ অনুপাত কি?

খ) অসমত জিলা ভিত্তিক উপ-স্বাস্থ্য কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ৩০খন বিছনাযুক্ত হস্পিতাল আৰু অসামৰিক হস্পিতাল মুঠতে কিমানখনকৈ আছে?

গ) জিলা ভিত্তিক প্ৰতিখন জিলাত কিমানজনকৈ চিকিৎসকে সম্প্ৰতি কাম কৰি

আছে?

ঘ) বিলাসীপাৰাৰ লেখীয়া (মহকুমা) দুটা বিধানসভা সমষ্টি অন্তৰ্ভুক্ত হৈ থকা এটা বিশাল অঞ্চলত আজিলৈকে অসামৰিক হস্পিতালখন আৰম্ভ নোহোৱাৰ কাৰণ কি? কেতিয়ালৈ আৰম্ভ হ'ব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰী বিধিমতত চিকিৎসক আৰু জনসংখ্যাৰ অনুপাত হ'ল ১ঃ৮৩৮১জন।

খ) জিলা ভিত্তিক স্বাস্থ্য কেন্দ্ৰসমূহৰ তালিকা লগত গাঁঠি দিয়া হ'ল। (সংলগ্ন পত্ৰ 'ক') (See Annexure-XI)

গ) জিলা ভিত্তিক চিকিৎসকৰ তালিকা লগত গাঁঠি দিয়া হ'ল। (সংলগ্ন পত্ৰ 'খ') (See Annexure - XII)

ঘ) বিলাসীপাৰা মহকুমাৰ যমদুৱাৰ নামৰ ঠাইত ১০০খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়খন স্থাপনৰ প্ৰায় ৭৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। বাকীখিনি কাম বিত্তীয় অনুমোদন পালেই সম্পূৰ্ণ কৰিব পৰা যাব।

**বিষয় ঃ পাহাৰৰ মাটি কটা ৰোধ কৰাৰ ব্যৱস্থা।**

**শ্ৰী ৰাণা গোস্বামীয়ে সুধিছে ঃ**

২৭৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গুৱাহাটী-শ্বিলং পথত খানাপাৰাৰ পৰা যোৰাবাটৰ ওচৰ পৰ্য্যন্ত যোৱা কিছুদিনৰ ভিতৰত এটা দিশে ওখ ওখ পাহাৰবিলাক খহাই ধ্বংস কৰি ভালেকেইটা পেট্ৰ'লৰ ডিপো আৰু অন্য ভালেকেইটা ব্যৱসায় প্ৰতিষ্ঠান স্থাপন কৰা বিষয়ে চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে?

খ) সেই পাহাৰকেইটা মেঘালয়ৰ সীমাৰ ভিতৰত নেকি? যদি মেঘালয়ৰ সীমাৰ ভিতৰত, পাহাৰকেইটা ধ্বংস কৰাৰ ফলত গুৱাহাটীত ভৱিষ্যতে প্ৰদূষণ আৰু প্ৰাকৃতিক জলবায়ুত প্ৰভাৱ পৰা সম্পৰ্কে চৰকাৰ অৱগতনে? যদি অৱগত, এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী ৰকিবুল হুছেইন** (পাৰিপাৰ্শ্বিক আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটী-শ্বিলং পথৰ খানাপাৰাৰ পৰা যোৰাবাটৰ ওচৰ পৰ্য্যন্ত গুৱাহাটীৰ পৰা যাওঁতে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ দিশত থকা মেঘালয়ৰ ওখ ওখ

পাথৰ কাটি নতুনকৈ পেট্ৰ'লৰ ডিপো আৰু অন্যান্য ব্যৱসায় প্ৰতিষ্ঠান স্থাপন কৰাটো সঁচা।

খ) হয়, উক্ত পাহাৰকেইটা (৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণত) মেঘালয় ৰাজ্যৰ সীমাৰ ভিতৰত। পাহাৰ ধ্বংসৰ ফলত ভৱিষ্যতে প্ৰদূষণ আৰু প্ৰাকৃতিক জলবায়ুত স্থানীয়ভাৱে প্ৰভাৱ পৰাটো নিশ্চিত যদিহে প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা লোৱা নহয়। সীমান্তৱৰ্তী অসমৰ কামৰূপ (মেট্ৰো) জিলাৰ জিলা দণ্ডাধীশে নিষেধাজ্ঞাযোগে অসমৰ পাহাৰত মাটি কটা বন্ধা ৰাখিছে। মেঘালয়ৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি কামৰূপ জিলাৰ (মেট্ৰো)ৰ উপায়ুক্ত মহোদয়ে এই বিষয়ত অসমৰ বিভিন্ন বিভাগৰ প্ৰতিনিধিৰ উপস্থিতিত একাধিক আলোচনা অনুষ্ঠিত কৰি বিহিত ব্যৱস্থা ল'বলৈ মেঘালয়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ জনাইছে। দুয়োখন ৰাজ্যৰ জিলা প্ৰশাসন, আৰক্ষী, বন বিভাগ, ভূমি সংৰক্ষণ বিভাগকে ধৰি ভালেকেইটা বিভাগৰ প্ৰতিনিধি উক্ত বৈঠকত উপস্থিত আছিল।

**Sub : Sale of Spurious Drugs.**

**Dr. Aditya Langthasa asked :**

275. Will the Minister of Health be pleased to state :

a) Whether the Government is aware of the sale of spurious drugs in the state particularly in the rural areas?

b) If so, what are the steps and measures taken by the Government to check and stop such illegal practice?

c) What about the quality and standardisation of the drugs supplied to the Government Hospitals in Assam?

d) Whether the manufacturers of such drugs passes the certificates from D.C.G.I. and G.M.P.?

**Dr. Himanta Biswa Sarma** (Minister, Health & F.W. Department) replied :

a) No spurious drug has been detected in the state including rural areas except one case during last 3 (three) years. However, Director of Health Services has been asked to

examine the matter in depth.

b) Field officers are in strict vigil and regularly drawing samples from the market. They have further been instructed to enhance the drawing of samples for test.

c) Quality is regularly monitored by drawing samples of medicine supplied to the Govt. Hospitals. Standardisation of the Medicine is done at Regional Drugs Testing Laboratory, Govt. of India, Khanapara, Guwahati.

d) All the manufacturers who supplied medicine to the Govt. of Assam have got G.M.P. (Good Manufacturing Practices) Certificate. No certificate from D.C.G.I. (Drugs Controller General of India) is required in this regard.

**বিষয় ঃ চিকিৎসালয় মেৰামতি আৰু পুনৰ নিৰ্মাণ।**

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডলে সুধিছে ঃ**

২৭৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পশ্চিম গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত বগুৱান, জয়পুৰ, ৰাইদা আৰু খৰমুঞ্জা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৰাজ্যিক চিকিৎসালয়সমূহত M.B.B.S. ডিগ্ৰীধাৰী চিকিৎসক, প্ৰয়োজনীয়সংখ্যক নাৰ্ছ আৰু Para Medical Staff নথকাৰ বিষয়ে চৰকাৰ অৱগতনে?

খ) উক্ত চিকিৎসালয়সমূহৰ ঘৰ-দুৱাৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ অভাৱত জৰাজীৰ্ণ হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

গ) উক্ত চিকিৎসালয়সমূহৰ ঘৰ-দুৱাৰ অনতিপলমে মেৰামতি কৰি M.B.B.S. চিকিৎসক, প্ৰয়োজনীয় নাৰ্ছ আৰু Para Medical Staff নিযুক্তি দিয়াৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বগুৱান ৰাজ্যিক চিকিৎসালয়ত ১টা চিকিৎসা ও স্বাস্থ্য বিষয়া আৰু এটা

M.O. (Ayur) ৰ মঞ্জুৰীকৃত পদ আছে। চিকিৎসা ও স্বাস্থ্য বিষয়া-১জন বৰ্তমান P.G. Course ত অধ্যয়নৰ বাবে Study leave লৈ আছে। M.O. (Ayur) ৰ জনে বৰ্তমান কাম কৰি আছে।

জয়পুৰ প্ৰাথমিক চিকিৎসালয়ত চিকিৎসা ও স্বাস্থ্য বিষয়া-১ৰ এটা মঞ্জুৰীকৃত পদ আৰু উক্ত খালী হৈ থকা পদটো অলপতে APSC ৰ Regulation 3 (f)ৰ অধীনত M.B.B.S.ডাক্তৰ নিযুক্তি দি পূৰণ কৰা হৈছে।

বাইদা SHCত জ্যেষ্ঠ চিকিৎসা ও স্বাস্থ্য বিষয়া ১টা চিকিৎসা ও স্বাস্থ্য বিষয়া-১ আৰু এটা M.O. (Ayur) ৰ মঞ্জুৰীকৃত পদ আছে। উক্ত তিনিওটা পদতেই চিকিৎসা বিষয়াই কাম কৰি আছে। অৱশ্যে জ্যেষ্ঠ চিকিৎসা ও স্বাস্থ্য বিষয়াজনে বৰ্তমান গোৱালপাৰা ২০খন বিছনাযুক্ত প্ৰসূতি চিকিৎসালয়ত সংলগ্ন (Attached) হৈ আছে।

খৰমুজা (খৰমুঞ্জা নহয়) প্ৰাথমিক চিকিৎসালয়ত দুটা চিকিৎসা ও স্বাস্থ্য বিষয়া-১ৰ মঞ্জুৰীকৃত পদ আছে। ইয়াৰে এটা পদত এজন চিকিৎসকে কাম কৰি আছে আৰু এজন চিকিৎসকে P.G. Courseৰ অধ্যয়নৰ বাবে Study Leave লৈ আছে।

জয়পুৰ স্বাস্থ্য কেন্দ্ৰত ১টা নাৰ্ছৰ পদ খালী হৈ আছে আৰু চিকিৎসালয়সমূহৰ অন্যান্য পদসমূহ পূৰণ হৈ আছে।

খ) ২০০১-২০০২ চনত খৰমুজা স্বাস্থ্য কেন্দ্ৰত আৰু ২০০৩-২০০৪ চনত বগুৱান ৰাজ্যিক চিকিৎসালয় গৃহৰ লগতে আৱাসগৃহসমূহ গড়কাপ্তানি (গৃহ) বিভাগৰ দ্বাৰা মেৰামতি কৰা হৈছে। বাইদা ৰাজ্যিক চিকিৎসালয়ৰ গৃহসমূহ প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনাৰ অধীনত মেৰামতি কৰা হৈছে। আনহাতে দ্বাদশ বিত্ত আয়োগৰ অধীনত গোৱালপাৰা পশ্চিম সমষ্টিৰ আমবাৰী বজাৰ ৰাজ্যিক চিকিৎসালয়, লক্ষীপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বগুৱান ৰাজ্যিক চিকিৎসালয় আৰু বৰদামাগ ৰাজ্যিক চিকিৎসালয়ৰ গৃহসমূহৰ মেৰামতিৰ বিষয়ে বিবেচনা কৰিব পৰা যাব।

গ) স্বাস্থ্য বিষয়া নিযুক্তিৰ বৰ্তমান প্ৰয়োজন নাই। প্ৰয়োজনীয় নাৰ্ছ আৰু Para Medical Staff নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ অবৈধ অট্টালিকা উচ্ছেদ।**

**শ্ৰী অভিজিৎ হাজৰিকাই সুধিছে ঃ**

২৭৭। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গুৱাহাটী মহানগৰীত অব্যাহত থকা অবৈধ অট্টালিকা উচ্ছেদ সন্দৰ্ভত চৰকাৰৰ নীতি-নিৰ্দেশনা কি? এই নীতি-নিৰ্দেশনা সকলো লোকৰ বাবে প্ৰযোজ্য নে? উচ্ছেদ কাৰ্যৰ পৰিৱৰ্তে বিশেষ জৰিমনাৰ জৰিয়তে চৰকাৰে ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰিব নেকি?

খ) ভৱিষ্যতে অবৈধ অট্টালিকা যাতে গঢ়ি উঠিব নোৱাৰে তাৰ বাবে চৰকাৰে বিশেষ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিছে নেকি? এই নীতিসমূহ এক বিশেষ তাৰিখৰ পৰা কাৰ্যকৰী কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটী মহানগৰীত অবৈধ অট্টালিকাসমূহৰ উচ্ছেদ কাৰ্য্য গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আইন আৰু গুৱাহাটী পৌৰ নিগম আইন অনুযায়ী কৰি থকা হৈছে। এই আইন সকলো লোকৰ বাবে প্ৰযোজ্য। আপোচযোগ্য (Compoundable) অবৈধ নিৰ্মাণ জৰিমনা লৈ নিয়মীয়াকৰণৰ ব্যৱস্থা আইনগতভাৱে আছে আৰু সেই মতে নিয়মীয়াকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অনা-আপোচযোগ্য (Non-Compoundable) অবৈধ নিৰ্মাণৰ ক্ষেত্ৰত জৰিমনা সংগ্ৰহেৰে নিয়মীয়া কৰাৰ ব্যৱস্থা নাই। সেইবোৰ উচ্ছেদ কৰা হ'ব।

খ) ভৱিষ্যতে যাতে অবৈধ অট্টালিকা গঢ়ি উঠিব নোৱাৰে তাৰ বাবে প্ৰতিৰোধক ব্যৱস্থা হিচাপে সদ্যচলিত বিধানসভাত "Assam Apartments (Construction and Transfer of Ownership) Bill, 2006, Guwahati Municipal Corporation (2nd Amendment) Bill, 2006, and Guwahati Metropolitan Development Authority (Amendment) Bill, 2006 - উপস্থাপন কৰা হৈছে। বিলসমূহত বিষয়াই অবৈধভাৱে গৃহ নিৰ্মাণৰ অনুমতি দিলে আৰু সেই অনুমতি লৈ নিৰ্মাণকাৰীয়ে ঘৰ সাজিলে উভয়ৰে ওপৰত শাস্তিমূলক ব্যৱস্থাৰ বিধান কৰা হৈছে। বিলসমূহ গৃহীত হোৱাৰ পিছত ইয়াৰ কাৰ্যকাৰিতা আৰম্ভ হ'ব।

**Sub : Health Hazards.**

**Shri Uddhab Barman asked :**

278. Will the Minister of Environment & Forests be pleased to state :

a) Whether the Bio-medical wartes (BMW) from medical establishments including Govt. hospitals have created health hazards for the people?

b) If so, what measures the Government is taking or Contemplates to take in this regards?

**Shri Rockybul Hussain** (Minister of Environment & Forest) replied :

a) No. However information is being called from Health Department.

b) Govt. is regularly monitoring the disposal method of Bio-medical wastes.

**বিষয় ঃ ডি, ডি, টি, ছটিওৱাৰ ব্যৱস্থা।**

**শ্ৰী অকণ বৰাই সুধিছে ঃ**

২৭৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দিছপুৰ সমষ্টিটো এক মেলেৰীয়া অধ্যুষিত অঞ্চল হিচাপে পৰিগণিত হোৱা সত্ত্বেও সোণাপুৰ, ডিমৰীয়া, ক্ষেত্ৰী অঞ্চলৰ গাঁওসমূহত পৰ্য্যাপ্ত পৰিমাণে ডি, ডি, টি, কিয় ছটিওৱা হোৱা নাই? মেলেৰীয়া প্ৰতিৰোধৰ ব্যৱস্থা পৰ্য্যাপ্ত পৰিমাণে নোলোৱাৰ কাৰণ কি? এই পৰ্য্যন্ত বহুকেইজন মেলেৰীয়া আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছে, চৰকাৰে এই কথা জানেনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) কথাষাৰ সত্য নহয়। নিয়মানুযায়ী প্ৰথম পৰ্য্যায়ত সোণাপুৰ, ডিমৰীয়া, ক্ষেত্ৰীৰ ৫১খন গাঁৱৰ ২৩,৬৬৪ জন লোকক সামৰি ডি ডি টি ছটিওৱা হৈছে।

মেলেৰীয়া প্ৰতিৰোধৰ বাবে এই অঞ্চলসমূহত প্ৰয়োজনীয় সকলো ব্যৱস্থা লোৱা হৈছে। মেলেৰীয়াৰ সজাগতাৰ বাবে বছৰৰ আৰম্ভণিৰ পৰাই স্বাস্থ্য কেন্দ্ৰ, উপ-কেন্দ্ৰ, গাঁওবোৰৰ বিশেষ অঞ্চলত সভা-সমিতি অনুষ্ঠিত কৰাৰ লগতে বৰ্তমানলৈকে ২১টা শিবিৰ স্থাপন কৰি ২০৬৩জন মানুহৰ পৰা তেজ সংগ্ৰহ কৰা হৈছে আৰু ১৪৬জনৰ দেহত মেলেৰীয়া বীজাণু চিনাক্ত কৰা হৈছে আৰু যাৱতীয় চিকিৎসা প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও বহুসংখ্যক ৰাইজৰ আঁঠুৱাত কীটনাশক ঔষধ যুক্ত কৰা হৈছে।

এই অঞ্চলত মেলেৰীয়াত মাত্ৰ এজন লোকৰ মৃত্যু হোৱাৰ তথ্য আছে।

আঁচনি অনুযায়ী দ্বিতীয় পৰ্য্যায়ৰ বাবে ডি, ডি, টি, ছটিওৱাৰ কাম ১৫ জুলাইৰ পৰা কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ ধূমপান নিষিদ্ধ ঘোষণা।**

**শ্ৰী প্ৰণৱ কলিতাই সুধিছে ঃ**

২৮০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমক ধূমপান নিষিদ্ধ ৰাজ্য হিচাপে ঘোষণা কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব নেকি? যদি কৰে, কেতিয়াৰ পৰা এই ব্যৱস্থা কাৰ্যকৰী কৰিব? এনে ব্যৱস্থা গ্ৰহণৰ প্ৰাৰম্ভতে অসম বিধানসভাৰ মাননীয় মন্ত্ৰী-বিধায়কসকলক ধূমপান নিষিদ্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

খ) অসমত প্ৰতিদিনে গড় হিচাপত কিমান চিগাৰেট ব্যৱহাৰ হয় আৰু এই ব্যৱহৃত চিগাৰেটৰ বাবদ কিমান টকা ৰাজ্যৰ বাহিৰলৈ গুছি যায়?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বিষয়টো চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰিছে।

খ) প্ৰাপ্ত তথ্য মতে, অসমত প্ৰতিদিনে গড়ে প্ৰায় ৪২.০০ লাখ চিগাৰেট ধূম্ৰপায়িত হয়। ৰাজ্যৰ বাহিৰৰ চিগাৰেট নিৰ্মাণকাৰী কোম্পানীবোৰে ইয়াৰ বাবদ দৈনিক গড়ে প্ৰায় ৭৫.০০ লাখ টকা আৰু বছৰি প্ৰায় ২৮০.০০ কোটি টকাৰ বিক্ৰীয় আয় অৰ্জন কৰে।

**বিষয় ঃ উন্নয়ন খণ্ড ভিত্তিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।**

**শ্ৰী অনুপ ফুকনে সুধিছে ঃ**

২৮১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উন্নয়ন খণ্ড ভিত্তিত একোটাকৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) থকাটো বিভাগীয় নীতি হয় নেকি। যদি হয়, অসমৰ প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) আছেনে? যদি নাই, স্থাপন কৰি কেতিয়া শেষ কৰাৰ আঁচনি কৰিছে? (জিলা ভিত্তিত তথ্য দিব)

খ) টিংখং সমষ্টিত কিমানখন PHC, CHC, FRU, Mini PHC আৰু স্বাস্থ্য উপ-কেন্দ্ৰ আছে আৰু নতুনকৈ এই কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ আছে নেকি? (বিশদ তালিকাসহ দিব)

গ) টিংখং সমষ্টিৰ ৰাজগড়ত প্ৰস্তাৱিত FRU আৰু লেঙেৰীত প্ৰস্তাৱিত CHC কেতিয়া স্থাপন কৰা হ'ব? ৰাজগড়ত এখন PHC টিংখং উন্নয়ন খণ্ড ভিত্তিত কেতিয়া স্থাপন কৰিব?

ঘ) টিংখং সমষ্টিৰ অন্তৰ্গত বিভিন্ন চিকিৎসালয়/ চিকিৎসা কেন্দ্ৰত নিযুক্ত বিষয়া-কৰ্মচাৰীৰ সংখ্যা কিমান আৰু ইয়াৰে কিমানজনে আন ঠাইত Attached হৈ আছে? (তালিকা নামসহ দিব)

ঙ) টিংখং সমষ্টিৰ চিকিৎসালয়সমূহত কিমান স্বাস্থ্য বিষয়া-কৰ্মচাৰীৰ পদ খালী আছে? (চিকিৎসালয়ৰ নাম আৰু category-wise খালী পদৰ তালিকা দিব)

চ) টিংখং সমষ্টিৰ চিকিৎসালয়, কেন্দ্ৰ/ উপ-কেন্দ্ৰসমূহৰ কিমানৰ ঘৰ-দুৱাৰ ব্যৱহাৰৰ উপযোগী হৈ আছে আৰু কিমানৰ ব্যৱহাৰৰ অনুপযোগী হৈ আছে? ব্যৱহাৰৰ অনুপযোগী ঘৰ-দুৱাৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ ব্যৱস্থা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয় আছে। সেই মতে পূৰ্বৰ উন্নয়ন খণ্ড ভিত্তিক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হৈছিল। কিন্তু পুনৰ গঠিত উন্নয়ন খণ্ডত একোখনকৈ খণ্ড ভিত্তিক

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হোৱা নাই, বৰ্তমান নতুনকৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ আঁচনি লোৱা হোৱা নাই। (পুনৰ গঠনৰ পূৰ্বে জিলা ভিত্তিক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ তালিকা সংলগ্ন কৰি দিয়া হৈছে)

খ) টিংখং সমষ্টিত থকা স্বাস্থ্য অনুষ্ঠানসমূহৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

| | | |
|---|---|---|
| P.H.C. | – | নাই। |
| C.H.C. | – | ১খন। |
| F.R.U. | – | নাই, (প্ৰস্তাৱ আছে) |
| Mini PHC | – | ২ খন। |
| Sub-Centre | – | ৩৪ খন। |

গ) টিংখং সমষ্টিৰ ৰাজগড়ত প্ৰস্তাৱিত F.R.U.খন R.C.H-II ৰ অধীনত ২০০৬-০৭ চনত তালিকাভুক্ত কৰা হৈছে। লেঙেৰীত CHC স্থাপনৰ প্ৰস্তাৱ নাই।

ৰাজগড়ত টিংখং উন্নয়ন খণ্ড ভিত্তিক PHC স্থাপনৰ বিষয়টো সময় সাপেক্ষে বিবেচনা কৰিব পৰা যাব। বৰ্তমান আঁচনি নাই।

ঘ) টিংখং সমষ্টিৰ অন্তৰ্গত বিভিন্ন চিকিৎসালয়/চিকিৎসা কেন্দ্ৰত নিযুক্ত বিষয়া-কৰ্মচাৰীৰ তালিকা ইয়াৰ লগত দিয়া হ'ল। কোনো বিষয়া-কৰ্মচাৰী আন ঠাইত Attached হৈ থকা নাই।

ঙ) টিংখং সমষ্টিৰ চিকিৎসালয়সমূহত কোনো স্বাস্থ্য বিষয়া/কৰ্মচাৰীৰ পদ খালী নাই। A.N.M.ৰ ৯টা পদ খালী আছে।

চ) একমাত্ৰ C.H.C.খন, Mini P.H.C.এখন আৰু ১০খন স্বাস্থ্য উপ-কেন্দ্ৰৰ ঘৰ-দুৱাৰসমূহ ব্যৱহাৰৰ উপযোগী হৈ আছে। আনহাতে ১খন Mini P.H.C. আৰু ১৪খন স্বাস্থ্য উপ-কেন্দ্ৰৰ ঘৰ-দুৱাৰসমূহৰ মেৰামতিৰ প্ৰয়োজন হৈছে। পুঁজি সাপেক্ষে মেৰামতিৰ ব্যৱস্থা লোৱা হ'ব।

**Sub : Repairing of P.H.C.**

**Shri Anwarul Haque asked :**

282. Will the Minister of Health be pleased to state :

a) Whether the Government is aware that the roofs and walls

of all the buildings of Kachuadam P.H.C. within Badarpur Constituency is not in existence and whole structures are in a dilapidated condition?

b) How many officials including Doctors, Nurses and other staffs are receiving their salary etc. against the said Kachuadam P.H.C.

c) Whether the Government has any plan to give a new look to the Hospital?

d) If so, when it will be done?

**Dr. Himanta Biswa Sarma** (Minister, Health & F.W.) replied :

a) Yes. Govt. is aware of it.

b) 11 (eleven) Nos. of officers and staff including one Sr. M&HO are receiving their salaries against the P.H.C.

c) Yes, plan and estimate for repairing and renovation work for an estimated amount of Rs. 33.00 lakhs (thirty three lakhs) has been prepared under 12th Finance Commission.

d) It is under active consideration of the Govt.

**বিষয় ঃ চিকিৎসক নিযুক্তি।**

**শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ**

২৮৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চিকিৎসকবিহীন স্বাস্থ্য কেন্দ্ৰবিলাকত চৰকাৰে অতিশীঘ্ৰে চিকিৎসক দিয়াৰ ব্যৱস্থা ল'বনে?

খ) জৰাজীৰ্ণ অৱস্থাত থকা পানেৰী সমষ্টিৰ অন্তৰ্গত পানীচেলি, পশ্চিমপটলা আৰু বামুণজুলী চিকিৎসালয়কেইখনৰ গৃহ মেৰামতিৰ তৎকালীন ব্যৱস্থা ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ইতিমধ্যে দুশ চিকিৎসকক Regulation 3 (f) ৰ অধীনত নিযুক্তি দিয়া হৈছে। তদুপৰি চুক্তি ভিত্তিত চিকিৎসক নিযুক্তিৰ ব্যৱস্থাও লোৱা হৈছে।

খ) গুৰুত্বসহকাৰে বিষয়টো বিবেচনা কৰা হৈছে আৰু উক্ত চিকিৎসালয়সমূহৰ মেৰামতিৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান (NRHM)ৰ অধীনত ৫০.০০০/- (পঞ্চাশ হাজাৰ)কৈ টকা জিলা স্বাস্থ্য সমিতিলৈ মুকলি কৰি দিয়া হৈছে।

**বিষয় ঃ কৰ্মচাৰী নিযুক্তি।**

**শ্ৰী প্ৰবীণ গগৈয়ে সুধিছে ঃ**

২৮৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) খুমটাই সমষ্টিৰ চাৰিঙ্গীয়া ৩০খন বিছনাযুক্ত চিকিৎসালয়খনত কিমানসংখ্যক কৰ্মচাৰী নিযুক্তি দিয়া হৈছে?

খ) চিকিৎসালয়খনত ৰোগীৰ বাবে প্ৰয়োজনীয় সকলো সুবিধা আছেনে? যদি পৰ্য্যাপ্ত পৰিমাণৰ সা-সুবিধা নাই তেনেহ'লে কিমান দিনৰ ভিতৰত সকলোৰে বাবে প্ৰয়োজনীয় সুবিধাসমূহ যোগান ধৰাৰ ব্যৱস্থা কৰিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নতুন নিযুক্তি হোৱা নাই। খুমটাই বিধানসভা সমষ্টিৰ চাৰিঙ্গীয়া ৩০খন বিছনাযুক্ত চিকিৎসালয়ৰ মঞ্জুৰীপ্ৰাপ্ত স্বাস্থ্য বিষয়া আৰু কৰ্মচাৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ

| | | |
|---|---|---|
| চিনিয়ৰ মেডিকেল এণ্ড হেল্‌থ অফিচাৰ | - | ১জন। |
| মেডিকেল এণ্ড হেল্‌থ অফিচাৰ | - | ২জন। |
| ফাৰ্মাচিষ্ট | - | ১জন। |
| ড্ৰেচাৰ | - | ১জন। |
| গ্ৰেড ফোৰ | - | ২জন। |
| জি, এন, এম | - | ৩জন। |

খ) ৩০খন বিছনাযুক্ত চিকিৎসালয়ত প্ৰয়োজনীয় চিকিৎসা ব্যৱস্থাসমূহ আছে যদিও আভ্যন্তৰীণ চিকিৎসা ব্যৱস্থা (Indoor facilities) কৰা হোৱা নাই।

আভ্যন্তৰীণ চিকিৎসা ব্যৱস্থা প্ৰদানৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ

আছে। প্ৰয়োজনীয় পুঁজি সাপেক্ষে ব্যৱস্থা ল'ব পৰা যাব।

**Sub : Posting of Doctors & Staff etc.**

**Shri Majendra Narzary asked :**

285. Will the Minister of Health be pleased to state :

a) Whether Government is aware of the shortage of Doctor and Staff at Ranendra Narayan. Memorial 100 beded hospital, Gossaigaon?

b) If so, why sufficient numbers of Doctors have not been posted?

**Dr. Himanta Biswa Sarma** (Minister of Health & F.M. Department) replied :

a) Yes.

b) Govt. have already initiated process for filling up of the vacant posts of Doctors. Already one post of M.&H.O. has been filled up recently by appointing Doctor under regulation 3(f) of A.P.S.C. other posts will be filled up on promotion for which process is going on. Moreover angagement of required Doctors on contractual basis is under active consideration of Government.

**বিষয় ঃ পৌৰ নিগমৰ নিৰ্বাচন।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

২৮৬। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গুৱাহাটী পৌৰ নিগমৰ তিনিটা ৱাৰ্ডত এতিয়ালৈকে যে নিৰ্বাচন অনুষ্ঠিত হোৱা নাই, এই বিষয়টো চৰকাৰৰ অৱগতনে?

খ) যদি অৱগত, তেনেহ'লে উক্ত ৱাৰ্ড তিনিটাত নিৰ্বাচন অনুষ্ঠিত নকৰাৰ কাৰণ কি?

গ) অতিশীঘ্ৰে উক্ত তিনিটা ৱাৰ্ডত নিৰ্বাচন অনুষ্ঠিত কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ

কৰিবনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) উক্ত তিনিওটা ৱাৰ্ডৰ নিৰ্বাচনৰ লগত জড়িত এটা গোচৰ (নং ৪৩৩৬/০২) মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকা বাবে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা হোৱা নাই।

গ) গোচৰ নিষ্পত্তি হোৱাৰ লগে লগে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰ প্ৰস্তুত আছে।

**Sub : No. of vacant post.**

**Smti. Bithika Dev asked :**

287. Will the Minister of Health be pleased to state :

a) Whether it is a fact that a large number of posts both teaching and non-teaching are lying vacant in silchar Medical College?

b) If so, what steps has been taken/are being taken to fill up these vacant posts?

c) Is it a fact that there is no qualified Librarian in Silchar Medical College for a long time?

d) If so, does the department propose to engage services of a qualified Librarian?

**Dr. Himanta Biswa sarma** (Minister, Health & Family Welfare Department) replied :

a) Yes, 26 No. of teaching posts and 123 No. of non-teaching posts are lying vacant in Silchar Medical College.

b) Steps have been taken to fill-up the posts of Faculty Members of Asstt. Professor and above by way of

promotion and for Registrar level posts by direct appointment from the APSC's recommended panel of candidates. For filling up the vacant posts of Grade-III and Grade-IV, the clearance of Finance (SIU) Deptt. has been received on 15-7-2006 for 40 Grade-III and 69 Grade-IV posts and process of appointment is being started shortly.

c) Yes, there is no qualified Librarian in Silchar Medical College since 28-2-2003 following retirement of M.R. Nandi Mazumdar on 28-2-2003.

d) Yes.

**বিষয় ঃ হস্পিতাল নিৰ্মাণৰ প্ৰস্তাৱ।**

**শ্ৰী বিনোদ গোৱালাই সুধিছে ঃ**

২৮৮। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী এলেকাৰ ৰাইজৰ প্ৰতি লক্ষ্য ৰাখি উৰিয়ামঘাটত এখন ১০খন বিছনাযুক্ত চিকিৎসালয় স্থাপনৰ প্ৰস্তাৱ চৰকাৰে ল'বনে?

খ) বৰপথাৰ জিলা পৰিষদৰ অধীনত অৱস্থিত বৰপথাৰ প্ৰাথমিক চিকিৎসালয়খন ৩০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণৰ ব্যৱস্থা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) পৰিকল্পনা শিতানত প্ৰয়োজনীয় পুঁজিৰ আৱণ্টনৰ ভিত্তিত প্ৰস্তাৱ বিবেচনা কৰিব পৰা যাব।

খ) বৰপথাৰ প্ৰাথমিক চিকিৎসালয়খনক ৩০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণৰ প্ৰস্তাৱ বৰ্তমান চৰকাৰৰ হাতত নাই।

**বিষয় ঃ পকী দেৱাল নিৰ্মাণ।**

**শ্ৰী আব্দুল আজিজে সুধিছে ঃ**

২৮৯। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বাৰোৱাৰী, উজানবজাৰ, গুৱাহাটী নিৱাসী শ্ৰী অৰুণ বৰাই (পিতা স্বৰ্গীয় জ্ঞানানন্দ বৰা) যোৱা ২১/৩/২০০৬ ইং তাৰিখে গুৱাহাটী পৌৰ নিগম আয়ুক্ত দিয়া আবেদন নং ৭৮১খনৰ বিষয়বস্তু কি আছিল?

খ) উক্ত আবেদনখনৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে? যদি লোৱা নাই অতিশীঘ্ৰে ব্যৱস্থা ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বাৰোৱাৰী, উজানবজাৰ, গুৱাহাটী নিৱাসী শ্ৰী অৰুণ বৰাই (পিতা-স্বৰ্গীয় জ্ঞানানন্দ বৰা) যোৱা ২১/৩/২০০৬ ইং তাৰিখে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তক দিয়া আবেদন নং ৭৮১ খনৰ বিষয়বস্তু আছিল— 'পট্টা মাটিৰ সীমা ঠেলি জোৰপূৰ্বক বেদখল কৰা।'

খ) উক্ত আবেদনখনৰ ওপৰত গুৱাহাটী পৌৰ নিগমে ব্যৱস্থা ল'ব পৰা নাই, কিয়নো আবেদনখনত বেদখলকাৰীৰ ঠিকনা নাই। আবেদনকাৰীক ঠিকনা জনাবলৈ গুৱাহাটী পৌৰ নিগমৰ ফালৰ পৰা জনোৱা হৈছে। ঠিকনা পালে ৰাজহ বিভাগৰ লগত যোগাযোগ কৰি আইন অনুযায়ী ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ মেডিকেল ৰিস্বাৰ্চমেণ্টৰ বিল।**

**শ্ৰী গুণীন্দ্ৰ নাথ দাসে সুধিছে ঃ**

২৯০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰকাৰী চাকৰিয়ালে Medical Re-imbursement কাৰণে Bill জমা দিয়াৰ কিমান দিনৰ ভিতৰত তেওঁলোকৰ বিলৰ টকা আদায় পাব লাগে।

খ) Medical Re-imbursement ৰ কিমান File Pending হৈ আছে?

গ) গোটেই প্ৰক্ৰিয়াটো সবলীকৰণৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) স্বাস্থ্য বিভাগে চৰকাৰী চাকৰিয়ালৰ Medical Re-imbursement ৰ বাবদ বিলৰ টকা আদায় নিদিয়ে। এনেধৰণৰ বিলসমূহ Assam Medical Attendent Rule, 1976ৰ নিয়ম অনুযায়ী পৰীক্ষা-নিৰীক্ষা কৰি আদায় পাবলগীয়া ধনৰ পৰিমাণ সম্বন্ধে অনুমোদন কৰে। সেই অনুযায়ী সংশ্লিষ্ট

বিভাগে পুঁজি সাপেক্ষে Bill সমূহ আদায় দিব লাগে। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা নাই।

খ) বৰ্তমান ৬২৬টা ফাইল Pending অৱস্থাত আছে।

গ) Assam Medical Attendent Rule, 1976ৰ বিধি ব্যৱস্থাসমূহ সবলীকৰণৰ বাবে পৰীক্ষা কৰি থকা হৈছে।

**বিষয় ঃ ANM নিযুক্তি।**

**শ্ৰী দুৰ্গা ভূমিজে সুধিছে ঃ**

২৯১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৱা চৰকাৰৰ কাৰ্য্যকালত ২২গৰাকী চাহ জনগোষ্ঠীৰ (ANM) নাৰ্ছৰ নিযুক্তিৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, কি কাৰণত এই ২২গৰাকী নাৰ্ছক চৰকাৰী নিযুক্তি দিয়া নহ'ল?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ANM নিযুক্তিৰ ক্ষেত্ৰত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অন্তৰ্বৰ্তীকালীন নিৰ্দেশনা (Interiom order) থকাত কোনো ANM নিযুক্তি দিব পৰা হোৱা নাই।

**Sub : Construction of Air Conditioned Morgues**

**Shri Ananta Deka asked :**

292. Will the Minister of Health & Family Welfare be pleased to state :

a) It is a fact that most of the Morgues of the Medical Colleges and Govt. Hospitals of the State are not Air-Conditioned and running without ice-chambers to preserve dead bodies up to a certain period?

b) Is it also a fact that post-Mortem in the hospitals are done by lethal weapons in most unhygenic condition?

c) If so, will the Govt. take immediate steps to construct Air-Conditioned Morgues having ice-chambers and import

training to the concerned employees to use modern weapons so as to introduce modern method of post-Mortem in all the Medical Colleges of the State and Govt. run hospitals?

**Dr. Himanta Biswa Sarma** (Minister, Health & Family Welfare Department) replied :

a) The Di-section Hall of Mortuary at Gauhati Medical College Hospital is Air-Conditioned. There is no facilities for cold storage. In Assam Medical College and Hospital the mortuary is not Air-Conditioned, of course two Cadaver refrigerator with capacity to preserve 6 (4+2) Dead Bodies were installed in the newly constructed morgue. In Silchar Medical College & Hospital there are two number of Mortuary cabinets that can accomodate 4 (four) dead bodies for preservation in Air-Conditioned atmosphere.

There is no AC Morgues and ice-chambers in Govt. Hospitals.

b) The post mortem examination in all the Medical College Hospitals are done with standard conventional instruments. However there is no modern skull opening instrument in Gauhati Medical College Hospital and electrical autopsy saw in Assam Medical College Hospital for post mortem examination.

Proper Hygienic measures are maintained while doing post mortem examinations in the Medical College Hospitals of Assam.

In other Govt. Hospitals standard conventional instruments are used maintaining hygenic measures in

doing post Mortem examination.

c) In Assam Medical College construction of modern morgue under project HOPE will be completed shortly.

The proposal for modernisation of the existing morgues in the Medical College Hospitals and other Govt. Hospitals is under priority list to be implemented under award of 12th Finance Commissions.

The employees would be trained to use the modern equipments as soon as these facilities are available.

**Sub : Tourist Centre.**

**Shri Mission Ranjan Das asked :**

293. Will the Minister of Tourism be pleased to state :

a) Whether the Govt. will consider to take Karimganj Natia Khal in Karimganj Town as Tourist Centre and develop it for tourist attraction?

b) If so, when?

c) If not, state reasons thereof?

**Shri Rockybul Hussain** (Minister of Tourism ) replied :

a) Tourism Department has not taken up any project proposal for the Karimganj Natia Khal in Karimganj Town for its development as tourist centre for tourist attraction.

b) A suitable proposal may be taken up later after detailed survey/study etc. for inclusion under state plan on central Financial assistance.

c) Does not arise.

বিষয় ঃ বন্দাপাৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণ।

শ্ৰী জ্যোতি প্ৰসাদ দাসে সুধিছে ঃ

২৯৪। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত বন্দাপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখন কোন চনত নিৰ্মাণ আৰম্ভ কৰা হৈছিল?

খ) এই কেন্দ্ৰটো নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ বাকী আছে নেকি? যদি বাকী আছে, তেনেহ'লে নিৰ্মাণ কাৰ্য্য কেতিয়াৰ পৰা আকৌ আৰম্ভ কৰিব?

গ) নিৰ্মাণ কাৰ্য্য শেষ কৰি ৰাইজৰ বাবে মুকলি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ইং ২০০১ চনত বন্দাপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখনৰ কাম আৰম্ভ কৰা হৈছিল।

খ) স্বাস্থ্য কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হৈছে।

গ) নতুন পদ সৃষ্টিৰ বাবে মঞ্জুৰী নথকা এনে ধৰণৰ স্বাস্থ্য কেন্দ্ৰসমূহ ৰাইজৰ বাবে মুকলি কৰিব পৰা হোৱা নাই।

**Sub : Nurse Training Centre.**

**Shri Kartik Sena Sinha asked :**

295. Will the Minister of Health & Family Welfare be pleased to state :

a) Whether the Government will complete half-done Nurse Training Centre at Narayanpur (Patharkandi) under Karimganj District?

b) If so, when the work will start?

c) What is the reasons for non-completion of the above training centre?

**Dr. Himanta Biswa Sarma** (Minister of Health & Family Welfare) replied :

a) There is no Nurse Training Centre either proposed or half-one at Narayanpur (Patharkandi) under Karimganj District. The only Nurses Training Centre is attached to

Karimganj Civil Hospital.

b) Does not arise.

c) Does not arise.

**বিষয় ঃ স্বাস্থ্য আৰু উপ-স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা।**

**শ্ৰী কেশৱ মহন্তই সুধিছে ঃ**

২৯৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কলিয়াবৰ বিধানসভা সমষ্টিত কিমানটা স্বাস্থ্য আৰু উপ-স্বাস্থ্য কেন্দ্ৰ আছে? চৰকাৰী নীতি অনুসৰি এই স্বাস্থ্য কেন্দ্ৰসমূহত কিমানজন চিকিৎসক আৰু কৰ্মচাৰী থাকিব লাগে? (প্ৰতিখন স্বাস্থ্য কেন্দ্ৰৰ বিপৰীতে বিতংকৈ জনাব)

খ) উক্ত স্বাস্থ্য কেন্দ্ৰসমূহৰ কোনকেইখন চিকিৎসক আৰু কৰ্মচাৰীবিহীনভাৱে চলি আছে? খালী হৈ থকা উক্ত পদসমূহ বদলিকৰণ আৰু নিযুক্তিৰ জৰিয়তে কিমান দিনৰ ভিতৰত পূৰণ কৰিব?

গ) বৰ্তমানৰ চৰকাৰী স্বাস্থ্য কেন্দ্ৰসমূহে ঢুকি নোপোৱা অঞ্চলসমূহৰ বাবে ভৱিষ্যতে নতুন স্বাস্থ্য কেন্দ্ৰ স্থাপন নোহোৱালৈকে উপ-স্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক প্ৰেৰণ কৰাৰ কিবা আঁচনি আছেনে?

ঘ) কলিয়াবৰ সমষ্টিত ২০০৬ চনৰ বৰ্তমানলৈকে মেলেৰীয়া ৰোগত কিমানজনে মৃত্যুমুখত পৰে? (মৃতকৰ নামসহ বিতং তথ্য দিব) চৰকাৰী চিকিৎসাৰ অভাৱত মৃত্যুবৰণ কৰা এইসকলৰ পৰিয়ালক চৰকাৰে কিবা সাহায্য দিয়াৰ আঁচনি লৈছেনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ১৫টা স্বাস্থ্য কেন্দ্ৰ আৰু ৩৬টা উপ-স্বাস্থ্য কেন্দ্ৰ আছে। চৰকাৰী বিধি অনুসৰি স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক তথা অন্যান্য কৰ্মচাৰী নিয়োজিত হৈ আছে। (বিতং তথ্য গাঁঠি দিয়া হ'ল) (See Annexure-XIII)

খ) উপ-স্বাস্থ্য কেন্দ্ৰসমূহত কোনো চিকিৎসকৰ পদ নাই। কিন্তু স্বাস্থ্য উপ-কেন্দ্ৰসমূহত নাৰ্ছ আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মীৰ দ্বাৰাই কাম চলোৱা হয়।

গ) স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰই ঢুকি নোপোৱা অঞ্চলসমূহত ওচৰৰ

স্বাস্থ্য কেন্দ্র তথা স্বাস্থ্য উপ-কেন্দ্ৰৰ বিভাগীয় কৰ্মীৰ দ্বাৰা স্বাস্থ্য সেৱাৰ কাম চলাই থকা হৈছে।

ঘ) ২০০৬ চনৰ বৰ্তমানলৈকে মেলেৰীয়া ৰোগত ২(দুজন) লোকৰ মৃত্যু হৈছে। মৃত ৰোগী দুজনৰ এজন নাম—

(১) উৰ্মিলা ভূমিজ, পিতা- গকুল ভূমিজ, বয়স-৮ বছৰ, গাঁও- হাট বাগান নিজৰি গাঁও।

(২) মৰমী গঞ্জু, পিতা- সুখিৰাম গঞ্জু, বয়স-১৮ বছৰ, গাঁও-চিকনি বাগান। মৃত ব্যক্তিসকলৰ চৰকাৰী চিকিৎসাৰ অভাৱত মৃত্যু হোৱা নাই। সেয়েহে চৰকাৰী সাহায্য দিয়াৰ প্ৰশ্ন নুঠে।

**বিষয় ঃ ফাৰ্মৰ উন্নয়ন।**

**শ্ৰী অনুপ ফুকনে সুধিছে ঃ**

২৯৭। মাননীয় হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) টিংখং সমষ্টিক টিংখং মুগা চোমনি; মাহমৰা মুগা চোমনি দুখনৰ দুৰৱস্থাৰ সম্পৰ্কে আৰু তিনিঠেঙীয়া নুনি ফাৰ্মৰ ধ্বংসপ্ৰাপ্ত সম্পৰ্কে চৰকাৰ জ্ঞাত নে? যদি জ্ঞাত উক্ত চোমনি দুখনৰ উন্নতিকল্পে আৰু নুনি ফাৰ্মখনৰ উদ্ধাৰৰ বাবে ব্যৱস্থা ল'বনে?

খ) টিংখং সমষ্টিত কিমানখন পূৰ্ণ কাৰ্য্যক্ষম বোৱা-কটা সমবায় সমিতি আছে আৰু ইয়াৰে কিমানখন অকাৰ্য্যক্ষম সমিতি আছে? (নাম, ঠিকনাসহ সম্পূৰ্ণ তালিকা দিব)। এই সমবায় সমিতিসমূহৰ অকাৰ্য্যক্ষম কেন্দ্ৰসমূহৰ উন্নতিকল্পে কিবা ব্যৱস্থা ল'বনে?

গ) টিংখং সমষ্টিৰ বোৱা-কটা সমবায় সমিতিসমূহলৈ চৰকাৰে কিমান টকা আবণ্টন দিছে? (টকাৰ পৰিমাণসহ সমিতিৰ নাম-ঠিকনাৰ লগতে উপভোক্তাৰ নামসহ বিতং তথ্য সদনৰ মেজত দিব)

**শ্ৰী প্ৰণৱ গগৈ, (হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) টিংখং মুগা চোমনি, মাহমৰা মুগা চোমনি আৰু তিনিঠেঙীয়া নুনি ফাৰ্মখনৰ উন্নতি নোহোৱা সম্পৰ্কে বিভাগ জ্ঞাত।

যাৱতীয় পুঁজিৰ অভাৱত উক্ত ফাৰ্মৰ উন্নতিকৰণ কৰিব পৰা হোৱা নাই। পুঁজি যোগান সাপেক্ষে উন্নতিকৰণৰ ব্যৱস্থা কৰিব পৰা হ'ব।

খ) টিংখং সমষ্টিত মুঠ ৯খন বোৱা-কটা সমবায় সমিতি আছে। ইয়াৰ ভিতৰত ৭খন পূৰ্ণ কাৰ্য্যক্ষম সমিতি আৰু ২খন অকাৰ্য্যক্ষম সমিতি আছে।

নাম, ঠিকনাসহ সম্পূৰ্ণ তালিকা সংযোজিত প্ৰ-পত্ৰ 'ক'ত দেখুওৱা হ'ল। (See Annexure - XIV)

এই অকাৰ্য্যক্ষম সমবায় সমিতি ২খনৰ অংশীদাৰসকলৰ মাজৰ পৰা সমবায় সমিতিৰ বিধি অনুসৰি ৭জন সদস্যৰ এখনকৈ তদৰ্থ সমিতি গঠন কৰি দি ৯০ দিনৰ ভিতৰত সাধাৰণ সভা অনুষ্ঠিত কৰি পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হৈছে।

গ) টিংখং সমষ্টিৰ ২খন বোৱা-কটা সমবায় সমিতিলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ দ্বাৰা সমন্বিত প্ৰকল্প আঁচনিৰ জৰিয়তে ৰূপায়ণ কৰিবলৈ টকা আবণ্টন দিছে। টকাৰ পৰিমাণসহ সমিতিৰ নাম তলত উল্লেখ কৰা হ'ল।

| সমিতিৰ নাম | আঁচনি | অনুমোদিত প্ৰকল্প মূল্য | চৰকাৰে মোকোলাই দিয়া টকাৰ পৰিমাণ। |
|---|---|---|---|
| (১) বুঢ়ীখোৱাং অসীম বয়ন সমবায় সমিতি লিঃ | সমন্বিত প্ৰকল্প আঁচনি ১৯৯৭-৯৮ | ১৫.৩০ লাখ | ১০.২৫ লাখ |
| (২) কলৌলোৱা শিল্প সমবায় সমিতি লিঃ | সমন্বিত প্ৰকল্প আঁচনি ১৯৯৮-৯৯ | ৮.৮০ লাখ | ২.৭০ লাখ |

উপভোক্তাৰ তালিকা সংযোজিত প্ৰ-পত্ৰ 'খ' আৰু 'গ' দেখুওৱা হ'ল। (See Annexure - XV)

**বিষয় ঃ কাৰ্বন ফেক্টৰীৰ অনুমতি।**

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

২৯৮। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চাবুৱা সমষ্টিৰ অন্তৰ্গত সৰ্বানন্দ সিংহ ষ্টেডিয়ামৰ কাষত এক জনবসতিপূৰ্ণ অঞ্চলত স্থাপিত কাৰ্বন ফেক্টৰীটোৰ বিৰুদ্ধে ৰাইজৰ অভিযোগৰ বিষয়ে চৰকাৰ অৱগতনে?

খ) যদি অৱগত, তেন্তে এই ফেক্টৰীটো এই স্থানত কোনে কি ভিত্তিত স্থাপন কৰিবলৈ অনুমতি দিলে আৰু এই অনুমতি নীতি অনুসাৰে হৈছেনে? এই ফেক্টৰীটোৰ দ্বাৰা পাৰিপাৰ্শ্বিকতা প্ৰদূষিত হোৱাৰ আশংকা থকাৰ উপৰিও ভৱিষ্যতে ভূপালৰ দৰে কোনো দুৰ্ঘটনা হোৱাৰ আশংকা আছেনে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

**শ্ৰী ৰকিবুল হুছেইন** (পৰিৱেশ ও বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ কাৰ্বনক কেলচাইন পেট্ৰ'লিয়াম কো'ক উদ্যোগ স্থাপন কৰিবলৈ ২৫-০১-২০০৬ তাৰিখে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ দ্বাৰা অনুমতি প্ৰদান কৰা হয়।

খ) এই উদ্যোগৰ অনুমতি প্ৰদান পত্ৰত প্ৰদূষণ নিয়ন্ত্ৰণৰ অন্তৰ্গত নীতি-নিৰ্দেশনাৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

প্ৰদূষণ নিয়ন্ত্ৰণৰ সংজ্ঞাসমূহ সঠিকভাৱে চলি থাকিলে পৰিৱেশৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ পৰাৰ সম্ভাৱনা কম। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে নিৰ্গত বায়ুৰ নমুনা পৰীক্ষা কৰি কণিকা জাতীয় পদাৰ্থ (Particulate Matter) ৰ পৰিমাণ নিৰ্দ্ধাৰিত মানৰ ভিতৰত পাইছে।

এই সম্পৰ্কত মাননীয় উচ্চ ন্যায়ালয়ত বুজ কৰা গোচৰ নং (পি. আই. এল. ১৬/২০০৬)ৰ ওপৰত (ইং ১২-৫-০৬ তাৰিখে) মাননীয় উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশনা লগত গাঁঠি দিয়া হ'ল। (See Annexure - XVI)

**বিষয় ঃ চিকিৎসালয় শ্ৰেণীভুক্তকৰণ।**

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

২৯৯। মানীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ডিগবৈৰ ২৫খন বিছনাযুক্ত চিভিল হস্পিতালখন চৰকাৰৰ কোন শ্ৰেণীভুক্ত চিকিৎসালয় হয়?

খ) চিকিৎসালয়খন চি, এইচ, চি (C.H.C.) পৰ্য্যায়লৈ উন্নত কৰিবলৈ কি কি ব্যৱস্থা পূৰণ কৰিব লাগে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বিভাগীয় তথ্য মতে ডিগবৈ চিকিৎসালয় (Subsidiary Health Centre)খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰ্য্যায়ৰ চিকিৎসালয়।

খ) (১) একলাখ বিশ হাজাৰ জনসংখ্যাক সামৰি এখন সামূহিক স্বাস্থ্যকেন্দ্ৰ (C.H.C.) স্থাপন কৰাৰ ব্যৱস্থা আছে। অৱশ্যে এইক্ষেত্ৰত বিত্ত বিভাগৰ অনুমোদন লাগিব।

(২) এখন সামূহিক স্বাস্থ্যকেন্দ্ৰ (C.H.C.)ৰ জৰিয়তে মুঠ চাৰিখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (P.H.C.) অঞ্চলৰ জনসাধাৰণক উন্নত চিকিৎসা সেৱা প্ৰদান কৰাৰ ব্যৱস্থা আছে।

**বিষয় ঃ মেলেৰীয়া ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা।**

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

৩০০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নতুন চৰকাৰ গঠন হোৱাৰ পিছৰ পৰা অসমত মেলেৰীয়া ৰোগত কিমানসংখ্যাক লোক মৃত্যুমুখত পৰিছে? (জিলা ভিত্তিত মৃতকৰ সংখ্যা, নাম সহকাৰে প্ৰকাশ কৰিব)

খ) চৰকাৰে মৃত্যুবৰণ কৰা লোকসকলৰ নিকট আত্মীয়লৈ কিবা আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে নেকি?

গ) চৰকাৰে এতিয়ালৈ কিমান গাঁৱত DDT ছটিওৱা কাম সম্পন্ন কৰিছে? (জিলা ভিত্তিত তথ্য দিব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা** (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নতুন চৰকাৰ গঠন হোৱাৰ পিছৰ পৰা অসমত মেলেৰীয়া ৰোগত মুঠ ৯২জন লোকৰ মৃত্যু হৈছে। (সম্পূৰ্ণ তালিকা বিভাগে পোৱা নাই)।

খ) মেলেৰীয়া ৰোগত মৃত্যু হোৱা লোকসকলৰ নিকট আত্মীয়লৈ আৰ্থিক সাহায্য দিয়াৰ বাবে বৰ্তমানলৈকে ব্যৱস্থা লোৱা নাই।

গ) গোটেই ৰাজ্যখনতে আটাইকেখন জিলা সামৰি ১৩ নিযুত লোকৰ বাবে ২(দুটা) ৰাউণ্ডত ডি. ডি. টি. দিয়াৰ ব্যৱস্থা কৰা হৈছে। ২য় ৰাউণ্ড ১৫ জুলাইৰ পৰা ৭৫ দিনৰ বাবে আৰম্ভ কৰা হৈছে আৰু তেতিয়া গাঁওসমূহৰ

সঠিক তথ্য দাঙি ধৰিব পৰা যাব। বৰ্তমানলৈ ৯২৫৭খ গাঁৱত ডি. ডি. টি. ছটিওৱা হৈছে।

(The House then offered congralution to the Minister, Health and Family Welfare, Shri Himanta Biswa Sarma for obtaining P.hd. degree.)

## VOTING ON DEMANDS FOR GRANTS

**Mr. Speaker :** ... Now, Item No. 2, Grant No. 29 on Medical and Public Health. Hon'ble Minister, Dr. Himanta Biswa Sarma to move.

**Dr. Himanta Biswa Sarma** (Minister, Health) : On the recommendation of the Governor of Assam, I beg sir, to move that a sum of Rs. 96558.58 Lakh be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 2007 including the sum already spent out of the sum authorised by the Assam Appropriation (Vote on Account) Act, 2006 for the administration of "Medical and Public Health".

**Mr. Speaker :** There are as many as 7 Cut Motions stands in the name of Hon'ble Members :

1. Dr. Kamala Kanta Kalita
2. Shri Pranab Kalita
3. Shri Joseph Toppo

Dr. Manoranjan Das

Shri Keshab Mahanta

Shri Abdul Aziz

Shri Binod Gowala

Shri Hiren Kumar Das

Smti. Sushila Hazarika

Dr. Alaka Sarma

Shri Anup Phukan

Shri Gunindra Nath Das

Shri Jyoti Prasad Das

Shri Ramendra Narayan Kalita

4. Shri Ananta Deka

Shri Uddhab Barman.

5. Md. Mohibul Haque

6. Shri Mission Ranjan Das

Shri Ranjit Dutta

Shri Prasanta Phukan

Shri Sambhu Sing Mallah

Shri Sushil Dutta

Shri Kartik Sena Sinha

Shri Rameswar Teli

Dr. Rumi Nath

Shri Parimal Suklabaidya

Shri Abhijit Hazarika

7. Shri Badruddin Ajmal

Dr. Aditya Langthasa

Shri Ataur Rahman Mazarbhuya

Shri Anwarul Haque

Shri Hafiz Bashir Ahmed

Haji Salimuddin Barbhuiya

Shri Mubarak Ali Pathan

Shri Guneswar Das

Shri Rasul Hoque

Now, Hon'ble Member, Dr. Kamala Kanta Kalita to raise his Cut Motion.

**Dr. Kamala Kanta Kalita :** Sir, I beg to move that the total provision of Rs. 96558.58 Lakh under Grant No. 29 in respect of "Medical and Public Health" at pages 4-137 of Volume II, Part VI of the Budget for 2006-2007 be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 96558.58 Lakh do stand reduced to Re. 1.00.

**Mr. Speaker :** I, Now, request Dr. Kamala Kanta Kalita to start–

* **ডাঃ কমলা কান্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই পৱিত্ৰ সদনত স্বাস্থ্য আৰু জনস্বাস্থ্য শিতানৰ যি বাজেট আৰু তাৰ ওপৰত যিটো গ্ৰাণ্ট আহিছে তাৰ কাৰণে কৰ্তন প্ৰস্তাৱ আনিছো কথাখিনি খৰছিমাৰি আলোচনা কৰিবৰ বাবে আৰু আমাৰ দৃষ্টিভংগীসমূহ প্ৰকাশ কৰিবৰ কাৰণে। এইটো বাজেটক হাৰ্ট কৰিবৰ কাৰণে নহয়। বাজেট বৃদ্ধি হ'লে আমি ভালহে পাওঁ। কিন্তু নীতিগতভাৱে কথাবিলাক দৃষ্টিগোচৰ্ কৰাৰ কাৰণে এই কৰ্তন প্ৰস্তাৱ আনিছো আৰু মই এইখিনিতে কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। প্ৰথম কথা হ'ল— আজিৰ দিনত মেটাৰনেল হেল্‌থ, চাইল্ড হেল্‌থ আৰু মেণ্টেল হেল্‌থ এই কিটা অতি প্ৰয়োজনীয় বিষয়। তাৰ ভিতৰত আটাইতকৈ গুৰুতৰ হ'ল মানসিক ৰোগ। আজি মানসিক ষ্ট্ৰেচ আৰু ষ্ট্ৰেইনৰ কাৰণে এই সময়ত ৰাজ্যখনত মানসিক ৰোগ অতি বৃদ্ধি হৈছে। আৰু এইখিনি সময়তে আমাৰ অসমৰ একমাত্ৰ মানসিক চিকিৎসালয়খন যিখন তেজপুৰত অৱস্থিত, সেইখনত চিকিৎসা কৰাৰ যি ব্যৱস্থা আছে সেইখিনিয়েই তাহানিৰ পৰাই

* Speech not corrected

চলি আছে। তাক কোনো ধৰণৰ ডেভেলাপমেণ্টৰ ব্যৱস্থা কৰি মানুহক সুচিকিৎসা দিয়াৰ ব্যৱস্থা আজিকোপতি কৰিব নোৱাৰিলে। উচ্চ ন্যায়ালয়ৰ এটা পাব্লিক লিটিগেশ্যন কেচত ন্যায়ালয়ে এই চিকিৎসালয়খনত পঞ্জীয়ন কৰি সেই নিৰ্দেশমৰ্মে চলাবলৈ নিৰ্দেশ দিছিল। সেই তেতিয়াৰ পৰা এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশ চেয়াৰমেন কৰি এখন কমিটী কৰি দিয়া হৈছিল আৰু তেতিয়াৰ পৰাই এই কমিটীৰ দ্বাৰাই এই চিকিৎসালয়খন পৰিচালিত হৈ আহিছে। কিন্তু কি কাৰণত নাজানো এই চিকিৎসালয়খনৰ চিকিৎসা সেৱাৰ সকলো ধৰণৰ সা-সুবিধাৰ পৰা ক্ৰমশঃ হ্ৰাস হৈ এনেকুৱা অৱস্থা হৈ পৰিছে যে অত্যাধুনিক চিকিৎসা সেৱাতো বাদেই, চিকিৎসাৰ ব্যৱস্থাও প্ৰায় অচল হৈ পৰিছে। এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়েও অনুদান দিয়া বন্ধ কৰি দিছে। এতিয়া এনে এটা অৱস্থা হৈছেগৈ যে তাত যিসকল কৰ্মচাৰী আছে সেই কৰ্মচাৰীসকল এতিয়া দৰমহাৰ পৰাও বঞ্চিত হ'ব লগা হৈছে। সেয়ে নিৰুপায় কৰ্মচাৰীসকলে উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। এসময়ত এই হস্পিতালখনৰ দায়িত্ব এন ই চিৰ ওপৰত দিয়া হৈছিল আৰু তেতিয়াৰ পৰা এই সকলো কাম-কাজ এন ই চিয়ে কৰিছিল। ৰাজ্য চৰকাৰৰ তাত শ্বেয়াৰ নাছিল। এন ই চিয়েহে ব্যৱস্থা কৰিব লাগিছিল।

মই এইখিনিতে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰো যে এই আমাৰ একমাত্ৰ মানসিক চিকিৎসালয়খনেই অসমৰ মানুহৰ মানসিক চিকিৎসাৰ একমাত্ৰ কেন্দ্ৰ ইয়াতো যদি এনে অৱস্থা হয়, তেতিয়াহ'লে আমাৰ কি অৱস্থা হ'ব? আমাৰ আজি অসমৰ মানসিক ৰোগ বিশেষজ্ঞৰ অভাৱ। আমি ভাল চাইকোষ্ট্ৰিষ্ট তাত নিয়োগ কৰিব নোৱাৰো তেনেহ'লে চিকিৎসা হ'ব কেনেকৈ? আজি এই অচলাৱস্থাটোৰ বিষয়ে তৎক্ষণাত জৰুৰী ব্যৱস্থা ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এই বিষয়টোকেই মই প্ৰথমেই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। দ্বিতীয় কথাটো হ'ল, আজি আমাৰ লগতে সদনৰ সকলো সদস্য আনকি মন্ত্ৰী মহোদয়ো নিশ্চয় এই কথাত উদ্বিগ্ন যে আজি ৰাজ্যখনত যি ধৰণে মেলেৰীয়াই মহামাৰী ৰূপ লৈছে সি অতি ভয়াৱহ। কিন্তু আজিলৈ মেলেৰীয়া নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই। আজি মেলেৰীয়াই সংহাৰী ৰূপ লৈছে। চৰকাৰে এইক্ষেত্ৰত কি ব্যৱস্থা লৈছে নাজানো। আমি দেখিছো ঔষধৰ অভাৱত আৰু ডাক্তৰৰ অভাৱত বহুতো মানুহ মৃত্যুৰ মুখত

পৰিছে। কাৰণ চৰকাৰৰ ফালৰ পৰা আগতীয়াকৈ কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাছিল। এইক্ষেত্ৰত গোটেই বিষয়টো চালি-জাৰি চোৱাৰ বাবে অৱসৰপ্ৰাপ্ত মুখ্য সচিব শ্ৰী হৰেন দাসদেৱৰ অধ্যক্ষতাত এখন পৰিচালনা সমিতি কৰি দিয়া হৈছিল। তেওঁলোকৰ কি প্ৰতিবেদন আহিল তাত কি কি পৰামৰ্শ আদি তেওঁলোকে দিলে সেই বিষয়ে আমি একো নাজানিলো। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিব বিচাৰো যে শ্ৰী হৰেন দাসদেৱে কি কি পৰামৰ্শ দিলে বা কি প্ৰতিবেদন এইক্ষেত্ৰত দাখিল কৰিলে সদনত ইয়াৰ ওপৰত তথ্য দাঙি ধৰি আমাক জ্ঞাত কৰাব।

আজি মাননীয় মন্ত্ৰী মহোদয়ে মেলেৰীয়া ৰোগৰ সম্পৰ্কত সোধা প্ৰশ্নৰ উত্তৰত আমাৰ ৰাজ্যখনত ২৬৮জন লোক মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰা বুলি কৈছে। এই তথ্যটো যে আচল তথ্য নহয় এইটো মাননীয় মন্ত্ৰী মহোদয়েও জানে। মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে বুলি ডিক্লেয়াৰেচন দিয়াৰ পিছত আৰু হস্পিতালত যিসকল মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছে তেওঁলোককহে ইয়াত ধৰা হৈছে। কিন্তু অন্য বহুত ঠাইত বহুতো লোকৰ মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছে। সেইসকলক কিন্তু ইয়াত ধৰা হোৱা নাই। বকোৰ ওচৰত গামেৰিমুৰা বুলি এটা অঞ্চল আছে। তাৰ ১১জন শিশু বকো পি, এইচ, চিত জুলাই মাহৰ ১ তাৰিখৰ পৰা ১১ তাৰিখলৈকে মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে। এই শিশুসকলৰ বয়স ডেৰ বছৰৰ পৰা ৫/৬ বছৰৰ ভিতৰত। মৃত শিশুবিলাকৰ নাম আৰু বয়স হৈছে ঁ সুৰ কাঞ্চী বয়স ডেৰ বছৰ, ঁজুৰিনা ৰাভা বয়স ৫ বছৰ, ঁ বনজিৎ ৰাভা বয়স ডেৰ বছৰ, নিটেশ ৰাভা বয়স ৩ বছৰ, ঁ মনোহৰ ৰাভা বয়স ৩ বছৰ, ঁনিৰলা ৰাভা বয়স ডেৰ বছৰ, ঁ লেছেকী চাংমা বয়স ৩ বছৰ, বযলাৰ ৰাভা বয়স ৫ বছৰ, ঁ বৃষজ্যোতি ৰাভা বয়স ৩ বছৰ, ঁ গোবিন্দ পাবেল বয়স ৬ বছৰ, সুৰজিৎ ৰাভা বয়স ২ বছৰ ৩ মাহ। গামেৰিমুৰা অঞ্চলৰ এই শিশুসকল ১ জুলাই তাৰিখৰ পৰা ১১ জুলাই তাৰিখলৈ মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। গতিকে আমাৰ ৰাজ্যখনত মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ কিমান মানুহ মৃত্যুমুখত পৰিছে তাক নিশ্চয় সহজে অনুমান কৰিব পাৰি। মেলেৰীয়া ৰোগ আমাৰ ৰাজ্যখনত সংহাৰ ৰূপ ধাৰণ কৰিছে আৰু তাণ্ডৱ অৱস্থাৰ সৃষ্টি কৰিছে। আগতেও

মেলেৰীয়া ৰোগ হৈছিল। কিন্তু মই ভাবো এইবাৰৰ দৰে আগতে এনে ভয়াৱহ অৱস্থাৰ সৃষ্টি হোৱা নাছিল। মাননীয় মন্ত্ৰী মহোদয়ে যদি যুদ্ধকালীন তৎপৰতাৰে মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে চিকিৎসালয়সমূহত চিকিৎসা কৰিবৰ কাৰণে সম্পূৰ্ণ সুবিধা কৰি দিয়াৰ ব্যৱস্থা নলয়, তেতিয়াহ'লে আকৌ ভয়াৱহ অৱস্থাৰ সৃষ্টি হ'ব। আমাৰ ৰাজ্যখনত যিবিলাক পি, এইচ, চি, চি, এইচ, চি আদি হস্পিতাল আছে তাত এই ৰোগৰ চিকিৎসাৰ কাৰণে মেডিকেল ট্ৰিটমেণ্ট দিয়াৰ ব্যৱস্থা নাই। তাত ৰোগীসকলক প্লাজমা ক্লোৰোফৰ্মহে দিয়া হয়। এইবাৰ যিমান মেলেৰীয়া ৰোগত মানুহ আক্ৰান্ত হৈছে, প্ৰায়বিলাকেই চেলিব্ৰিয়েল মেলেৰীয়া ৰোগত আক্ৰান্ত হৈছে। এই ৰোগত আক্ৰান্ত হ'লে মানুহে ইমিডিয়েটলি মৃত্যুমুখত পৰিবলগীয়া হয়। এটা অঞ্চলতেই যদি ১১জন শিশু মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছে, তেতিয়াহ'লে গোটেই অসমত বহুত শিশু আৰু বহুত মানুহ মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিবলগীয়া হৈছে। সেই পৰিস্থিতি যুদ্ধকালীনভাৱে নিয়ন্ত্ৰণ কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত যদি সঠিকভাৱে পদক্ষেপ আৰু দায়িত্ব লয় তেতিয়াহ'লে মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণলৈ আহিব আৰু গাঁৱৰ জনসাধাৰণে মেলেৰীয়া ৰোগৰ পৰা ৰক্ষা পাব। মই মেলেৰীয়া ৰোগ সম্পৰ্কত বিশেষকৈ আৰু কেইটামান কথা ক'ব বিচাৰিছো। আমাৰ স্বাস্থ্য বিভাগত প্ৰায় ৭০০মান চাৰ্ভেলেন্স ওৱৰ্কাৰ পদ খালী হৈ আছে। অৱশ্যে মাননীয় মন্ত্ৰী মহোদয়ে যিটো প্লেন কৰিছে তাৰ কাৰণে মই প্ৰশংসা কৰিছো। তেখেতে যদি মেলেৰীয়া ৰোগীসকলক চিকিৎসা কৰাৰ কাৰণে সঠিকভাৱে সুবিধা কৰি দিয়ে তেতিয়া জনসাধাৰণৰ সহায় হ'ব। প্ৰিভেনটিভ মিজাৰ হিচাপে যদি ডি, ডি, টি ছটিওৱাৰ পৰা হেল্‌থ এডুকেচনলৈকে আগতে ব্যৱস্থা লোৱা নহয় তেতিয়াহ'লে মেলেৰীয়া ৰোগৰ আৱিৰ্ভাৱ হৈ মহামাৰী ৰূপ ধাৰণ কৰিব আৰু এটা তাণ্ডৱ অৱস্থাৰ সৃষ্টি হ'ব। তেতিয়া আৰু নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহ'ব। সেইকাৰণে আগতে এই ৰোগৰ কাৰণে প্ৰিভেনটিভ মিজাৰ ল'ব লাগে। আগতে যি একচন প্লেন লোৱা হৈছিল সেই একচন প্লেন মতে কিয় কাম কৰা নহ'ল? আগতীয়াকৈ ডি, ডি, টি ছটিয়াব লাগিছিল যদিও ছটিওৱা নহ'ল। চাৰ্ভেলেন্স ওৱৰ্কাৰৰ পদবিলাকো ফিল-আপ কৰা নহ'ল।

আগতীয়াকৈ প্ৰিভিনেটিভ মিজাৰ ল'লেহে মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণলৈ আনিব পৰা যাব। এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। তিনিওখন মেডিকেল কলেজত এইবাৰ বিহাৰ, উত্তৰ প্ৰদেশৰ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ যিটো কৌশল সেই সম্পৰ্কে মই অৱগত কৰিব খুজিছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই বিষয়টো ধৰা পেলাইছে। পিছ দুৱাৰেদি পি, আৰ, চি উলিয়াই নামভৰ্তি কৰিব বিচাৰিছে। এইক্ষেত্ৰত পি, আৰ, চি দিয়াৰ পৰা নামভৰ্তি কৰালৈকে যিটো লবী জড়িত হৈ আছে সেই লবীটো উৎঘাটন কৰিব লাগে। ৩০/৩২জন ছাত্ৰৰ নাম বাতিল কৰা হৈছে। কোনোবা দালালৰ জৰিয়তে এনেকুৱা কামবিলাক কৰা হৈছে। এইক্ষেত্ৰত যিসকল লোক জড়িত হৈ আছে সেই লোকসকলৰ ওপৰত যদি দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰা নহয় তেতিয়াহ'লে এই গোটেই বিষয়টো নিয়ন্ত্ৰণ কৰা সম্ভৱপৰ নহ'ব আৰু এডমিচন সংক্ৰান্তত যি খেলিমেলি বা অভিযোগ সেই অভিযোগ সদায় থাকিব। নামভৰ্তিৰ সম্পৰ্কত নাম বাতিল কৰা প্ৰসংগক লৈ যোৱাকালিও অসম চিকিৎসা মহাবিদ্যালয়ত আন্দোলন কৰিছে। তেওঁলোকে আন্দোলন কৰি দাবী কৰিছে যে চিটকেইটা বাতিল কৰিলেই নহ'ব, এই বিষয়ে চি, বি, আইৰ দ্বাৰা থোৰো তদন্ত হ'ব লাগে। এই বিষয়ে চি, বি, আইৰ দ্বাৰা সম্পূৰ্ণ তদন্ত কৰিব লাগে এইটো মইও বিচাৰো। চি, বি, আইৰ দ্বাৰা নহ'লেও অন্য কোনোবাৰ দ্বাৰা হ'লেও এইটো তদন্ত কৰি ধৰা পেলোৱাৰ ব্যৱস্থা কৰিব লাগে। এইক্ষেত্ৰত যিসকল লোক জড়িত হৈ আছে তেওঁলোকক ধৰা পেলাই যদি দৃষ্টান্তমূলকভাৱে শাস্তি দিব পৰা যায় তেতিয়াহ'লে ভৱিষ্যতে এনে ধৰণৰ কাম কৰিবৰ কাৰণে সাহস গোটাব নোৱাৰিব। মই মন্ত্ৰী থাকোতেও এম, বি, বি, এছৰ নামভৰ্তিৰ ক্ষেত্ৰত বহুতো অভিযোগ আহিছিল। তাৰ পিছত হায়াৰ ছেকেণ্ডাৰী কাউন্সিলক দায়িত্ব দিয়া হ'ল। তাতো বহুত অভিযোগ আহিছিল। এইক্ষেত্ৰত কাৰ ওপৰত সম্পূৰ্ণ ন্যাস্ত কৰা যাব। বিশ্ববিদ্যালয়ৰ যিটো নেস্কাচ সেই নেস্কাচ ৰোধ কৰিবৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা ল'ব। আজি পোষ্ট গ্ৰেজুৱেট এডমিচনৰ ক্ষেত্ৰতো বহুতো ল'ৰা-ছোৱালী অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। গাইনোকোলোজি, চাইক্লোষ্টিক আদি বিভাগতো পি, জি, এডমিচনৰ ক্ষেত্ৰত অসুবিধা হৈছে। আমাৰ অসমৰ পঞ্চাশ পাৰ্চেণ্ট পোষ্ট গ্ৰেজুৱেট চিট চেণ্ট্ৰেলে লৈ গৈছে।

মাননীয় অধ্যক্ষ মহাশয়, আমাৰ তিনিওখন মেডিকেল কলেজৰ কাৰণে স্নাতকোত্তৰ পাঠ্যক্রমৰ কাৰণে বেলেগ ৰাজ্যৰ যিটো কোটা আছে সেইটো বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিছো যাতে এইক্ষেত্ৰত এটা দৃঢ় ব্যৱস্থা গ্ৰহণ কৰে। মাননীয় অধ্যক্ষ মহাশয়, বিষয়টো বৰ গুৰুত্বপূৰ্ণ। মই আজি সদনত এই বিষয়ে ক'বলৈ বিচাৰিছো যে তেতিয়াহ'লেহে আমাৰ বহু ছাত্ৰ-ছাত্ৰীয়ে অধিক সুবিধা পাব। মাননীয় অধ্যক্ষ মহাশয়, মাননীয় মন্ত্ৰীয়ে ইতিমধ্যে কৈছে যে ৰাজ্যখনৰ বহু চিকিৎসালয় নিৰ্মাণ কৰা হৈছে যদিও আজি পৰ্যন্ত সেইবিলাক কাৰ্য্যক্ষম কৰিব পৰা হোৱা নাই। এইক্ষেত্ৰত এটা ব্যৱস্থা ল'লে ভাল হয়। আজি বান আক্ৰান্ত অঞ্চলবিলাকত যি পৰিমাণে চিকিৎসা সেৱা থাকিব লাগে, সেই হিচাপে গঢ়ি উঠা নাই। এইক্ষেত্ৰত মাননীয় মন্ত্ৰীয়ে এটা ব্যৱস্থা গ্ৰহণ অতি সোনকালে কৰিব লাগে। আজি বানাক্ৰান্ত অঞ্চলবিলাকত বহু অসুবিধাই আছে যদিও চিকিৎসা সেৱা অতি পিছপৰি আছে। বিভাগীয় মন্ত্ৰীয়ে কমেও সেইবিলাক ঠাইত পি এইচ চি আৰু চি এইচ চি নিৰ্মাণ কৰি তাত ডাঃ-নাৰ্ছ, ফাৰ্মাচিষ্ট আৰু অন্যান্য ষ্টাফ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহাশয়, কেন্দ্ৰীয় চৰকাৰে নেচনেল ৰুৰেল হেল্‌থ মিছনৰ বাবে ৫০০ কোটি টকা আমাৰ ৰাজ্যখনৰ চিকিৎসা সেৱা, উন্নতিৰ কাৰণে দিছে আৰু সেই টকা আমাৰ বিধায়কসকলক বিশ্বাসত লৈ নতুনকৈ পি এইচ চি, চি এইচ চি নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহাশয়, ৫০০ কোটি টকা বহুত কিন্তু টকা যাতে আমাৰ বিধায়কসকলক বিশ্বাসত লৈ কাম কৰে তেতিয়াহ'লে আমাৰ ৰাজ্যখনৰ চিকিৎসা সেৱা বহুখিনি উন্নতি হ'ব বুলি আশা কৰিব পাৰি। আমাৰ যিবিলাক ভেনচাৰ চিকিৎসালয় আছে, সেইবিলাকত পেৰা মেডিকেল ষ্টাফ আৰু ডাক্তৰ দিয়াৰ লগতে অন্যন্য সা-সুবিধাসমূহো দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইক্ষেত্ৰত বিত্ত বিভাগ আৰু পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ লগতে প্ৰশাসনিক অনুমোদনো লোৱাটো নিত্যান্ত বাঞ্ছনীয়। আজি অসমত প্ৰায় ৫০ শতাংশ পি এইচ চি আৰু চি এইচ চিৰ কাম আধৰুৱা হৈ আছে, সেইবিলাক নিৰ্মাণৰ কাম সোনকালে কৰিব লাগে। আমাৰ ৰাজ্যখনত প্ৰায় ৩০/৪০ খনমান পি এইচ চি, চি এইচ চি আছে বোধহয়। মোৰ তাত ঠিক সঠিক হিচাবটো নাই। মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ তাত সেইটো হিচাব

আছে। সেইবিলাক কাম সম্পূৰ্ণৰূপে কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহাশয়, যিবিলাক হস্পিতালত ডাঃ-নাৰ্ছ, ফাৰ্মাচিষ্ট নিয়োগ কৰা হৈছে বা হ'ব সেইবিলাক চেনচেন কৰাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই বিভাগীয় মন্ত্ৰী হৈ থাকোতে এটজাচমেণ্ট কৰোতেই সময় পাৰ হৈ গ'ল আৰু ডাঃ বৰ্মণ ডাঙৰীয়া যোৱা সময়ছোৱাত মন্ত্ৰী আছিল, তেওঁ কি কৰিলে মই নাজানিলো। মই এইক্ষেত্ৰত এইবাৰৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে সেইবিলাক চেনচন কৰাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে যেন। মাননীয় অধ্যক্ষ মহাশয়, আমাৰ গাঁৱৰ যিবিলাক চিকিৎসালয় আছে সেইবিলাক কম দিনৰ ভিতৰতে কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নহ'লে একেবাৰে ভিতৰুৱা গাঁৱৰ মানুহৰ যি শোচনীয় অৱস্থা হৈছে চিকিৎসাৰ ক্ষেত্ৰত সেই কাৰণেই কম দিনৰ ভিতৰতে এই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহাশয়, আজি মই সদনত এটা কথা ক'ব বিচাৰিছো যে আজিৰ সদনত আমি এটা সৰ্বসন্মতক্ৰমে এটা ৰিজলুচন ল'ব লাগে যে যিবিলাক হস্পিতালৰ নিৰ্মাণকাৰ্য্য শেষ হৈছে অথচ চিকিৎসা সেৱা আৰম্ভ হোৱা নাই সেইবিলাক কম দিনৰ ভিতৰতে কৰিব লাগে বুলি আজিৰ সদনত এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহাশয়, মোৰ ভাষণ আৰু দীঘলীয়া কৰিব খোজা নাই। কাৰণ মোৰ পিছত কেইবাজনো বক্তা আছে। শেষত এটা কথা ক'ব বিচাৰিছো যে আমাৰ যি ঔষধ ক্ৰয় কৰাৰ ব্যৱস্থা সেইটো সাল-সলনি কৰিব লাগে আৰু যিটো ঔষধ পৰীক্ষা কৰা পীৰক্ষাগাৰ আছে সেইটো অকণমান হ'লেও সলনি কৰাৰ ব্যৱস্থা চৰকাৰে কৰিলে ভাল হয়। আমাৰ যিটো কেন্দ্ৰীয় লেব'ৰেটৰী আছে সেইটো পৰিৱৰ্তন কৰাৰ সময় আহি পৰিছে। ঔষধ পৰীক্ষা কৰোতে যিটো কোম্পেনীৰ পৰা ঔষধ ক্ৰয় কৰা হয়, তালৈ টেলিফোন কৰি মাতি দিয়া হয়।

**(Hon'ble Speaker vacated th Chair and Madam Deputy Speaker occupied the Chair)**

মাননীয়া উপাধ্যক্ষা মহাশয়া, ঔষধ পৰীক্ষা কিদৰে কৰা হয় সেইটো নিশ্চয় মাননীয় সদস্যসকলক নক'লেও হ'ব। গতিকে এইক্ষেত্ৰত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই এটা ব্যৱস্থা গ্ৰহণ কৰাটো ভাল। আমাৰ যেনেকৈ খাদ্য পৰিদৰ্শক আছে, খাদ্য পৰীক্ষা কৰাৰ ব্যৱস্থা আছে, ঠিক তেনেকৈ কৰাটো

আমাৰ কাৰণে ভাল। কাৰণ দেখা গৈছে যে ৰোগীয়ে ঔষধ খোৱাৰ পিছতো অসুখ ভাল নাপায়। ইয়াৰ কাৰণ হৈছে যে নিম্নমানৰ ঔষধ ক্ৰয়। গতিকে এই গোটেই কথাবিলাক ভালদৰে বিবেচনা কৰি এটা বিহিত ব্যৱস্থা ল'বলৈ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। মাননীয়া উপাধ্যক্ষা মহাশয়া, সদৌ শেষত মাননীয় মন্ত্ৰী ডাঙৰীয়াক এটা কথা ক'ব বিচাৰিছো যে গাঁৱলৈ চিকিৎসক যোৱাৰ ব্যৱস্থা কৰিব লাগে। এইটো ঠিক যে গাঁৱলৈ চিকিৎসক যোৱাৰ কাৰণে চিকিৎসালয়বোৰত চিকিৎসক থকাৰ বাবে এটা ভাল পৰিৱেশ সৃষ্টি কৰিবও লাগিব। গাঁৱলৈ ডাক্তৰ যোৱাৰ বাবে যি ধৰণে পৰিৱেশ থকাৰ দৰকাৰ সেইটো নোহোৱাৰ কাৰণে আমাৰ ভীষণ অসুবিধা হৈছে। আমাৰ যিবিলাকক এফ আৰু ইউ আছে তাত চিকিৎসক থকাটো বাধ্যতামূলক কৰিব লাগে।

উপাধ্যক্ষা মহোদয়া, আৰু এটা কথা কৈ মই মোৰ বক্তব্য শেষ কৰিম। 'পাৰ্চেজ অব মেডিচিন' এইক্ষেত্ৰত মই কেইটামান কথা ক'ব খুজিছো। ইয়াত যথেষ্টখিনি খেলিমেলি হৈ আছে। এই কথাটো যোৱাবাৰ বিধানসভাত উত্থাপন হৈছিল। চেণ্ট্ৰেল গভৰ্ণমেণ্টে এখন চিঠি দিছিল। তেওঁলোকে ঔষধ ইয়াত যোগান ধৰিছে। তেওঁলোকে ষ্ট্ৰিক্টলি অসম চৰকাৰক একচন ল'বলৈ কৈছে— Kindly note that we are one of the best three PSUs under the Administrative control of Ministry of Chemicals & Fertilizers, Govt. of India and are much concerned about the kind of activities carried out by some private distributors without our knowledge, perhaps in connivance with authorities of the State Govt. It is a cleare case of choating the Govt. as well as RDPI... যিসকলে এই কাম কৰিছিল, তেওঁলোকৰ ওপৰত ব্যৱস্থা লওঁক। ঔষধৰ এপ্ৰোভ লিষ্ট ওলাইছে। বঙাইগাঁৱৰ যুটীয়া সঞ্চালকে আনটাইড কিডৰ পৰা এক কোটি টকা ঘৰ নিৰ্মাণৰ কাৰণে দিয়া ধনৰ, ঘৰ নিৰ্মাণ নকৰি যন্ত্ৰ-পাতি, ঔষধ কিনিছে। এইখন এপ্ৰোভ লিষ্ট, ১৪/৬/০৬ তাৰিখৰ, ২৭ নম্বৰ আইটেমত আছে, সেই মতে ৩০টা কিড্চৰ এপ্ৰোভ ৰেট ১৭৭ মনোজাম এম, আৰ, পি, হৈছে। তেওঁলোকৰ কোম্পেনী প্ৰাইজ লিষ্ট হৈছে এহেজাৰ

তিনিশ পঞ্চাশ এম, আৰ, পি। ভি, ডি, আৰ, এল, কিড কি ধৰণে যোগান ধৰিব? এইটো কি কাৰণে এপ্ৰোভ কৰিব? যদি এটা কিডৰ ৩০টা টেষ্ট থাকে ১৭৭ হয়, পাঁচ হেজাৰ তিনিশ ৰেট বহুত বেছি হ'ব। এইটো স্বাস্থ্য সঞ্চালকে কি ধৰণে এপ্ৰোভ কৰিছে? ২৮ টাইফডেল টেষ্টত ১০ এম, আৰ, পি, থাকিব নোৱাৰে। টিউব টেষ্টত চাৰিটা এণ্টিজেন থাকিব লাগে। যদি এণ্টিজেন বাদ দি কৰা হৈছে, তেতিয়াহ'লে এইটো বগাছ হৈছে। এই ধৰণে নতুন এপ্ৰোভ কৰি থকা হৈছে। এইক্ষেত্ৰত বহুত ইৰেগুলাৰিটি আছে। এইখন এপ্ৰোভ লিষ্ট ভালকৈ চাওঁক। উইডেল দুটা মাধ্যম আছে, টিউব টেষ্ট ২০ এম, আৰ, পি, হ'ব লাগে। ১০ কেনেকৈ হ'ব? গতিকে মই চৰকাৰক এই কথাটো দৃষ্টিগোচৰ কৰিছো। ৰাইজমতি ড্ৰাগচ নামৰ কোন প্ৰতিষ্ঠান আছে? মন্ত্ৰী কৈছে— এইক্ষেত্ৰত চৰকাৰ অৱগত নহয়। কিন্তু এইখন এপ্ৰোভ লিষ্ট। ৰাইচমতি ড্ৰাগচ, এইখন ফাৰ্ম নহয় বুলি কৈছে, চৰকাৰ অৱগত নহয়। এই গোটেই কথাটোত আঁসোৱাহ আছে, এই আঁসোৱাহসমূহ দূৰ কৰিবলৈ যথেষ্ট কষ্ট হ'ব। যদি বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই বিষয়টো গুৰুত্বসহকাৰে লৈ ব্যৱস্থা লয়, তেতিয়াহ'লে সকলোৰে মনোবল আহিব। এইখিনি কৈয়ে মই কৰ্তন প্ৰস্তাক সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Madam Deputy Speaker : Hon'ble Member, Shri Pranab Kalita.**

* **শ্ৰী প্ৰণৱ কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি স্বাস্থ্য বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই কেইটামান কথা ক'বলৈ ওলাইছো। যোৱা দিনবিলাকত স্বাস্থ্য বিভাগক কি ধৰণে চলিছিল এই বিষয়ে বহলাই আলোচনা নকৰো। এতিয়া স্বাস্থ্য বিভাগটো নিকা আৰু পুনৰুজ্জীৱিত কৰাৰ বাবে আজি আমি গঠনমূলক আলোচনা আৰু চিন্তা-চৰ্চা কৰা প্ৰয়োজন। মাননীয় উপাধ্যক্ষা মহোদয়া, আজি আমি স্বাস্থ্য বিভাগটো নিকা কৰিবলৈ যাওঁতে কিছুমান কথাৰ ওপৰত গুৰুত্ব দিয়াতো উচিত। আমাৰ ল'ৰাটো অলপ বুজা হোৱাৰ পিছত আমি যদি ল'ৰাটোক প্ৰশ্ন কৰো তুমি ডাঙৰ হ'ল কি হ'বা। আজি শতকৰা ৯০ ভাগ ল'ৰা-ছোৱালীয়ে কয় 'মই ডাঙৰ হ'লে ডাক্তৰ হ'ম' বুলি। মাননীয় উপাধ্যক্ষা মহোদয়া, মই এখন মেগাজিনত পঢ়া এটা কথা ক'বলৈ ওলাইছো। কাৰ্লিফৰ্ণিয়াত এজন ৰোগী অসুখ দেখুৱাবলৈ এজন

* Speech not corrected

ডাক্তৰৰ ওচৰলৈ আহিল। ডাক্তৰে এটা মেডিচিন প্ৰেচকাইব কৰিলে। কিন্তু সেই মেডিচিনটো কোনো ফাৰ্মাচীতে নাছিল। ডাক্তৰে কথাটো গম পোৱা নাছিল। পিছত যেতিয়া ডাক্তৰে নিজৰ কম্পিউটাৰটো অ'ন কৰিলে আৰু ইনটাৰনেটত দেখিলে যে তেওঁ যিটো ঔষধ ৰোগীজনক প্ৰেচকাইব কৰিছিল সেই ঔষধটো বেন কৰিছে। তেওঁ লগে লগে এশ মাইল গাড়ী চলাই সেই ৰোগীজনৰ ওচৰলৈ গ'ল আৰু সেই ঔষধটো লৈ আহিল। আজি আমাৰ ডাক্তৰ আৰু সেইবিলাক ডাক্তৰৰ মাজত বহুত পাৰ্থক্য আছে।

কিন্তু আজি মই আমাৰ ডাক্টৰ আৰু বাহিৰৰ ডাক্টৰৰ মাজত পাৰ্থক্য কৰিবলৈ যোৱা নাই। আজি অসমৰ ডাক্টৰে পিঠিত পেলু হোৱা বুলি কয়। সেই ডাক্টৰ আৰু আমেৰিকাৰ ডাক্টৰৰ মাজত কিমান পাৰ্থক্য। মানুহৰ পিঠিত পেলু হ'ব পাৰে নেকি? মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি ভাল কৰিবলৈ যাওঁতে মানুহৰ মৃত্যু হয়। প'টাছিয়াম চায়েনাইড তৈয়াৰ কৰিবলৈ যাওঁতে ছয়জন বৈজ্ঞানিকৰ মৃত্যু হৈছিল। আমি এনেকুৱা কিছুমান চায়েনাইড খাই আছো নেকি? প'টাচিয়াম চায়েনাইড খালে মানুহৰ লগে লগে মৃত্যু হয়। আজি আমি বেমাৰবিলাক নিজে নিজে সৃষ্টি কৰি আছো। মাননীয়া উপাধ্যক্ষা মহোদয়া, আজিকালি গৰুৰ গাখীৰত নিমখ মিহলি কৰে। গাখীৰত ২২ পাৰচেণ্ট কেলৰী পোৱা যায়। মাননীয়া উপাধ্যক্ষা মহোদয়া, সৰু সৰু ল'ৰা-ছোৱালীৰ গাখীৰত নিমখ মিহলি কৰে। মাননীয়া উপাধ্যক্ষা মহোদয়া, আপুনি জানেনে যোৱাকালি ৰাতি আপুনি কিমান বিহ খাইছে। অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছ দহদিনলৈ ভালে থাকে। মই যোৱা বিধানসভাত এই প্ৰশ্নটো উত্থাপন কৰিছিলো। মাছবিলাক পৰীক্ষা কৰি মাছবিলাকৰ ওপৰত এটা তদন্ত কৰিব লাগে। কিন্তু তদন্ত এতিয়ালৈ হোৱা নাই। তদন্ত নোহোৱা কাৰণে আমি কিছুমান শ্লো পইজন খাই আছো। মই মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তেওঁ নিজে ৰাতিপুৱা গৈ মেডিকেল কলেজখন পৰিদৰ্শন কৰে। আজি আমাৰ অসমৰ ৪২ লাখ মানুহে চিগাৰেট খাই আছে। ফলত তেওঁলোক অসুখত ভুগি আছে। অসমক এখন ধুমপান নিষিদ্ধ ৰাজ্য হিচাপে ঘোষণা কৰিবলৈ আজি মই সদনত অনুৰোধ জনাইছো। আজি অসমৰ নতুন প্ৰজন্মৰ কাৰণে আমি চিন্তা কৰিব লাগিব। মাননীয়া উপাধ্যক্ষা

মহোদয়া, আমি বন্ধুত্ব সুলভ দৃষ্টিভংগীৰে কথাবিলাক আলোচনা কৰিব লাগিব।

**মাননীয়া উপাধ্যক্ষা ঃ** উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ।

* **শ্ৰী প্ৰণৱ কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি মই এখন ডায়েগনেষ্টিক চেণ্টাৰৰ কথা কৈছো। মানুহৰ হিমগ্লবিন, মতা মানুহৰ ক্ষেত্ৰত ১২.১৬ আৰু মহিলাৰ ক্ষেত্ৰত ১১.১৫ থাকে। কিন্তু মানুহৰ হিমগ্লবিন ১৯ গ্ৰাম আছে বুলি শুনা নাই। কিন্তু সেই লেবৰেটৰীখনত এইটো হৈছে। এই গেলি-পচি যোৱা বিভাগটোক একেদিনাই শুদ্ধ বা সংশোধন কৰিব নোৱাৰি।

মাননীয়া উপাধ্যক্ষা মহোদয়া, যিসকল লোকে গাঁৱৰ পৰা সোণ, গহনা বিক্ৰী কৰি সন্তানৰ চিকিৎসাৰ বাবে গুৱাহাটীলৈ আহে, কোনোবা মাতৃয়ে ২০ টকাৰ বাবে হাহাকাৰ কৰে তেনে লোকসকলৰ চিন্তা আমাৰ চহৰৰ ডাক্তৰসকলে কৰিব নোৱাৰে। যিসকলে পুত্ৰ বা স্বামীক বচাবলৈ চহৰলৈ আহে তেওঁলোকৰ অৱস্থা চিন্তা কৰিব নোৱাৰো। ধনী মানুহৰ বেমাৰ হ'লে বাহিৰলৈ যায়। কিন্তু দুখীয়া মানুহখিনিৰ কথা আমি চিন্তা কৰিব লাগে। উপাধ্যক্ষা মহোদয়া, মই মাননীয় মন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো যে মেডিকেল ছাইন্সৰ কিবা ছিক্ৰেট ৰোল আছে নেকি। মাজতে বাতৰি কাকতত এটা খবৰ ওলাইছে যে বাহিৰত পঢ়িবলৈ যোৱা আমাৰ প্ৰায় ৫০০ ল'ৰা-ছোৱালীৰ দেহত 'এইড্‌ছ বীজাণু পোৱা গৈছে। ইয়াৰ পিছত মানুহৰ নাম, ঠিকনা গোপনে ৰাখিছে। আজি মই আমাৰ স্বাস্থ্যমন্ত্ৰীক অনুৰোধ জনাইছো, 'এইড্‌ছ' আক্ৰান্ত ৰোগীৰ পৰীক্ষাৰ ৰিপোৰ্ট তেওঁলোকৰ হাতত নিদি চোৱা-চিতা কৰা ডাক্তৰজনৰ হাতত দিব লাগে। কাৰণ আক্ৰান্ত মানুহে সদায় বেমাৰটো গোপনে ৰাখিব বিচাৰে। এই ব্যৱস্থা ল'লে সকলো উপকৃত হ'ব। উপাধ্যক্ষা মহোদয়া, মই এটা কথা বিশেষভাৱে অনুৰোধ জনাব খোজো যে অসমত বহুত মানুহ সাপৰ কামোৰত মৃত্যুমুখত পৰে। সাপে কামোৰাৰ লগে লগে মানুহৰ টেনচন হৈ যায়, ভয় খায়। আৰু সেই ভয়তে মানুহ মৰে। মই নিজে জানো মহোদয়া, কাৰণ মই নিজেও প্ৰাণী বিদ্যা প্ৰবক্তা আছিলো। আমি এই কথাবিলাক ৰাইজক জনাব লাগে। বেজ, ওজা আদিৰ ইয়াত কাম নাই। আজিকালি কামোৰাৰ ২ মিনিটৰ ভিতৰতে হস্পিতাললৈ গৈ এটা বেজী ল'লেই ভাল হ'ব পাৰি। হাৰ্ট এটাকৰ ক্ষেত্ৰত কৈছো, আমাৰ বহুত

* Speech not corrected

মানুহ এই বেমাৰত মৰে হার্ট এটাক হ'লেই বহুতে অপাৰেচন কৰিব লাগে বুলি ভাবে। এইবোৰ কথা আমি ৰাইজক জনাব লাগে। বাতৰি কাকতৰ যোগেদি। প্ৰাথমিক কি চিকিৎসা ল'ব লাগে সেই বিষয়ে ৰাইজক অৱগত কৰিব লাগে। আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতা ডাঙৰীয়াই গৈ গৈছে আৰু ময়ো কওঁ আমাৰ স্বাস্থ্য বিভাগটোৰ দায়িত্ব নতুনকৈ ডঃ হিমন্ত বিশ্ব শৰ্মাই লৈছে। আমি আশা কৰিছো তেখেতৰ চেষ্টাত বিভাগটোৰ সকলো প্ৰকাৰে উন্নতি হ'ব। মই অনুৰোধ জনাইছো আমাৰ ৰাজ্যখনত ধূমপান নিষিদ্ধ কৰি এখন ধূমপান নিষিদ্ধ ৰাজ্য হিচাপে ঘোষণা কৰে। কাৰণ ধূমপানৰ পৰাই হৃদপিণ্ডৰ সকলো ৰোগৰ সৃষ্টি কৰে। পৃথিৱীত বহুতো বেমাৰৰ ভিতৰত দুটামান বেমাৰৰ ঔষধ ওলোৱা নাই। তাৰে ভিতৰত 'এইড্ছ' এটা। এই সম্পৰ্কত মই বেছি দীঘলীয়া টপিকলৈ নাযাও। ইয়াৰ বাবে ব্যৱস্থা ল'ব লাগে। গেষ্ট্ৰিক বেমাৰৰ দৰে সকলো বেমাৰকে ধৰিব নালাগে। যিসকল মানুহে অন্ততঃ কিছু বছৰ জীয়াই থাকিম বুলি পৃথিৱীলৈ আহিছে তেওঁলোকৰ কাৰণে আমি চিন্তা কৰিব লাগে। গাঁওবিলাকত ম'বাইল ভেনৰ ব্যৱস্থা কৰিব লাগে। যাতে গাঁৱৰ মানুহখিনিয়ে চিকিৎসাৰ সুবিধাটো পায়। ইয়াকে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Madam Deputy Speaker :** Now, Hon'ble Member, Shri Ranjit Dutta.

**শ্ৰী ৰঞ্জিত দত্ত ঃ** মাননীয়াউপাধ্যক্ষা মহোদয়া, আজি স্বাস্থ্য বিভাগৰ ওপৰত যিটো কৰ্তন প্ৰস্তাৱ অনা হৈছে তাৰ সমৰ্থনত মই দুআষাৰ ক'ব বিচাৰিছো। এই শিতানত যি টকা ধৰা হৈছে সেই টকা কৰ্তন কৰিবলৈ মই নকও। আজি স্বাস্থ্য বিভাগৰ ওপৰত বহুতখিনি কথা আলোচনা হৈছে। এইবাৰ নিৰ্বাচনৰ আগতে আৰু নিৰ্বাচনৰ পিছতো ৰাজ্যখনত ভয়ংকৰ মেলেৰীয়া ৰোগে দেখা দিছে আৰু এতিয়াও ঠায়ে ঠায়ে হৈ আছে। প্ৰতিষেধক ব্যৱস্থা স্বাস্থ্য বিভাগে লৈছে। কিন্তু এইটো দেৰি হৈছে। এইবাৰ মেলেৰীয়া মাৰ্চ মাহতে আৰম্ভ হৈছে। সাধাৰণতে এপ্ৰিল, মে' মাহতহে হয়।

উপাধ্যক্ষা মহোদয়া, আমি সচৰাচৰ এটা কথা জানো যে মেলেৰীয়া ৰোগ মে'/জুন মাহৰ পৰা হয়। কিন্তু এইবাৰ মাৰ্চ/ এপ্ৰিল মাহৰ পৰাই

অসমৰ বহুতো ঠাইত বিয়পি পৰিছে আৰু লোক এই ৰোগত আক্ৰান্ত হৈছে। বহুতৰে মৃত্যুও হৈছে। বিশেষকৈ লক্ষীমপুৰ আৰু শোণিতপুৰ জিলাত এই ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছে আৰু কেইবাজনো লোকৰ মৃত্যু হৈছে। এইক্ষেত্ৰত আমি যদি এটা কথা ভালদৰে লক্ষ্য কৰো তেনেহ'লে দেখিবলৈ পাওঁ যে মেলেৰীয়া ৰোগ কেনেকৈ আৰু ক'ৰ পৰা বৃদ্ধি হয় সেই বিষয়ে আমাৰ ভিতৰুৱা অঞ্চলৰ দুখীয়া আৰু অশিক্ষিত লোকসকলে বুজি নাপায়। মেলেৰীয়া ৰোগ আৰম্ভ হোৱাৰ লগে লগে তেওঁলোকে ডাক্তৰৰ পৰামৰ্শ কিম্বা চিকিৎসাৰ ব্যৱস্থা নকৰে। ৰোগ হ'লে প্ৰথমতে গাঁৱলীয়া বেজ/ কবিৰাজ আদিৰ দ্বাৰা চিকিৎসা কৰি থাকে আৰু যেতিয়া ৰোগ ভাল নহয় তেতিয়াহে ডাক্তৰৰ ওচৰলৈ গৈ চিকিৎসা কৰে। তাৰ ফলত ৰোগ বেছি হোৱাৰ কাৰণে ডাক্তৰেও কেতিয়াবা ৰোগীক ভাল কৰিব নোৱাৰা অৱস্থা হয় আৰু তাৰ ফলত ৰোগীৰ মৃত্যু হয়। গতিকে আমি ভিতৰুৱা অঞ্চলসমূহৰ মানুহবিলাকক এইক্ষেত্ৰত সজাগতা অনাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু সেইক্ষেত্ৰত চৰকাৰে অতি জৰুৰীভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ বাহিৰেও আমি আৰু এটা কথা দেখিছো যে গাঁও অঞ্চলসমূহত সময় মতে ডি, ডি, টি, স্প্ৰে কৰা নহয়। এই অঞ্চলসমূহত ফেব্ৰুৱাৰী/মাৰ্চ মাহতে ডি, ডি, টি, স্প্ৰে কৰিব লাগে। কিন্তু কোনো কোনো অঞ্চলত মে'/ জুন মাহত স্প্ৰে কৰা কাৰণে ইয়াৰ আগতেই মেলেৰীয়া ৰোগ সেই অঞ্চলসমূহত বিয়পি পৰা কাৰণে পিছলৈ এই ৰোগ নিয়ন্ত্ৰণ কৰাতো কঠিন হৈ পৰে। এতিয়া কোনো কোনো ঠাইত মেলেৰীয়া ৰোগৰ লগতে জণ্ডিচ, চেলিব্ৰেল মেলেৰীয়া আদিও হৈছে। যাৰ ফলত মানুহৰ ২৪ ঘণ্টাৰ ভিতৰতে মৃত্যু হয়। আন এটা কথা হ'ল ভিতৰুৱা অঞ্চলৰ লোকসকলে আঁঠুৱা ব্যৱহাৰ নকৰে। তেওঁলোকৰ কিছুমানে আৰ্থিকভাৱে সক্ষম নহ'লেও কিছুমানৰ এইটো অভ্যাসত পৰিণত হৈছে। কিছুমান ভিতৰুৱা অঞ্চল, চাহ বাগান আদিত চৰকাৰ বা অন্য ফালৰ পৰা আঁঠুৱাৰ যোগান ধৰিলেও সেই ঠাইৰ মানুহে আঁঠুৱা ব্যৱহাৰ নকৰে। আঁঠুৱাৰ ভিতৰত শুলে হেনো তেওঁলোকৰ টোপনি নাহে। বহুতে আকৌ এই আঁঠুৱা মাছ মৰাৰ কাৰণেও ব্যৱহাৰ কৰে। গতিকে এই কথাবোৰৰ ক্ষেত্ৰত সেইসকল লোকৰ মাজত সজাগতা আনিব লাগিব আৰু সময় মতে

সুচিকিৎসাৰ ব্যৱস্থা কৰিব পাৰিলেহে এই ৰোগ নিৰ্মূল কৰিব পৰা হ'ব। ইয়াৰ বাহিৰেও আমি বহুতো ঠাইৰ হস্পিতেল মেলেৰীয়া, জণ্ডিচ আদিৰ কাৰণে যিবোৰ ঔষধ, চেলাইন আদি লাগে সেইবোৰ পৰ্য্যাপ্ত পৰিমাণৰ নোহোৱা কাৰণেও ৰোগীসকলক চিকিৎসা দিব পৰা নহয়। গতিকে মেলেৰীয়াৰ লগতে যি আনুসঙ্গিক ৰোগ আহে সেইবোৰৰ প্ৰতিকাৰৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব বুলি মই বিশেষকৈ স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

উপাধ্যক্ষা মহোদয়া, এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ ডাক্তৰ এজন তৈয়াৰ কৰোতে ৰাজকোষৰ পৰা প্ৰায় ৫ লাখমান টকা ব্যয় কৰা হয়। কিন্তু ডাক্তৰ হোৱাৰ পিছত সেই ডাক্তৰসকলেই গাঁৱলীয়া, ভিতৰুৱা অঞ্চলসমূহত কাম কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। এইক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে এজন ডাক্তৰে বাধ্যতামূলকভাৱে গাঁও অঞ্চলত কমেও ৩ বছৰ চাকৰি কৰাৰ পিছতহে চহৰলৈ আহিব পাৰিব। গতিকে এইটো বাধ্যতামূলক কৰা বুলি ক'লেই নহয় এইটো কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰাৰ কাৰণে কঠোৰ ব্যৱস্থা ল'ব লাগিব।

ইয়াৰ বাহিৰেও বিভিন্ন হস্পিতালত এম্বুলেঞ্চকে ধৰি বিভিন্ন সা-সৰঞ্জামসমূহ যোগান ধৰা হৈছে যদিও সেইবোৰ অচল হৈ যোৱাৰ পিছত মেৰামতি কিম্বা নতুনকৈ যোগান ধৰাৰ ব্যৱস্থা কৰা হোৱা নাই। বহুতো হস্পিতালৰ এম্বুলেঞ্চ গাড়ী তেলৰ অভাৱত চলাব নোৱাৰে। তেলৰ খৰচখিনি যদি দিব নোৱাৰে তেনেহ'লে এম্বুলেঞ্চ দি লাভ কি হ'ব? গতিকে এইবোৰ ক্ষেত্ৰত টকা আবণ্টন কৰি হস্পিতালসমূহৰ বিভিন্ন অসুবিধাসমূহ দূৰ কৰাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল আমাৰ ঔষধ যোগান ব্যৱস্থা। আজি এখন বাতৰি কাকতত প্ৰকাশ পাইছে যে বাংলাদেশৰ পৰাও হেনো অসমলৈ মেডিচিন আহে। এই মেডিচিনবোৰ ভেজাল মেডিচিন। এইবোৰ টাউন, চহৰত বিক্ৰী নহয়, ভিতৰুৱা অঞ্চলত এই মেডিচিনবোৰ বিক্ৰী হয়। এইক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো নিয়ন্ত্ৰণ নাই। গতিকে এই কথাবিলাকৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আন এটা কথা হ'ল— অসমৰ য'তে ত'তে গঢ়ি উঠা নাৰ্ছিং হোমসমূহ। ডিব্ৰুগড়তো তেনে ধৰণে হোৱা কেইখনমান নাৰ্ছিং হোম বন্ধ কৰি দিয়া হৈছে। গতিকে এনে ধৰণে গা কৰি উঠা সকলোবোৰ

নাৰ্চিং হোমৰ ক্ষেত্ৰতে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**Madam Deputy Speaker vacated the Chair and Hon'ble Speaker Occupied the Chair.**

অধ্যক্ষ মহোদয়, গতিকে চৰকাৰে এইবিলাক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই আৰু বেছি নকও, আমাৰ আৰু বহুতো মাননীয় সদস্য আছে তেওঁলোকে ক'ব। আজি বাগানবিলাকৰ চিকিৎসালয়ত নাৰ্চ নাই, ডাক্তৰ নাই। গতিকে চৰকাৰে বাগানৰ মালিক গোষ্ঠীক বাগানত থকা চিকিৎসালয়বোৰত ডাক্তৰ, নাৰ্চ দিয়াটো বাধ্য কৰাব লাগে। মোৰ সমষ্টিতো বাগান আছে। চৰকাৰে গোটেই অসমতে যিবিলাক স্বাস্থ্য উপ-কেন্দ্ৰ আছে সেইবোৰ নাৰ্চ আদি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব খুজিছো যে বিহালী সমষ্টিত ৩০খন বিছনাযুক্ত চিকিৎসালয় নাই। গতিকে বিহালীত এখন ৩০খন বিছনাযুক্ত চিকিৎসালয় দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি মোৰ সমষ্টিত যি তিনিখন উপ-স্বাস্থ্য কেন্দ্ৰ আছে সেইবোৰৰ অৱস্থা অতি জৰাজীৰ্ণ। ইতিমধ্যে আমি তাত এম, এল, এ ফাণ্ডৰ টকা দি কিছু মেৰামতি কৰিছো। গতিকে এইকেইখন উপ-স্বাস্থ্য কেন্দ্ৰটো ধন ধাৰ্য কৰি মেৰামতিৰ ব্যৱস্থা কৰিব লাগে। শেষত মই স্বাস্থ্য বিভাগৰ সুস্বাস্থ্য কামনা কৰিছো। অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ কথা বেছিকৈ ক'লেও ভয় লাগে। যদি স্বাস্থ্য বিভাগৰ কোনোবা এজন ডাক্তৰৰ বিপক্ষে কোৱা যায় তেওঁ কিজানি শ্লো পয়জন দি আমাক মাৰিয়ে পেলায়। সেই কাৰণে মই আৰু বেছি নকও। আজি যি স্বাস্থ্য বিভাগৰ ওপৰত্ত কৰ্তন প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই আৰু স্বাস্থ্য বিভাগৰ সু-স্বাস্থ্য কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Hafiz Bashir Ahmed.

**শ্ৰী হাফিজ বশ্বীৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই ক'ব বিচাৰিছো যে, আজি স্বাস্থ্য বিভাগত আটাইতকৈ ডাঙৰ কথা হৈছে হস্পিতালবোৰত ৰোগীয়ে যি ধৰণে চিকিৎসা বা ব্যৱহাৰ পাব লাগে সেই চিকিৎসা আৰু ব্যৱহাৰ তেওঁলোকে পোৱা নাই। অধ্যক্ষ মহোদয়, সাধাৰণতে আজিৰ দিনত যিবোৰ দুখীয়া-নিচলা মানুহ আছে সেই সকলেহে চৰকাৰী হস্পিতাললৈ যায়। কিন্তু তেওঁলোকে হস্পিতালত ডাক্টৰ বা অন্যান্য

কৰ্মচাৰীৰ পৰা যি ধৰণৰ ব্যৱহাৰ পাব লাগে, সেই ব্যৱহাৰ নাপায়। সৌ সিদিনা আমি ধুবুৰী চিভিল হস্পিতাললৈ যাওঁতে তাত এজনী মহিলাই কান্দি কান্দি আমাক ক'লে যে— নাৰ্ছ, ডাক্তৰ দেখিলে ভয় লাগে। কাৰণ তেওঁলোকে এনে ধৰণে ইঞ্জেকচন দিয়ে যেনিবা গৰু এটাকহে ইঞ্জেকচন দিছে। এই কাৰণতে ভয় হৈছে যে মোৰ মানুহজন জীয়াই নাথাকে। কথা হৈছে আজি চিকিৎসক দেখিলে ৰোগী ভীতিগ্ৰস্ত হয়। কাৰণ তেওঁলোকৰ পৰা ৰোগীয়ে ভাল ব্যৱহাৰ নাপায়। অৱশ্যে মই সকলোৰে কথা কোৱা নাই। অথচ একেজন ৰোগী ব্যক্তিগত চেম্বাৰ অথবা নাৰ্চিং হোমলৈ গ'লে একেজন ডাক্তৰৰ পৰা বহুত ভাল ব্যৱহাৰ পায়। বাহিৰৰ দেশবোৰত কিন্তু এনে নহয়। মই লণ্ডনলৈ যাওঁতে লক্ষ্য কৰিছো যে, তাৰ চিকিৎসালয়বোৰ ৰোগী যোৱাৰ লগে লগে কৰ্মচাৰীসকলে মিঠা মাতেৰে সম্ভাষণ জনায়। দিল্লী, মুম্বাইতো ৰোগীসকলক অত্যন্ত ভাল ব্যৱহাৰ কৰা হয়। সেইবোৰ ঠাইলৈ ৰোগীসকল গ'লে তেওঁলোকৰ ব্যৱহাৰৰ কাৰণে আধা বেমাৰ এনেয়ে ভাল হৈ যায়। আমি অ' এন জি চিতো দেখিছো তাৰ বিষয়া-কৰ্মচাৰীক *মৰেল ইডোকেচন* দিয়াৰ বাবে বাহিৰৰ পৰা মানুহ আনি ক'চিং দিয়ে। তদুপৰি আনি দেখিছো যে চৰকাৰে যিবোৰ ঔষধ-পাতি কিনে সেইবোৰত বহুত টকা ব্যয় কৰা দেখুৱায়। কিন্তু প্ৰকৃততে ৰোগীসকলে সেইবোৰ ঔষধ নাপায়। হস্পিতালত ৰোগী এজনক চেলাইন দিওতে যি ডাল টেপ লাগে সেই ডালো ৰোগীয়ে কিনিব লাগে। গতিকে চৰকাৰে এইক্ষেত্ৰত কঠোৰ ব্যৱস্থা ল'ব লাগে যাতে দুখীয়া-নিচলা ৰোগীসকলে হস্পিতালত এনেবোৰ সৰু সৰু বস্তুবোৰ পায়। চিকিৎসকসকল টকা উপাৰ্জন কৰাৰ মেচিন হোৱাৰ পৰিৱৰ্তে মানুহক সেৱাৰ মনোভাবেৰে চিকিৎসা কৰিব লাগে। সম্প্ৰতি এনে এটা পৰিৱেশৰ সৃষ্টি হৈছে যে চিকিৎসকসকলে এজন হাৰ্টৰ ৰোগীৰ বুকুৰ ধপ্‌ধপনি চোৱাৰ সলনি তেওঁৰ জেপত কিমান টকা আছে সেইটো চোৱাহে দেখা যায়। এইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকলকো শাৰীৰিক শিক্ষা দিয়াৰ লগতে মানৱতাৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি হস্পিতালসমূহ পৰিষ্কাৰ-পৰিচন্ন নোহোৱাত বহুতো ৰোগী হস্পিতাললৈ যোৱাৰ পিছত ভাল হোৱাৰ সলনি বেমাৰ বেছি হয় অথবা নতুনকৈ অন্য বেমাৰত আক্ৰান্ত হয়। সৌ সিদিনা আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়

পৰিদৰ্শনকালত তাত নিগনি দৌৰি থকা দেখা পাইছে বুলি আমি বাতৰি কাকতত পাইছো। যদি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰে এনেকুৱা অৱস্থা হয় তেন্তে বাকী যিবোৰ চিভিল হস্পিতাল আছে সেইবোৰৰ অৱস্থা কি হ'ব পাৰে? মই ধুবুৰী চিভিল হস্পিতালৰ কথাকে কৈছো, তাৰ ভিতৰছোৱা ইমান অপৰিস্কাৰ যে তালৈ ৰোগী যোৱাৰ পাছত কেতিয়া তাৰ পৰা ৰিলিজ হ'ব পাৰে তাৰে চিন্তা কৰি থাকে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই হস্পিতালবোৰ চাফ-চিকুণকৈ ৰখাৰ বাবে কোনোবা প্ৰাইভেট এজেন্সীক দায়িত্বভাৰ দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত সংশ্লিষ্ট বিভাগে শতকৰা ১০০ ভাগ দায়িত্ব ল'ব লাগিব। চিকিৎসালয়ৰ বিষয়ে কওঁ, চৰকাৰী নিয়মমতে প্ৰতি ৮ হেজাৰ ৩শ মানুহৰ বিপৰীতে এজন চিকিৎসক থাকিব লাগে। দক্ষিণ শালমাৰা সমষ্টিত ১২জন চিকিৎসক আছে বুলি জানিব পাৰিছো; কিন্তু ১২জনৰ ভিতৰত ১১জনেই বৰ্তমান নাই, এজনে কাম কৰি আছে। মোৰ সমষ্টিত প্ৰায় চাৰি লাখ মানুহৰ বিপৰীতে মাত্ৰ এজন এম. বি. বি. এছ. আৰু এজন আয়ুৰ্বেদিক চিকিৎসকে কাম কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ১০০খন বিছনাযুক্ত হস্পিতাল এখন আজিলৈ নহ'ল। বিলাসীপাৰা মহকুমা হোৱাৰ লগে লগে ১০০খন বিছনাযুক্ত হস্পিতালৰ কাৰণে মঞ্জুৰী দিয়া হৈছে বুলি জানিছো, কিন্তু সেই এলেকা বড়োলেণ্ড এলেকাত পৰাৰ কাৰণে বৰ্তমান কাম বন্ধ হৈ আছে। তাত এটা নাৰ্ছিং প্ৰশিক্ষণ চেন্টাৰ স্থাপন কৰাৰ বাবে ভৱন নিৰ্মাণ কৰা হৈছিল যদিও বৰ্তমান সেয়া সামৰিক ছাউনীহে হৈ আছে। আজি বিলাসীপাৰা মহকুমা হিচাপে ঘোষণা হোৱাৰ ১৯ বছৰ হ'ল যদিও আজিলৈকে বিলাসীপাৰা অঞ্চলত চিভিল হস্পিতালৰ একো কাম নহ'ল। যোৱা ২২/০২/০৬ ইং তাৰিখে প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মণ ডাঙৰীয়াই বিলাসীপাৰাস্থ হস্পিতালখন ১০০খন বিছনাযুক্ত হস্পিতাললৈ উন্নীত কৰাৰ কাৰণে ৫০ লাখ টকা দিয়া হ'ব বুলি কৈ ভেটি পৰ্যন্ত স্থাপন কৰিছিল; কিন্তু আজিলৈকে কোনো কাম আৰম্ভ নহ'ল। যিটো মহকুমাত প্ৰায় আঠ লাখ মানুহে বসবাস কৰে তাত এখন চিভিল হস্পিতাল আজিলৈকে নহ'ল। এইক্ষেত্ৰত কোনেধৰণৰ ব্যৱস্থা লৈছে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ কথা কওঁ। অসমৰ ১৪খন জিলাত ২ হেজাৰ ৮১খন গাঁও আছে। ২০ হেজাৰ মানুহৰ কাৰণেও এখন ছাব-চেণ্টাৰ নাই। চৰ অঞ্চলত ৫১ হেজাৰ ৭০৪ঘৰ মানুহৰ কাৰণে এখন পি. এইচ. চি. হ'ব লাগিছিল। কিন্তু তাৰ কোনো ব্যৱস্থা নাই। সেইবোৰ দুৰ্গম ঠাই, যাতায়াতৰ অসুবিধা। তেনেকুৱা ঠাইৰ পৰা সময়মতে চিকিৎসকৰ ওচৰলৈ আহিব নোৱাৰে। জিলা কৰ্তৃপক্ষৰ পৰা যিবোৰ ছাব-চেণ্টাৰৰ লিষ্ট দিছে আৰু তাৰ বিপৰীতে যিসকল কৰ্মচাৰীৰ নাম দিছে তাৰ ৭০ শতাংশ ইউনিটত কোনো কৰ্মচাৰী আছে বুলি মানুহে নাজানে। কিছুমান ঠাইত নাৰ্ছ আৰু ফাৰ্মাচিষ্ট আছে বুলিও মানুহে নাজানে। কেৱল কাগজে-পত্ৰতহে আছে। কেৱল কাগজে-পত্ৰে নহয়, প্ৰেক্টিকেলিও যাতে হয় তাৰ বাবে যথাযথ ব্যৱস্থা লোৱাৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

কোকৰাঝাৰ, শালমাৰা আদৰি হাজাৰ হাজাৰ মানুহ গোষ্ঠীগত সংঘৰ্ষৰ বলি হৈ ৰাস্তাৰ ওপৰত আশ্ৰয় লৈ আছে। পঢ়া-শুনা তথা চিকিৎসাৰ নিম্নতম সুবিধাখিনিও তেওঁলোকে পোৱা নাই। সেই ঠাইবোৰতো উপযুক্ত চিকিৎসাৰ ব্যৱস্থা ল'ব লাগে। যোৱা কিছুদিন আগতে মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ সেই শিবিৰত প্ৰায় এশজন মানুহ মৰাৰ খবৰ আমি বাতৰি কাকত আদিত পাইছো। সেই সৰ্বহাৰা লোকসকলৰ বাবেও যথাযথ চিকিৎসা সেৱা আগবঢ়োৱাৰ ব্যৱস্থা ল'ব লাগে বুলি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই কৰ্তন প্ৰস্তাৱৰ ওপৰত সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Speaker :** Hon'ble Member, Shri Anup Phukan.

* **শ্ৰী অনুপ ফুকন ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি সদনত উত্থাপন কৰা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ ক'বলৈ ওলাইছো। আমাৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক আমি সকলোৱে অভিনন্দন জনাইছো। তাত কোনো কাটমোচন নাই। সেইফালৰ পৰাও মই তেখেতক অভিনন্দন জনাইছো। স্বাস্থ্য বিভাগৰ মূল নীতি কি হ'ব পাৰে? ইয়াত পাব্লিক হেল্‌থ Improvement of public Health জড়িত হৈ আছে। সেই কথা আলোচনা হৈছে। স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই নিজে দায়িত্ব পালন কৰা দেখি এটা দিশৰ পৰা মই তেখেতক অভিনন্দ জনাইছো। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে নিজে ফাইল গাঁঠিবলগীয়া হৈছে। স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে বিভিন্ন ঠাইত পৰিদৰ্শন কৰিবলগীয়া হৈছে। স্বাস্থ্য সংসদীয় সচিবও যাবলগীয়াত পৰিছে বুলি বাতৰি কাকতত পঢ়িবলৈ

* Speech not corrected

পাইছো। মাননীয় মন্ত্ৰী ডাঙৰীয়া নিজে উদ্বিগ্ন হৈ নিজে যাবলগীয়া হৈছে। ইয়াত সদস্যা আছে। স্বাস্থ্য বিভাগটো আমাৰ পৃথক অধিকাৰ এই অধিকাৰক চৰকাৰে গ্ৰহণ কৰিছে। এইক্ষেত্ৰত নীতি নিৰ্দ্ধাৰণ আৰু কাৰ্য্যৰ ক্ষেত্ৰ দুটাত মাননীয় মন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব দিব বুলি আশা ৰাখিছো। আমি যিথিনি দিছো এ পি এইচ চি আৰু চি এইচ চিত এই পুঁজি আবণ্টন দিয়া হৈছে। এইবিলাক যাতে বাস্তৱায়িত কৰা হয় তাৰ কাৰণে ব্যৱস্থা লয় যেন।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ টিংখং সমষ্টিত পি এইচ চি আৰু চি এইচ চিৰ কাম বেয়া হৈছে। লক্ষ্য লক্ষ্য লোকে একো উপকাৰ পোৱা নাই। তাত লাখ লাখ টকা দিয়া হৈছে। পি এইচ চি উন্নীত কৰিবৰ কাৰণে ৪০ লাখ দিয়া হৈছে। আমাৰ বিধায়কসকল কি ধৰণে জড়িত হৈছে মই নাজানো। চৰকাৰে বিভিন্ন চোৰ্চৰ পৰা অনা টকাবোৰ কামত আহিব। মাননীয় অধ্যক্ষ মহোদয়, মেলেৰীয়া ৰোগে যি মহামাৰী ৰূপ ধাৰণ কৰিছে তাৰ কাৰণে যথোচিত ব্যৱস্থা কৰিব লাগে। স্বাস্থ্য বিভাগৰ সজাগতাৰ ওপৰত আলোচনা হৈছে। আমাৰ স্বাস্থ্য সলনি কৰা বহুত কাৰণ আছে তাৰ ভিতৰত আছে প্ৰদুষণ।

গতিকে এইবিলাক ক্ষেত্ৰত স্বাস্থ্য বিভাগে কেৱল প্ৰদুষণ বিভাগক এৰি দি স্বাস্থ্য বিভাগ নীৰৱ হৈ থাকিলে নহ'ব। আমাৰ অইল ইণ্ডিয়াই যি ধৰণেৰে গেচ তৈয়াৰ কৰে তাৰ কাৰণে স্বাস্থ্য হানি হয়। মাটি, পানী, বায়ুৰ ব্যৱহাৰ সঠিক ধৰণেৰে নিয়ন্ত্ৰণ হোৱা নাই। এনে ধৰণৰ প্ৰদুষণৰ কাৰণে দুই-এঠাইত কেচ দিব লগাও হৈছে। এইক্ষেত্ৰত আমাৰ চাহ বাগিচা আৰু চৰ অঞ্চলত বিশেষ গুৰুত্ব দিব লাগে। চাহ বাগিচাৰ ক্ষেত্ৰত চাহ কৰ্তৃপক্ষক এৰি দিয়া কথাটো হ'ব নালাগে। স্বাস্থ্য বিভাগে চাহ বাগানৰ স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'ব লাগে। যিহেতু চাহ বাগানৰ মানুহ মেলেৰীয়া মহামাৰীৰ দৰে ৰোগত ব্যাপক ধৰণেৰে ভোগ কৰি থাকে। গেষ্ট্ৰএনটাইৰেটিচ আদি বেমাৰতো চাহ বাগিচাৰ বহুত মানুহ মৰে। কংগ্ৰেছ চৰকাৰে চাহ বাগিচাৰ মানুহৰ পৰা বিশেষ সমৰ্থন পাই বুলি কয়। তেনে অৱস্থাত চৰকাৰৰ ফালৰ পৰা স্বাস্থ্য বিভাগে বিশেষ ধৰণৰ গুৰুত্ব দিব লাগে। জনজাতিসকলৰ দুৰৱস্থাৰ উন্নতিৰ কাৰণে বিশেষকৈ পৰিবহনৰ ক্ষেত্ৰত কালি গৃহ বিভাগে এটা কথা

কৈছে যে এঠাইৰ পৰা আন এঠাইলৈ যাবলৈ ৪৮ ঘণ্টা অৰ্থাৎ চাৰি দিন লাগে। এইবিলাক তাৎক্ষণিকভাৱে দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। এন জি অ' যিবিলাক আছে সেইবিলাকে প্ৰকৃততে কাম কৰে নে কেৱল প্ৰচাৰৰ বাবেহে আছে এইক্ষেত্ৰত মাননীয় সদস্যসকলে দৃষ্টি ৰাখিব লাগে। ৰাজহুৱা লেতেৰা ঠাইবিলাক আনি নিজ হাতেৰে চাফা কৰো। মাননীয় উপাধ্যক্ষা মহোদয়াৰ সমষ্টিৰ পৰা আমাৰ কিছুমান অঞ্চল সামৰি নাহৰণী পি এইচ চি আৰু চি এইচ চি ৰাইজৰ সহযোগত হৈছে। ইয়াৰ বাবে পইচা যিকিনি পাইছে তাৰ যাতে সদ্ব্যৱহাৰ হয় আৰু নাহৰণীৰ পৰা যাতে আঁতৰাই নিনিয়ে তাৰ বাবে মই অনুৰোধ জনালো। আজিৰ আলোচনাত উল্লেখ কৰা হৈছিল যে স্বাস্থ্য কেন্দ্ৰবোৰ এফ আৰ ইউলৈ উন্নত কৰিবলৈ বিচৰা হৈছে এইবিলাক যাতে যথাযথভাৱে হয় সেইটো চাব লাগে।

অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত বহুত ক'ব লগা আছে, সময় তাকৰ। গতিকে এটা কথা মই এইক্ষেত্ৰত বিশেষভাৱে ক'ব বিচাৰিছো যে আমাৰ সমষ্টিবিলাকত যিবিলাক দাইৰেকশ্যন দিয়াৰ কথা কৈছে তাত যাতে স্থানীয় বিধায়কৰ লগত যোগাযোগ কৰা হয় আৰু সেইবোৰ হৈ আছে নে নাই সেইবিলাক মন্ত্ৰী ডাঙৰীয়াই চাই থাকিব লাগে বুলি মই অনুৰোধ জনালো। আৰু এটা কথা কওঁ যে এখন চিকিৎসালয়ত প্ৰকৃততে ৰোগী চিকিৎসা কৰা হয় নে সামৰিক বাহিনীৰ লোক থাকিব লাগে এই বিষয়ত বিশেষভাৱে নজৰ ৰাখিব লাগে। আমাৰ ঠাইত এখন স্বাস্থ্য কেন্দ্ৰ মাঝি ডাঙৰীয়া বিধায়ক হৈ থাকোতেই হৈছিল, কিন্তু ইনডোৰ চিকিৎসা নহ'ল। এতিয়াও তাত চি আৰ পি তাকে। শান্তি-শৃংখলাৰ নামত এতিয়াও তাত চি আৰ পি থাকে। সেইবোৰ আঁতৰাই নিয়াৰ কাৰণে কেইবাবাৰো অনুৰোধ জনোৱা হৈছে কিন্তু আজিলৈকে কামটো হোৱা নাই। গতিকে যদি এনে ধৰণৰ হৈ থাকে তেন্তে উন্নত স্বাস্থ্য কেনেকৈ হ'ব। বিশ্ব স্বাস্থ্য সেৱা নীতি অনুসৰণ কৰাৰ কাৰণে স্বাস্থ্য বিভাগক অনুৰোধ জনালো, লগতে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াকো কওঁ যে তেখেতে নিজৰ জীৱন যিদৰে আগুৱাই নিছে, নিজৰ জীৱনত উন্নতি কৰিছে সেইদৰে যেন স্বাস্থ্য বিভাগটোৱো উন্নতি সাধন কৰিব পাৰে তাৰ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Speaker :** Hon'ble Member, Shri Uddhab Barman.

**উদ্ধৱ বৰ্মণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কাট মোচনটোৰ জৰিয়তে আমি স্বাস্থ্য সেৱা আৰু জনস্বাস্থ্য সম্পৰ্কে বহুত কথা আলোচনা কৰিব পাৰিম। ইতিমধ্যে এই বিষয়ে বহুত আলোচনা কৰা হৈছে সেইখিনি কথা মই পুনৰুক্তি নকৰো। দুই-এটা কথা কৈ মই সামৰিম।

অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে বাজেট ভাষণত এটা কথা কৈছে সেই কথাত আমি লক্ষ্য কৰিছো। তেওঁ মাৰ্কেট ফৰ্চ সম্পৰ্কে কৈছে। মাৰ্কেট ফৰ্চৰ ওচৰত আমি আত্মসমৰ্থন নকৰাৰ কথাও কৈছে।

আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা সুখৰ কথা কৈছে সেইটো হৈছে তেওঁ মাৰ্কেট ফোৰ্চৰ ওপৰত আত্মসমৰ্পণ কৰিব খোজা নাই। মাৰ্কেট ফোৰ্চৰ বিৰুদ্ধে আমি যুঁজ দিব লাগিব। স্বাস্থ্য বিভাগটো আলোচনা কৰিবলৈ যাওঁতে এই বিভাগৰ লগত জড়িত অৰ্থনৈতিক, সামাজিক, মনোবৈজ্ঞানিক আৰু আধ্যাত্মিক কথাও আলোচনা কৰিব লাগিব। আজি এটা শ্ৰেণীয়ে বেমাৰ চিকিৎসা কৰিবলৈ যাওঁতে স্পুৰিয়াচ ড্ৰাগছৰ লগত জড়িত হৈ কি অৱস্থা হৈছে সেইবিলাক কথাও আমি চিন্তা কৰা উচিত। আজি অসমৰ সৰ্বসাধাৰণ ৰাইজে চৰকাৰী হস্পিতালৰ চিকিৎসাৰ সুবিধা লয়। কমসংখ্যক লোকেই প্ৰাইভেট নাৰ্চিং হোমৰ সুবিধা ল'বলগীয়া হৈছে। আজি সৰ্বসাধাৰণ ৰাইজৰ আয়ৰ শতকৰা ৫৮ ভাগেই চিকিৎসাৰ নামত খৰচ কৰিবলগীয়া হৈছে। তাৰ ভিতৰত আকৌ শতকৰা ১০/১৫ ভাগে নাৰ্চিং হোমৰ খৰচ বহন কৰিব পাৰে। আন্তঃগাঁথনি উন্নয়নৰ কাৰণে চৰকাৰে যিমান মনোনিৱেশ কৰিব লাগিছিল তেনে মনোনিৱেশ কৰা দেখা নাযায়। ব্যক্তিগত নাৰ্চি হোমৰ তথ্য যদি চোৱা যায় বিভিন্নজনে ৰিচাৰ্চ কৰি দেখুৱাইছে শতকৰা ৪০ ভাগ লোকে নিজৰ সা-সম্পত্তি বিক্ৰী কৰি চিকিৎসা ল'ব লগা হৈছে। চিকিৎসা ব্যৱস্থা আজি পণ্যত পৰিণত হৈছে। মাৰ্কেট ফোৰ্চৰ কাৰণেই যে এইবিলাক হৈছে সেইটো আমি আঙুলিয়াই দিব পাৰো। অসমৰ স্বাস্থ্য ব্যৱস্থা আজি সাংঘাতিক অৱস্থালৈ গতি কৰি আছে। আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই নিজেই বিভিন্ন ঠাইত কৈছে যে স্বাস্থ্য বিভাগটোত সাংঘাতিক অৰাজকতাই দেখা দিছে এইবিলাক কথা বাতৰি কাকতেতো ওলাইছে। মন্ত্ৰীয়ে নিজে আজি ফাইল

খুচৰিবলগীয়া অৱস্থা হৈছে। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত আজি অসম পশ্চাদপদ হৈ আছে। এই পশ্চাদপদ হোৱা কাৰণেই কেন্দ্ৰীয় চৰকাৰে ১৮খন প্ৰদেশক এন আৰ এইচ এমত সামৰি লৈছে। এই ১৮খন ৰাজ্যৰ ভিতৰত অসমো পৰিছে। এই আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে। এই কথাটো আমি মনত ৰাখিব লাগিব যে চিকিৎসা সেৱাটো জনমুকী কৰিব লাগে। এটা কথাত আমি গুৰুত্ব দিয়া দৰকাৰ অসমৰ যি স্বাস্থ্য সেৱাৰ ডাক্তৰ আছে তেওঁলোকে পশ্চাদপদ ভিতৰুৱা অঞ্চললৈ চিকিৎসা সেৱা আগবঢ়াব যাব নোখোজে। কি কাৰণে এই অৱস্থাটো হৈছে সেইটো আমি চাব লাগিব। স্বাস্থ্য সেৱাৰ যিসকল ডাক্তৰ আছে তেওঁলোকৰ বিভিন্ন সমস্যা আছে, সেই সমস্যাবিলাকৰ কাৰণে আমি সামগ্ৰিকভাৱে সচেতন হয় নে নহয় সেইটো প্ৰশ্ন আজি উত্থাপিত হৈছে। আজি এজন ইঞ্জিনীয়াৰক পাছ কৰি ওলাবলৈ ৫ বছৰ সময় লাগে কিন্তু এজন ডাক্তৰক ইটাৰ্ণিসহ ৬ বছৰ সময় লাগে। গতিকে এইক্ষেত্ৰত তেওঁলোকৰ বেতনৰ ক্ষেত্ৰত দিচক্ৰিপেঞ্চী আছে। আজি কেন্দ্ৰীয় স্বাস্থ্য সেৱা আৰু ৰাজ্যিক স্বাস্থ্য সেৱাৰ মাজতো দৰমহাৰ অমিল। আজি আমাৰ ৰাজ্য স্বাস্থ্য সেৱাত বিভিন্ন বিষয়ৰ বিশেষজ্ঞ আছে, মেডিকেল কলেজৰ প্ৰফেছৰ আন আন বিশেষজ্ঞ আছে কিন্তু সা-সুবিধাটো সকলোৰে একে নহয়। ৫ বছৰ ইঞ্জিনীয়াৰিং পাছ কৰা আৰু ৬ বছৰত ডাক্তৰী পাছ কৰা লোকসকলৰ দৰমহাৰ গাঁথনি একে নহয়। এইবিলাক কথা চাব লাগে সৰ্বভাৰতীয় কাৰিকৰী সংসদে। অসম স্বাস্থ্য সেৱাৰ যিসকল ডাক্তৰ তেওঁলোক সেৱা সমাজৰ চিকিৎসাৰ বেকবন। কৰ্মৰত যিসকল ডাক্তৰ তেওঁলোকৰ কথালৈ মনোযোগ দিয়া উচিত। আজি বহুতবিলাক অসুবিধা থকা কাৰণে তেওঁলোকে গাঁৱলৈ যাব নিবিচাৰে। সেইকাৰণে ছুপাৰ স্পেচিয়েল ডাক্তৰবিলাকে নাৰ্ছিং হোমত কাম কৰাৰ ইচ্ছা কৰে। ছুপাৰ স্পেচিয়েল ডাক্তৰ এজনে যদি চৰকাৰৰ চাকৰি কৰি ৩০ হাজাৰ টকা দৰমহা পায় তেওঁলোকক প্ৰাইভেট নাৰ্ছিং হোমত এক লাখৰো বেছি পায় সেইকাৰণে তাত কাম কৰিব বিচাৰে। গতিকে মাৰ্কেট ফোৰ্চে ডাক্তৰসকলকো প্ৰভাৱান্বিত কৰিছে। আজি আমাৰ আন্তঃগাঁথনি কি হৈছে? গাঁও অঞ্চললৈ যোৱাৰ বাবে আমি কিমানজনক মটিভেট কৰিব পাৰিছো। অৱশ্যে আমাৰ স্বাস্থ্য মন্ত্ৰী

মহোদয়ে গাঁৱত যোৱা ডাক্তৰসকলক ৩ হাজাৰ টকা ইনচেনটিভ দিম বুলি কৈছে এইটো বৰ ভাল কথা। আমি আজি ৰাজ্যখনত শিক্ষা স্বাস্থ্যত অধিক গুৰুত্ব দিয়া উচিত। স্বাস্থ্য সেৱাৰ মেৰুদণ্ডস্বৰূপ এতিয়া অসম স্বাস্থ্য সেৱাৰ নামত জড়িত ডাক্তৰসকলক সুবিধা দিয়া উচিত হ'ব। আনহাতে আমি ডাক্তৰসকলক নামভৰ্তিৰ সময়তে কণ্ডিচন দিয়া উচিত যাতে এবছৰ হ'লেও গাঁৱত খাটি দিয়ে আমি আন্তঃগাঁথনিত গুৰুত্ব দিয়াৰ লগে লগে মেন পাৱাৰ সৃষ্টিৰ ক্ষেত্ৰতো গুৰুত্ব দিব লাগিব। আজি মেডিকেল কলেজ বিলাকত ইনটেক কেপাচিটি একেই আছে। মেডিকেল কলেজত আসনৰ সংখ্যা বঢ়াব লাগে আৰু বিভিন্ন বিভাগত পেৰা মেডিকেলৰ ষ্টাফৰ সংখ্যা বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে। আৰু তেওঁলোকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। এইবিলাক ক্ষেত্ৰত চৰকাৰে যিমান কৰিব লাগিছিল সেই পৰিমাণে কৰা নাই। ডাক্তৰৰ নিচিনা নাৰ্চৰো অভাৱ বা অন্য ষ্টাফৰো অভাৱ। সেইবিলাক অসুবিধাও পূৰণ কৰিব লাগিব।

আমাৰ ইয়াত এক লাখ মানুহৰ মাজত মাত্ৰ ২৫খন বিছনা আছে। এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে? ইয়াৰ সংখ্যাটো বঢ়াব লাগে, ইয়াৰ বাবে কি কৰিব পাৰি সেই ব্যৱস্থা মন্ত্ৰী মহোদয়ে ল'ব বুলি আশা কৰিলো। নহ'লে আমাৰ দুখীয়া জনসাধাৰণে নিজৰ সা-সম্পত্তি বিক্ৰী কৰি প্ৰাইভেট নাৰ্ছিং হোমলৈ যাবলগীয়া হয় চিকিৎসাৰ বাবে। তাৰোপৰি আমি বিচাৰো আজি চাইল্ড আৰু মদাৰৰ স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। আজি আমাৰ মাকসকল মানে মাতৃসকল বেছিভাগেই এনিমিক। এইক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা ল'ব লাগে। এটা কাম কৰিব পাৰে যদিও স্বাস্থ্য বিভাগত নপৰে, ছ'চিয়েল ওৱেলফেয়াৰ বিভাগতহে পৰে। এইটো কৰিব পাৰে যে অঙ্গনবাদী যিবোৰ কেন্দ্ৰ আছে সেইবিলাকত গৰ্ভৱতী মহিলাসকলক কেনেকৈ খোৱা-বোৱা কৰিব লাগে, কি খাব লাগে আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিৰ বিষয়ে শিকাই বুজাই গাঁৱৰ মহিলাসকলক এইক্ষেত্ৰত সজাগ কৰিব পাৰে। এইটোৰ প্ৰয়োজন আছে। চৰকাৰী তথ্য মতে আমাৰ ৰাজ্যত পি এইচ চি নাই, কিমানখন চি এইচ চিৰ প্ৰয়োজন আছে সিমানখন নাই। এইবিলাক চাই-চিতি ব্যৱস্থা লোৱা প্ৰয়োজন আৰু হস্পিতালত ৰোগীৰ বিছনাৰ সংখ্যা বঢ়োৱাৰ দৰকাৰ।

গতিকে ইয়াৰ উপৰিও স্পুৰিয়াচ মেডিচিনৰ ক্ষেত্ৰত ইয়াৰ সতৰ্কতা লোৱা দৰকাৰ। ই গুৰুত্বপূৰ্ণ কথা। লগতে এইটোও কও যে অকল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে ঔষধৰ দাম বাঢ়িছে। ঔষধবিলাক পেটেণ্ট কৰাৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ কাৰণে দাম বাঢ়ি গৈছে। সেয়ে আৰু দুখীয়া মানুহৰ কাৰণে এইটো সাংঘাতিক কথা হৈ পৰিছে ঔষধ কিনিবলৈ সামৰ্থ নোহোৱা হৈছে। আজি মেলেৰীয়াই ভয়াৱহ ৰূপ লৈছে, লগতে টাইফয়েড, জণ্ডিচ, টি বি, এইড্ছ আৰু কেন্সাৰেও ভয়াৱহ ৰূপ লৈছে। এইবিলাক নিয়ন্ত্ৰণ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা উচিত তেতিয়াহে স্বাস্থ্য সেৱাৰ উন্নতি কৰিব পাৰিব। আমি কাট মোচন এই কাৰণেই আনিছো যাতে আমি আমাৰ স্বাস্থ্য বিভাগটোৰ উন্নতি কৰিব পাৰো। আগন্তুক দিনত চৰকাৰে আৰু আমাৰ মন্ত্ৰী মহোদয়ে সমগ্ৰ অসমৰ স্বাস্থ্য সেৱাত যি অৰাজকতা চলিছে তাৰ অৱসান ঘটাবৰ কাৰণে বিহিত ব্যৱস্থা হাতত ল'ব। এইখিনিকে কৈ মই বক্তব্যৰ সামৰণী মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আৰু হাতত মাত্ৰ পাঁচ মিনিট আছে। মোৰ দুটা ঘোষণাও আছে। সেয়ে কৰ্তন প্ৰস্তাৱৰ আলোচনা অহা ২৪ তাৰিখলৈ স্থগিত ৰাখিলো।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় মই পইণ্ট অব ইনফৰমেশ্যন হিচাপে এটা কথা কওঁ যে মাননীয় সদস্য কমলা কলিতা ডাঙৰীয়াই চাৰ্জিকেলৰ লিষ্টৰ এপ্ৰভৰ ক্ষেত্ৰত এটা কৈছিল সেই ক্ষেত্ৰত মই কওঁ যে সেই লিষ্টখন মাত্ৰ বানপানীৰ সময়ত প্ৰয়োজন হ'ব বুলি মাত্ৰ দুমাহ বা তিনিমাহৰ বাবে কৰা হৈছিল। আচল লিষ্টৰ ৰিডিং পিছত হ'ব। আমি এইবাৰ কোনো এজেণ্টক নিদিওঁ ডাইৰেক্ট কোম্পানীৰ পৰা কিনিম বুলি ঠিক কৰিছে। এইখন মাত্ৰ বানপানীৰ সময়ত লাগিব বুলি কৰা লিষ্টহে।

**Mr. Speaker :** There is an announcement regarding leave of absence. I have received an application through Fax on 10th Jule, 2006 from Shri Pradip Hazarika, a newly elected Hon'ble Member of Twelfth Assam Legislative

* Speech not corrected

Assembly. The contents of the fax letter is–

Pradip Hazarika, MLA
103, Amguri LAC
Camp 404. Pvt. Ward (old)
A..MS, Ansari Nagar.
New Delhi.

10th July, 2006

The Hon'ble Speaker,
Assam Legislative Assembly,
Dispur, Guwahati.

Dear Sir,

Sub : Oath or Affirmation as Newly Elected Member of Assam Legislative Assembly.

In continuation of my letter dated 20 June 2006 and while inviting a reference to letter No LAQ 9/2006/442 dated 28 June 2006 on the captioned subject received from the Secretary, Assam Legislative Assembly forwarding herewith the summon for the next session of the Assembly, I am to inform that even as my treatment at the All India Institute of Medical Science is in progress there is only a remote possibility that I shall be fit to leave the hospital to take oath or affirmation as a newly elected member and to participate in the ensuing session of the Assembly. I therefore request you that I may be permitted leave of absence from participating in the next session and taking oath or affirmations as a new member till I am discharged from the AIIMs. In this connection, I am also enlosing a

medical certificate from the hospital.

I also forward herewith a letter no-21/12006/t dated 30 June, 2006 from Shri D.R. Kalra, Director Lok Sabha Sectt. addressed to Dr. Arun Sarmah, MP from Assam specifying the status as regards time limit for taking of oath by a newly elected member as specified in the Constitution/Rules of procedure and conduct of Business in the Lok Sabha, the contents of which are explanatery. It is requested that the State Assmebly Sectt. may take note of the contents of the letter as regards oath or affirmat ones also entitlement to salary and other perks by a new member of the Assembly.

Yours faithfully,

Pradip Hazarika.

On going through the letters under reference and in consideration of the treatment of Hon'ble Member, Shri Hazarika at Aiims, New Nelhi his leave of absence from the House as prayed for is granted under Rule 185 A(i) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

I hope, this has the approval of the House.

## OBITUARY REFERENCES

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মৃত্যু প্ৰসংগ।

চলিত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কালছোৱাৰ ভিতৰতে আমাৰ ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা দুগৰাকী বৰণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্ত ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি এই পৱিত্ৰ সদনত তলত উল্লিখিত ব্যক্তি দুগৰাকীৰ বিয়োগত শোক প্ৰকাশ

কৰিবলৈ লোৱা হৈছে।

১। ৰামেশ্বৰ বৰবায়ন খাটনিয়াৰ ঃ

সত্ৰীয়া সংস্কৃতিৰ সাধক, বিশিষ্ট গৱেষক, শিল্পী পেঞ্চনাৰ তথা শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ ৰামেশ্বৰ বৰবায়ন খাটনিয়াৰ যোৱা ১৪ জুলাই ২০০৬ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৭ বছৰ।

১৯৩৯ চনত জন্মগ্ৰহণ কৰা প্ৰয়াত বৰবায়ন ডাঙৰীয়াক সত্ৰীয়া সংস্কৃতিৰ চৰ্চা, গৱেষণা আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা জীৱনজোৱা সেৱা আৰু অৱদানৰ স্বীকৃতিৰ স্বৰূপে ১৯৭৪ চনত কমলাবাৰী সত্ৰই সত্ৰৰ বৰবায়ন উপাধি প্ৰদান কৰে। ভাৰতৰ বিভিন্ন স্থানত সত্ৰীয়া নৃত্য-গীত প্ৰদৰ্শন কৰি সত্ৰীয়া নৃত্যক ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰতো তেখেতে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। ১৯৯৫ চনত অসম চৰকাৰে তেখেতক শিল্পী পেঞ্চনেৰে সন্মানিত কৰিছিল।

এই গৰাকী বিশিষ্ট শিল্পীৰ মৃত্যুত ৰাজ্যখনে সত্ৰীয়া সংস্কৃতিৰ এগৰাকী একনিষ্ঠ সেৱক তথা সাধকক হেৰুৱালে।

২। পদুম বৰগোহাঁই ঃ-

অসমৰ বিখ্যাত ভাস্কৰ্য শিল্পী পদুম বৰগোহাঁইৰ যোৱা ১৬ জুলাই, ২০০৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৩ বছৰ।

১৯৩৩ চনত জন্মগ্ৰহণ কৰা প্ৰয়াত পদুম বৰগোহাঁই দেৱে শান্তি নিকেতনৰ পৰা চাৰু কলা বিভাগত ডিপ্লʼমা লাভ কৰে। জীৱনজোৱা সাধনাৰে ৰাজ্যখনৰ সুকুমাৰ কলা আৰু ভাস্কৰ্য শিল্প জগতত স্বকীয় আৰু নিজস্ব শৈলীৰে খ্যাতি লাভ কৰা বুঢ়াগোহাঁইদেৱক ১৯৫৯ চনত জাপানত 'প্ৰকৃতি পুৰুষ' শীৰ্ষক কাঠেৰে নিৰ্মিত এক শিল্প কৰ্মৰ বাবে আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হৈছিল। গহপুৰৰ কনকলতাৰ, ডিব্ৰুগড়ৰ কুশল কোঁৱৰৰ প্ৰতিমূৰ্তি আদি হৈছে বুঢ়াগোহাঁই ডাঙৰীয়াৰ শিল্প নৈপুণ্য আৰু ভাস্কৰ্যৰ চানেকী।

এইগৰাকী ভাস্কৰ্য শিল্পীৰ বিয়োগত আমাৰ ৰাজ্যখনে সুকুমাৰ কলা আৰু ভাস্কৰ্য শিল্পজগতৰ এগৰাকী নীৰৱ সাধকক হেৰুৱালো।

ওপৰত উল্লেখিত প্ৰয়াত ব্যক্তি দুগৰাকীৰ বিদেহী আত্মাৰ সদ্‌গতি

আৰু চিৰ শান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্যসকলৰ প্ৰতি মই অনুৰোধ জনালো।

The House then stood in silence for one minute as a mark of respect to the departed souls.

গুৱাহাটীৰ বিশিষ্ট ব্যৱসায়ী, পংকজ বৰুৱাৰ বিয়োগতো মৃত্যু প্ৰসংগ উল্লেখ কৰিবলৈ সদনে সন্মতি জনাই শোক প্ৰকাশ কৰে।

The House stands adjourned till 9 A.M. on 24th July, 2006.

## ADJOURNMENT

The House then stood adjourned at 11-32 A.M. till Monday, the 24th July, 2006.

Dispur:
the 21st July, 2006

G.P. Das,
Secretary,
Assam Legislative Assembly.

## ২২ নং দক্ষিণ শালমাৰা সমষ্টিৰ চৰকাৰী চিকিৎসালয় আৰু স্বাস্থ্য উপকেন্দ্ৰ

১) দক্ষিণ শালমাৰা গ্ৰাম্য চিকিৎসালয়।

২) দক্ষিণ শালমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

৩) পাটকাটা উপস্বাস্থ্য কেন্দ্ৰ।

৪) কুশবাৰী উপস্বাস্থ্য কেন্দ্ৰ।

৫) মাটিফাটা উপস্বাস্থ্য কেন্দ্ৰ।

৬) গোলপেৰ আগলা উপস্বাস্থ্য কেন্দ্ৰ।

৭) কলিমাৰী উপস্বাস্থ্য কেন্দ্ৰ।

৮) মণিৰচৰ উপস্বাস্থ্য কেন্দ্ৰ।

৯) কাঠভাঙ্গা উপস্বাস্থ্য কেন্দ্ৰ।

১০) মুঠা সেৰা উপস্বাস্থ্য কেন্দ্ৰ।

১১) ছীলাপাৰা উপস্বাস্থ্য কেন্দ্ৰ।

১২) মহবিৰাচৰ উপস্বাস্থ্য কেন্দ্ৰ।

১৩) পদমেৰ আগলা উপস্বাস্থ্য কেন্দ্ৰ।

১৪) পদমেৰ আগলা ১ম খণ্ড উপস্বাস্থ্য কেন্দ্ৰ।

১৫) পদমেৰ আগলা ২ খণ্ড উপস্বাস্থ্য কেন্দ্ৰ।

১৬) ৰবণাৰ চৰ ১ ম খণ্ড উপস্বাস্থ্য কেন্দ্ৰ।

১৭) ৰিভাৰ ব্লক নং ৩ উপস্বাস্থ্য কেন্দ্ৰ।

১৮) কাথালিপাৰা উপস্বাস্থা কেন্দ্ৰ।

১৯) পেচাট ডিমাতোলা উপস্বাস্থ্য কেন্দ্ৰ।

২০) জৰুৱা উপস্বাস্থ্য কেন্দ্ৰ।

২১) বড় কলিয়া লেতা বিলপাৰা উপস্বাস্থ্য কেন্দ্ৰ।

২২) বাসকাটা উপস্বাস্থ্য কেন্দ্ৰ।

২৩) আমবাৰী উপস্বাস্থ্য কেন্দ্ৰ।

২৪) শালকাটা উপস্বাস্থ্য কেন্দ্ৰ।

২৫) বাধাৰাম চৰ উপস্বাস্থ্য কেন্দ্ৰ।

২৬) বাদলমাৰ উপস্বাস্থ্য কেন্দ্ৰ।

২৭) নানাশেৰশে উপস্বাস্থ্য কেন্দ্ৰ।

২৮) কাটিয়াৰ আলগা উপস্বাস্থ্য কেন্দ্ৰ।

২৯) ধনেৰ কুঠি উপস্বাস্থ্য কেন্দ্ৰ।

৩০) টুমনি উভয়াকান্দি উপস্বাস্থ্য কেন্দ্ৰ।

৩১) শিমলা কান্দি উপস্বাস্থ্য কেন্দ্ৰ।

৩২) ভালুক কান্দি উপস্বাস্থ্য কেন্দ্ৰ।

৩৩) সাতডুবি উপস্বাস্থ্য কেন্দ্ৰ।

৩৪) টাকিমাৰী উপস্বাস্থ্য কেন্দ্ৰ।

**TERMS AND CONDITIONS FOR GRANTING LICENCES :**

10. Every licence graned under sub-section (2) of section-9 shall be subject to the following terms and conditions, namely :-

a) that the health establishment shall not be used for immored purposes;

b) that adequate measure shall be taken to keep the health establishment in perfectly hygienic and sanitary condition;

c) that adequate measures shall be taken to dispose of the garbages including disposable syringes, needles, etc.

d) that every person keeping or carrying on a health establishment shall submit an immediate report to the Health Authority as soon as it comes to his notice that any person who has been admitted as an outdoor or indoor patient in the health establishment is suffering from or has been attacked with tetanus, gas gangrene, small pox, cholera, encephalities, acquired immune deficiency syndrome (AIDS) or any other infectious of dangerous disease specified by the Government in this behalf by notification published in the official Gazette;

dd) (i) that the licence shall clearly state names of the Departments for which the permission has been granted in respect of a particular health establishment;

(ii) opening of new Department may be allowed by the Health Authority, subject to fulfilment of such terms and conditions as may be prescribed;

(iii) starting of or operating any new Department by any

health establishment without permission and without an endorsement to that effect in the licence from the Health Authority shall be illegal and for such unauthorised activities the erring health establishment or any person responsible, as the case my be, shall be liable to all or any actions under the provisions of this Act".

e) that for every health establishment records shall be kept in such form and report submitted to the health Authority in such form, in such manner and at such intervals, as may be prescribed, containing–

i) the name and other particulars of each person who is received, admitted or accommodated at the health establishment as an outdoor or indoor patient;

ii) the name of any of the prescribed diseases for which such person is treated;

iii) the name and other particulars of the medical practitioner who attends him;

iv) the amount paid by each person admitted and treated towards costs of –

a) boarding and lodging, if any, and

b) treatment;

c) birth, death and miscarriage, if any, that takes place in the health-establishment during the period to which the report, relates; and

(cc) (i) that the health establishment shall have its own specialist Doctors for respective disciplines recognised

by Medical Council of India as required;

(ii) that the health establishment shall have Clinical Laboratory with requisite infrastructure for necessary laboratory examinations for diagnosis and treatment of different ailments.

(iii) that the health establishment fulfils the criteria as regards to spcialist Doctors for different disciplines recognised by Medical Council of India with atleast three resident Doctors upto thirty beds and proportionate nursing staff, equipment and other staffs;

provided that the number of resident Doctors, nurses, equipment and other staffs shall be increased proportionately by the health establishment having more than thirty beds;

(iv) that for establishing and maintaining a Clinical Laboratory for carrying out biological, pathological and biochemical tests for diagnostic purposes, atleast, one fultime pathologist with required number of laboratory technician and required staff shall be appointed having requisite qualifications like degree/diploma from the Government recognised institutions;

Provided that an MBBS Doctor, who establishes or maintains a Clinical Laboratory for carrying out biological pathological and biochemical tests for diagnostic purpose, in his own name, shall be competent to carry out such routine examinations, as may be specified by regulations;

v) that for a Clinical Laboratory having radiological

facilities at least one qualified Radiologist and such other Radiographer and staffs shall be appointed as required for the purpose.

provided that an MBBS Doctor, who establishes or maintains a Clinical Laboratory having Radiological facilities shall be competent to carryout basic rediological investigations as may be specified by regulations;

(vi) that there shall be a dietician in such category of hospitals as may be specified in the regulations;

(vii) that the health establishment shall have adequate parking place for vehicles and arrangement of Ambulance;

(viii) that the health establishment has made provisions for concession or rebate of free treatment to the economically weak patient whose annual family income from all sources does not exceed repees twenty five thousand or such amount as may be specified by the Government, by order, from time to time, as well as for the patient of the families belonging to the Below Proverty line of the Society, as the case may be".

(f) any other terms and conditions which may be prescribed .

বিশেষ দ্ৰষ্টব্য ঃ তদুপৰি উক্ত আইনখন আৰু অধিক কাৰ্যকৰী কৰাৰ অৰ্থে প্ৰয়োজনীয় সংশোধনী ইতিমধ্যে সদনৰ অনুমোদনৰ বাবে দাখিল কৰা হৈছে।

## LATEST VACANCY POSITION OF GAZETTED STAFF WORKING AT ASSAM MEDICAL COLLEGE & HOSPITAL, DIBRUGARH AS ON 12TH JULY, 2006.

| Sl. No. | Department | Name of the post | Total sanctioned post | Man in position | Vacancy. |
|---|---|---|---|---|---|
| 1. | Administrative | Principal cum Chief Supdt. | 1 | 1 | 0 |
| | | Vice Principal-cum Addl. Chief Supdt. | 1 | 0 | 1 |
| | | Superintendent | 1 | 1 | 0 |
| | | Deputy Superintendent | 3 | 2 | 1 |
| | | M&HO-I (C.M. Store) | 1 | 1 | 0 |
| | | Secretary | 1 | 1 | 0 |
| 2. | Anatomy | Professor | 2 | 2 | 0 |
| | | Assoc. Prof. | 2 | 2 | 0 |
| | | Asstt. Prof. | 4 | 4 | 0 |
| | | Demonstrator | 8 | 8 | 0 |
| 3. | Physiology | Professor | 2 | 2 | 0 |
| | | Assoc. Prof. | 3 | 3 | 0 |
| | | Asstt. Prof. | 4 | 2 | 2 |
| | | Demonstrator | 7 | 6 | 1 |
| 4. | Biochemistry | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 2 | 0 | 2 |
| | | Asstt. Prof. | 3 | 1 | 2 |
| | | Demonstrator | 4 | 4 | 0 |
| 5. | Microbiology | Professor | 2 | 2 | 0 |
| | | Assoc. Prof. | 2 | 1 | 1 |
| | | Asstt. Prof. | 3 | 2 | 1 |
| | | Demonstrator | 4 | 4 | 0 |

| Sl. No. | Department | Name of the post | Total sanctioned post | Man in position | Vacancy. |
|---|---|---|---|---|---|
| 6. | Pathology | Professor | 2 | 1 | 1 |
| | | Assoc. Prof. | 3 | 1 | 2 |
| | | Asstt. Prof. | 6 | 6 | 0 |
| | | Demonstrator | 15 | 13 | 2 |
| | | Rés. Pathologist | 1 | 1 | 0 |
| 7. | Pharmacology | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 3 | 2 | 1 |
| | | Asstt. Prof. | 4 | 3 | 1 |
| | | Demonstrator | 6 | 6 | 0 |
| 8. | F.S.M. | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 2 | 0 | 2 |
| | | Asstt. Prof. | 2 | 1 | 1 |
| | | Demonstrator | 3 | 2 | 1 |
| 9. | Community Medicine | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 2 | 0 | 2 |
| | | Asstt. Prof. | 4 | 1 | 3 |
| | | Demonstrator | 7 | 7 | 0 |
| | | statistician | 1 | 1 | 0 |
| 10. | Medicine | professor | 5 | 5 | 0 |
| | | Assoc. Prof. (Gen.Med) | 1 | 1 | 0 |
| | | Assoc. Prof. (Haematology) | 1 | 0 | 1 |
| | | Assoc. Prof. (Nephro) | 2 | 1 | 1 |
| | | Asstt. Prof. (Gen. Med) | 4 | 3 | 1 |
| | | Asstt. Prof (Endocrynogy) | 1 | 0 | 1 |
| | | Asstt. Prof. (Nephro) | 1 | 0 | 1 |
| | | Registrar (Gen. Med) | 5 | 5 | 0 |
| | | Registrar (Nephro) | 1 | 1 | 0 |
| | | Registrar (TID) | 1 | 1 | 0 |

| Sl. No. | Department | Name of the post | Total sanctioned post | Man in position | Vacancy. |
|---|---|---|---|---|---|
| 10. | Medicine | Registrar (Endocrynology) | 1 | 1 | 0 |
| | | Res. Physician (Gen. Med) | 4 | 4 | 0 |
| | | Res. Physician (Nephro) | 1 | 1 | 0 |
| | | Res. Physician (TID) | 1 | 1 | 0 |
| 11. | Cardiology | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 1 | 1 | 0 |
| | | Registrar | 1 | 1 | 0 |
| | | Res. Physician | 1 | 0 | 1 |
| 12. | T.B. & Chest | Professor | 1 | 0 | 1 |
| | | Assoc. Prof. | 1 | 0 | 1 |
| | | Asstt. Prof. | 2 | 2 | 0 |
| | | Registrar | 2 | 2 | 0 |
| | | Res. Physician | 1 | 1 | 0 |
| 13. | Dermatology | Professor | 1 | 0 | 1 |
| | | Assoc. Prof. | 1 | 0 | 1 |
| | | Asstt. Prof. | 1 | 1 | 0 |
| | | Res. Physician | 1 | 1 | 0 |
| | | Sr. M& HO | 1 | 1 | 0 |
| 14. | Psychiatry | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 2 | 1 | 1 |
| | | Registrar | 1 | 1 | 0 |
| | | Res. Physician | 1 | 1 | 0 |
| | | Psy. Social Worker | 1 | 1 | 0 |
| | | Clinical Psychologist | 1 | 1 | 0 |
| 15. | Paediatrics | Professor | 1 | 1 | 0 |

| Sl. No. | Department | Name of the post | Total sanctioned post | Man in position | Vacancy. |
|---|---|---|---|---|---|
| 15. | Paediatrics | Assoc. Prof. | 3 | 3 | 0 |
| | | Asstt. Prof. | 3 | 3 | 0 |
| | | Registrar (P.P.P) | 1 | 1 | 0 |
| | | Registrar | 1 | 1 | 0 |
| | | Registrar (Neonatology) | 1 | 1 | 0 |
| | | Res. Physician | 1 | 1 | 0 |
| 16. | Neurology | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 1 | 0 | 1 |
| | | Registrar | 1 | 1 | 0 |
| | | Res. Physician | 1 | 1 | 0 |
| 17. | Surgery | Professor | 4 | 4 | 0 |
| | | Assoc. Prof. | 2 | 2 | 0 |
| | | Asstt. Prof. (Gen. Surg) | 6 | 5 | 1 |
| | | Asstt. Prof (Paed. Surg) | 1 | 1 | 0 |
| | | Asstt. Prof. (CTVS) | 1 | 1 | 0 |
| | | Asstt. Prof. (Urology) | 1 | 1 | 0 |
| | | Registrar (Gen. Surg) | 7 | 7 | 0 |
| | | Res. Surgeon (Gen. Surg) | 4 | 4 | 0 |
| | | Registrar (Paed. Surg) | 1 | 1 | 0 |
| | | Registrar (CTVS) | 1 | 1 | 0 |
| | | Res. Surgeon (CTVS) | 1 | 1 | 0 |
| 18. | Orthopaedics | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 2 | 2 | 0 |
| | | Asstt. Prof. | 3 | 3 | 0 |
| | | Registrar | 2 | 2 | 0 |
| | | Res. Surgeon | 1 | 0 | 1 |

Principal
Assam Medical College

| Sl. No. | Department | Name of the post | Total sanctioned post | Man in position | Vacancy. |
|---|---|---|---|---|---|
| 19. | Pastic Surgery | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 2 | 2 | 0 |
| | | Registrar | 3 | 3 | 0 |
| | | Res. Surgeon | 1 | 1 | 0 |
| 20. | E.N.T. | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 2 | 2 | 0 |
| | | Registrar | 1 | 1 | 0 |
| | | Res. Surgeon | 1 | 1 | 0 |
| 21. | Ophthalmology | Professor | 2 | 2 | 0 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 6 | 6 | 0 |
| | | Registrar | 3 | 3 | 0 |
| | | Refractionist | 2 | 2 | 0 |
| 22. | Obst & Gynae | Professor | 2 | 1 | 1 |
| | | Assoc. Prof. | 1 | 1 | 0 |
| | | Asstt. Prof. | 5 | 5 | 0 |
| | | Registrar | 2 | 2 | 0 |
| | | Res. Surgeon | 3 | 3 | 0 |
| 23. | Anaesthesiology | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 4 | 4 | 0 |
| | | Asstt. Prof. | 6 | 4 | 2 |
| | | Registrar | 2 | 2 | 0 |
| | | Anaesthelist (PPP) | 1 | 1 | 0 |
| | | Anaestetist | 5 | 5 | 0 |

| Sl. No. | Department | Name of the post | Total sanctioned post | Man in position | Vacancy. |
|---|---|---|---|---|---|
| 24. | Dentistry | Professor | 1 | 0 | 1 |
| | | Assoc. Prof. | 1 | 0 | 1 |
| | | Asstt. Prof. | 1 | 1 | 0 |
| | | Registrar | 2 | 2 | 0 |
| | | Res. Surgeon | 1 | 1 | 0 |
| 25. | Radiagnosis | Professor | 1 | 1 | 0 |
| | | Assoc. Prof. | 3 | 3 | 0 |
| | | Asstt. Prof. | 5 | 1 | 4 |
| | | Registrar | 3 | 3 | 0 |
| | | Demonstrator | 2 | 2 | 0 |
| | | Sr.Physicist | 1 | 1 | 0 |
| 26. | Radiotherapy | Professor | 1 | 1 | 0 |

| | |
|---|---|
| Vice Principal Cum-Addl. Chief Supdt. | 1 |
| Deputy Superintendent | 1 |
| Professor | 5 |
| Associate Professor | 15 |
| Asstt. Professor | 21 |
| Demonstrator/Registrar | 6 |
| Total | 49 |

Principal cum-chief Supdt.
Assam Medical College & Hospital
Dibrugarh.

**List of Machinery and Equipments, available in Assam Medical College Hospital, Dibrugarh.**

| Sl No. | Name of Equipments | Quantity | Cost. |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. | Automatic Developing processor | – 1 No. | Rs. 4,52,000.00 |
| 2. | C.T. Scan Machine | – 1 No. | Rs. – |
| 3. | Bedside Cardiac Monitor | – 4 Nos. | Rs. 45,581.00/each. |
| 4. | Slit Lamp with standard accoriories. | – 2 Nos. | Rs. 37,000.00/each. |
| 5. | Datex Ohmeda Multi Channel monitor Cardio Cap II | – 2 Nos. | Rs. 4,27,000.00/each |
| 6. | 20 Ma Portable X-Ray Machine | – 2 Nos. | Rs. – |
| 7. | 500 MA with II TV X-Ray Machine | – 1 No. | Rs. – |
| 8. | 300 MA X-Ray Machine | – 2 Nos. | Rs. – |
| 9. | 500 MA X-Ray Machine | – 1 No. | Rs. – |
| 10. | Auto Analyser Dade Ranbaxy Chemical Chemistry Dimension-AR complete with on line smart UPS. | – 1 No. | Rs. 28,00,000.00 |
| 11. | Royls Apparatus (Datex Ohemeda) Model-Boyle Basic Complete. | – 4 Nos. | Rs. 5,35,000.00/each |
| 12. | Central Monitoring System with slave unit and display system Model-OM-7092 with Colour Monitor. | – 1 No. | Rs. 6,21,300.00 |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 13. | Defibrillator Monitor cardiology Model- DF-2389 R | – 1 No. | Rs. 1,31,870.00 |
| 14. | Diathermy Machine | – 5 Nos. | Rs. 96,092.00/each |
| 15. | E.C.G. Machine Model 308 | – 2 Nos. | Rs. 18,900.00/each |
| 16. | E.C.G. Machine Model 408 | – 1 No. | Rs. 26,146.00 |
| 17. | E.C.G. Machine BPL Model 108 T (MK-VI) | – 9 Nos. | Rs. 34,171.00/each |
| 18. | O.T. Rable Hydroulic-SS with Accessories. | – 1 No. | Rs. 1,05,000.00 |
| 19. | O.T. Table Gear Type Major Head in Control. | – 4 Nos. | Rs. 63,340.00/each |
| 20. | O.T. Table Cognate Gear Type Major Head in Control Hydraulic Surgical Operating Table. | – 3 Nos. | Rs. 1,05,000.00/each |
| 21. | I.C.U. Bed Delux Vissco | – 6 Nos. | Rs. 20,400.00/each |
| 22. | E.C.G. Trade Mill Computerised Trade Mill Text Machine (TMT) | – 1 No. | Rs. 4,05,000.00 |
| 23. | Boyle Apparatus MKIII | – | Rs. 49,467.00 |
| 24. | Boyles up Graded Model - III ULTIMA with<br>a) Oxygen Failure Worning Device.<br>b) TEC-5 Veporizer<br>c) Circle Absorber. | – | Rs. 5,07,000.00/each |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 25. | Binocular Microscope | – 25 Nos. | Rs. – |
| 26. | Biox 3700 Oxymeter | – 1 No. | Rs. 1,20,000.00 |
| 27. | Defibrillator with facilities for both internal & external D.E. stock with attached E.C.G. Monitor. | – 1 No. | Rs. 75,320.00 |
| 28. | E.C.G. Pan Meter | – 3 Nos. | Rs. 9,500.00/each |
| 29. | Cardioc Monitor with Difibrelator BPL Make Model- DF 2389 R. | – 6 Nos. | Rs. 1,31,870.00 each |
| 30. | High Presure Harizental Cylinder Sterilizer. | – 4 Nos. | Rs. 2,24,000.00/each |
| 31. | Hemodialysis Machine with Bicarbonate Mode. | – 2 Nos. | Rs. – |
| 32. | Leica Gallen-III Binocular rescarch Microscope. | – 1 No. | Rs. 1,28,500.00/each |
| 33. | Microwave Diathermy Machine | – 2 Nos. | Rs. 18,250.00/each |
| 34. | Microscope Monocular | – 11 Nos. | Rs. 11,900.00/each |
| 35. | Microtome weswox | – 4 Nos. | Rs. 10,100.00/each |
| 36. | Microscope Monocular | – 5 Nos. | Rs. 8,400.00/each |
| 37. | Nucleatome console for Automated Peneutaneous Lumber Disectomy with Kit. | – 1 No. | Rs. 4,87,000.00 |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 38. | Congnate Hydraulic Operating Table for C-ARM Inage intensifier Model-SS-1000 | – 1 No. | Rs. 2,62,000.00 |
| 39. | Lung Functioning Monitor | – 2 Nos. | Rs. 1,75,000.00/each |
| 40. | Operating Microscope & Lensometer. | – 2 Nos. | Rs. 2,64,000.00/each |
| 41. | Olympus Binocular Research Microscope. | – 1 No. | Rs. 28,250.00/each |
| 42. | Pathological Medical Monocular Microscope | – 10 Nos. | Rs. 11,900.00/each |
| 43. | Oximeter (Biox-3700) | – 10 Nos. | Rs. 1,75,668.00/each |
| 44. | Polarimeter Weswox | – 1 No. | Rs. 3,300.00 |
| 45. | Respirator Puritan Bannet 7200 a.e. withRass | – 1 No. | Rs. 13,38,852.00 |
| 46. | Berkeley Suction Curettage system. | – 1 No. | Rs. 1,49,062.00 |
| 47. | Uninturupted Power supply-1 KVA (UPS | – 1 No. | Rs. 65,000.00 |
| 48. | Yorco Make Serological Gater Bath. | – 2 Nos. | Rs. 29,293.00/each |
| 49. | Shadowless Major Operation Light. | – 4 Nos. | Rs. 60,000.00/each |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 50. | Semi Authomated Bio-Chemistry Analyser Model Microlab 300 LX. | – 1 No. | Rs. 2,05,00.00 |
| 51. | Infusion Pump | – 2 Nos. | Rs. 57,000.00/each |
| 52. | Bed side Monitor Cardic | – 4 Nos. | Rs. 1,73,800.00/each |
| 53. | Cobalt Machine 780C | – 1 No. | Rs. – |
| 54. | O.T. Light. | – 15 Nos. | Rs. 32,400.00/each |
| 55. | Ultrasound Machine | – 2 Nos. | Rs. – |
| 56. | Pilse Oxymeter | – 3 Nos. | Rs. 75,500.00/each |
| 57. | Pneumatic Drill with Accessories | – 1 No. | Rs. 19,66,533.00 |
| 58. | Blood Gas Analyser | – 1 No. | Rs. – |
| 59. | Blood Bank Refrigerator | – 3 Nos. | Rs. – |
| 60. | A. Scan | – 1 No. | Rs. – |
| 61. | Incubator | – 5 Nos. | Rs. – |

**অসমৰ ঐতিহাসিক আৰু পৰ্য্যটকৰ আকৰ্ষণীয় স্থান হিচাবে বাছি লোৱা ঠাইসমূহ হ'ল এনেধৰণৰ ঃ-**

(১) শিৱসাগৰ ঃ ৰংঘৰ, কাৰেং ঘৰ, শিৱ দ'ল, জয় দ'ল, তলাতল ঘৰ, জয়সাগৰ, শিৱসাগৰ।

(২) তেজপুৰ ঃ মহাভৈৰৱ মন্দিৰ, ভৈৰৱী মন্দিৰ, দ-পৰ্বতীয়া, অগ্নিগড়, বাণ ৰঙ্গমঞ্চ, বামুনী পাহাৰ।

(৩) ভালুকপুং ঃ প্ৰাকৃতিক সৌন্দৰ্য, দুঃসাহসিক ক্ৰীড়া, ৰেফ্‌টিং, এংলিং, নামেৰী ৰাষ্ট্ৰীয় উদ্যান।

(৪) বিশ্বনাথ চাৰিআলি ঃ ৯৯৯টা শিৱলিংগ বাবে গুপ্তকাশী, চন্দী মন্দিৰ আদি। শিৱৰাত্ৰিৰ দিনা ডাঙৰ মেলা হয়।

